
# অন্বেষণ

দ্বাদশ বছৰ ■ নৱম সংখ্যা ■ অক্টোবৰ, ২০২৫



# শেষবাৰৰ বাবে ঘৰ অভিমুখী জুবিন গাৰ্গ






# অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী, অসম

কৰ্ম মোৰ সংস্কৃতি

# ASSAM JATIYA BIDYALAY
Noonmati, Guwahati, Assam

## শ্ৰদ্ধাঞ্জলি



## গণকণ্ঠ জুবিন গাৰ্গ

"মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য..."

জুবিন গাৰ্গদেৱৰ অকাল বিয়োগৰ অৰ্থ প্ৰকাশ কৰিবলৈ শব্দ-বাক্য অক্ষম। জনতা শোকাহত। তেখেতৰ শাৰীৰিক অৱৰ্তমানত ব্ৰহ্মাণ্ডসম শূন্যতাৰ সৃষ্টি হ'ল। অথচ জীৱন কালতেই প্ৰতিষ্ঠা কৰা মানৱতাৰ জয়গান তেখেতৰ মহাপ্ৰয়াণৰ পাছত সৰ্বত্ৰে জয়জয়কাৰ হৈ উঠিল। তেখেতৰ সংগীতে আমাৰ জন্মভূমিৰ শিপা খামুচি, নৈ-নিজৰাত প্লাৱন আনি, পথাৰ পলসুৱা কৰি জাতিৰ ভঁৰাল মেটমৰা কৰি গ'ল। সীমাৰ পৰিধি অতিক্ৰম কৰি অসম-অসমীয়াৰ পৰিচয় প্ৰতিষ্ঠা কৰি গ'ল।

মাতৃভূমি আৰু মাতৃভাষাৰ প্ৰতি তেখেতৰ অতুলনীয় প্ৰেম আৰু দায়বদ্ধতাই সমগ্ৰ ৰাজ্যৰ জাতীয় বিদ্যালয়সমূহৰ লগতে অসম জাতীয় বিদ্যালয়কো চিৰকাললৈ অনুপ্ৰাণিত কৰি থাকিব। অসম জাতীয় বিদ্যালয়লৈ শেহতীয়াকৈ আমি আগবঢ়োৱা নিমন্ত্ৰণ তেখেতে গ্ৰহণ কৰিছিল। কিন্তু নিয়তিয়ে অন্য আয়োজনেৰে তেখেতক অচিন জগতলৈ লৈ গ'ল।

জুবিন গাৰ্গ আমাৰ বাবে ৰঙালী, কঙালী আৰু ভোগালী সময় আৱৰ্তৰ এক প্ৰহৰী, জনতাৰ কণ্ঠ, আশা আৰু আস্থাৰ প্ৰতীক, সকলো সংকীৰ্ণতাৰ বিপৰীতে মহামিলনৰ প্ৰতীক। সমাজৰ সৰ্বস্তৰৰ মানুহৰ তালুৰ পৰা তলুৱালৈ প্ৰবাহিত এক অবিনশ্বৰ সত্তা।

হিয়াৰ আমঠু জুবিন গাৰ্গ চিৰকাল থাকিব, আমাৰ অন্তৰে অন্তৰে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ। জুবিন গাৰ্গদেৱৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক। এই শোকস্তব্ধ সময়ত পৰিয়ালৰ প্ৰতি আমি সুগভীৰ সমবেদনা জনাইছোঁ।

আন্তৰিক শ্ৰদ্ধাৰে—

| (অসীম কৃষ্ণ বৰুৱা) | (ঘনশ্যাম মেধি) | (দিলীপ কুমাৰ দত্ত চৌধুৰী) | (ডা° নাৰায়ণ শৰ্মা) |
|---|---|---|---|
| সমন্বয়ক | অধ্যক্ষ | সভাপতি | সচিব |
| অজাবি শিক্ষা সংসদ | অসম জাতীয় বিদ্যালয় | অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতি | |

## জীৱনৰ ভিন্ন বয়সত ৰকষ্টাৰগৰাকী














# অন্বেষণ

**দ্বাদশ বছৰ, নৱম সংখ্যা, অক্টোবৰ, ২০২৫ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com



## জুবিন গাৰ্গ বিশেষ সংখ্যা



## সূচীপত্ৰ

৩ **ভালপোৱাৰ মহাসাগৰ**
■ ডা° নাৰায়ণ শৰ্মা

৪ **জীৱন জুবিনময়**
■ অসীম কৃষ্ণ বৰুৱা

৬ **ইউকেলিপ্টাছ গছৰ দৰে ওখ হৈ ৰ'ল জুবিন**
■ লিপিমণি দত্ত

৯ **জুবিন গাৰ্গ যুগ (১৯৯২—        )**
■ তন্ময় শৰ্মা

১১ **ডেজাৰ্ট ৰ'জ**
■ ৰাহুল গৌতম শৰ্মা

১৬ **The Eternal Star**
■ Ayan Sharma

১৭ **জুবিন যেন জীৱন**
■ বৰ্ণিল মেধি

১৮ **জুবিনৰ কবিতা**
■ শংকৰ দত্ত

২০ **জুবিন গাৰ্গৰ গীত**
■ মানসজ্যোতি শৰ্মা

২৩ **মানৱদৰদী জুবিন গাৰ্গ**
■ উদয়া ফুকন

২৪ **পশুপ্ৰেমী মানুহগৰাকী**
■ অপৰ্ণা দেৱী

২৬ **মায়াৱিনী ৰাতিৰ বুকুত**
■ ভাস্কৰজ্যোতি হালৈ

২৮ **জুবিনৰ উক্তি**

২৯ **জুবিন গাৰ্গলৈ বিভিন্ন ব্যক্তিৰ শ্ৰদ্ধা জ্ঞাপন**




৩০ **বিভিন্ন বৈদ্যুতিন মাধ্যমত জুবিন গাৰ্গৰ বাতৰি**

৩২ **বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বাতৰি কাকতত জুবিন গাৰ্গৰ বাতৰি**

৩৪ **২০ ছেপ্টেম্বৰ ২০২৫ তাৰিখৰ অসমৰ কেইখনমান বাতৰিকাকতৰ প্ৰথম পৃষ্ঠা**

৩৬ **দেশ-বিদেশৰ খবৰ**
- কুশল গোস্বামী

৪০ **খবৰৰ লেছেৰি বোটলা**
- কুশল গোস্বামী

৪১ **মহাত্মা নামৰ গান্ধীজন**
- অভিজিত শৰ্মা বৰুৱা

৪৪ **চুড’কু**

৪৫ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

৫১ **শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল**
- অপৰাজিতা বৰা

৫৩ **Stories from World Classics**
- Pallavi Dutta

৫৪ **Did You Know**
- Swadesh Gogoi

৫৫ **কুইজ**
- দীপাংকৰ কৌশিক

৫৬ **সংগীত জগতৰ এটি উজ্জ্বল নক্ষত্ৰ হেৰাই গ’ল**
- হৃষিতা কলিতা

৫৭ **গ্ৰহাণু আৰু ধূমকেতুত জীৱনৰ বীজ**
- কৃতী দাস

৫৮ **গৰমৰ বন্ধত শ্বিলঙলৈ এপাক**
- স্বৰ্ণভ পাটোৱাৰী

৫৯ **বেতনী গাঁৱৰ পৰা আমেৰিকালৈ এক সুদীৰ্ঘ যাত্ৰা**
- ৰশ্মিনন্দা কলিতা

৬০ **প্ৰকৃতি বিষয়ক তিনিখন গ্ৰন্থ**
- শিপা ভৰদ্বাজ

৬২ **আকাশৰ কথা**
- ধীৰাশ্ৰী দাস

৬২ **বান**
- পূবাঞ্চী দাস

৬২ **বৰষুণ**
- হৃদয় চৌধুৰী

৬৩ **আমেৰিকাৰ শুল্ক নীতি : ভাৰত-চীন-ৰাছিয়াৰ নতুন সমীকৰণ**
- প্ৰণীতা দেৱী



**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা (উৎস : ইণ্টাৰনেট)

**ছবি** : কন্দৰ্প শৰ্মা, ৰঞ্জীৱ গগৈ, ৰঞ্জিত মিশ্ৰ
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ, দুলাল বনিয়া
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*



# ভালপোৱাৰ মহাসাগৰ

■ ডা° নাৰায়ণ শৰ্মা

ভালপোৱাৰ মহাসাগৰ। ভালপোৱা মানুহৰ। আন এক মহাসাগৰৰ প্ৰতি—নাম যাৰ জুবিন গাৰ্গ।

দুইখন মহাসাগৰৰ মাজত প্ৰেমৰ কেনে এক নিভাঁজ বান্ধোন !

অসমৰ সংগীত আকাশৰ পৰা আচম্বিতে খহি পৰা এক নক্ষত্ৰ। এই নক্ষত্ৰৰ নাম জুবিন গাৰ্গ।



ধৰ্ম, জাতিৰ পৰিচয়বিহীন এক মানৱীয় সত্তা—এই সত্তাৰ নাম জুবিন গাৰ্গ।

দুৰন্ত সাহস, স্পষ্টবাদিতা, আপোচবিহীনতাৰ আন এক নাম—জুবিন গাৰ্গ।

অসহায়, আৰ্তজনৰ কাষত আশাৰ প্ৰদীপ হৈ উজলি উঠা এক পোহৰৰ নাম—জুবিন গাৰ্গ।

অপ্ৰত্যাশিত আৰু অহেতুক মৃত্যুৰ চিকাৰ হৈ মেলানি মাগিবলৈ বাধ্য হোৱা অসমবাসীৰ হিয়াৰ আমঠু। তেওঁৰ নাম—জুবিন গাৰ্গ।

‘সাগৰ তলিত’ জীৱন-নাট সামৰি সকলো স্তৰৰ সকলো মানুহৰ হৃদয় ছিৰাছিৰ কৰি পেলোৱা এক কিংবদন্তি। তেওঁৰ নাম—জুবিন গাৰ্গ।

মায়াৱিনী সুৰ আৰু কণ্ঠৰে প্ৰজন্মৰ পাছত প্ৰজন্মক মোহাৱিষ্ট কৰি যুগ-যুগান্তৰলৈ অক্ষয় কীৰ্তি গঢ়া সূৰ্য্যসম এক প্ৰতিভা। এই প্ৰতিভাৰ নাম—জুবিন গাৰ্গ।

ভূপেন হাজৰিকাৰ গীত শুনি ডাঙৰ হোৱা আমাৰ প্ৰজন্মৰ বাবেও নব্বৈৰ দশকত আবিৰ্ভাৱ হোৱা জুবিনৰ নতুন সংগীতৰ ধাৰা আছিল এক অপাৰ বিস্ময়। প্ৰথম অৱস্থাত বৰকৈ অনুভৱ কৰিব নোৱাৰিলেও লাহে লাহে বুজি উঠিছিলোঁ যে অসমৰ সংগীতৰ ক্ষেত্ৰখনত এক নতুন দিগন্তৰ উন্মেষ ঘটিছে। কম সময়ৰ ভিতৰতেই জুবিনৰ নতুন আংগিকৰ গানবোৰৰ মাদকতাই আমাকো জুবিন প্ৰেমী কৰি তুলিলে। সেই প্ৰেম গভীৰৰ পৰা গভীৰতৰ হৈ গৈ থাকিল।

তেওঁৰ অপঘাতী মৃত্যুৰ সংবাদ পোৱাৰ পাছত আন তেজ-মঙহৰ মানুহৰ দৰেই মোৰো সমস্ত শৰীৰত কঁপনি উঠিছিল। মুহূৰ্তৰ বাবে পৃথিৱীখন থৰ হৈ যোৱা যেন লাগিছিল। তাৰ পাছৰ পৰাই সমগ্ৰ অসমজুৰি উঠা কান্দোনৰ ৰোলে জনজীৱনো স্তব্ধ কৰি পেলাইছিল।

সেই কান্দোন, উচুপনি আৰু হৃদয় গধুৰ কৰি তোলা দুখ আৰু ক্ষোভ এতিয়াও পাতলি যোৱা নাই। হয়তো কোনোদিনেই নাযাব।

জুবিনৰ লগত মোৰ বিশেষ সান্নিধ্য নাছিল। কিন্তু দূৰৰ পৰাই আছিল অন্তৰৰ সম্পৰ্ক। তথাপি দুই-তিনিবাৰমান ক্ষন্তেকীয়াকৈ লগ পাওঁতেও তেওঁৰ নিৰ্ভেজাল হৃদয়ৰ উমান পাইছিলোঁ। সেয়েহে মঞ্চত বা আন স্থানত তেওঁৰ শাৰীৰিক স্ব-নিৰ্য্যাতন বুলি মই অনুভৱ কৰা কিবা কথা দেখিলেই তেওঁৰ অতি ঘনিষ্ঠ এজন শুভাকাংক্ষীলৈ তৎমুহূৰ্ততে মেছেজ পঠিয়াইছিলোঁ—কিবা এটা কৰা, এই ল'ৰাজনক আমি সুস্বাস্থ্যৰে বচাই ৰাখিব লাগিব। সমাজৰ বাবে সাধাৰণ অৰ্থত গ্ৰহণযোগ্য নোহোৱা তেওঁৰ খেয়ালী আচৰণবোৰ দৰাচলতে আছিল এজন ৰকষ্টাৰৰ স্বাভাৱিক চাৰিত্ৰিক বৈশিষ্ট্য। এজন গহীন-গম্ভীৰ গায়কৰ বিপৰীতে এই ৰকষ্টাৰৰ ৰূপটোৱেহে জুবিনক ভাল লাগিছিল। কিয়নো, জুবিন গাৰ্গ আছিল ভাৰতৰেই এগৰাকী অবিসম্বাদী ৰকষ্টাৰ।

সমাজৰ সাধাৰণ বুলি চিহ্নিত মানুহবোৰেই আছিল জুবিনৰ প্ৰাণৰো প্ৰাণৰ।



## হিয়াৰ আমঠু জুবিন

২২ ছেপ্টেম্বৰ তাৰিখে সৰুসজাইত শোকাহত লক্ষ লক্ষজনৰ মাজৰ এজন হৈ দীঘলীয়া শাৰীত থিয় হ'লোঁ তেওঁৰ পাৰ্থিৱ শৰীৰৰ শেষ দৰ্শনৰ বাবে। তিনি ঘণ্টা সময় এইদৰে শাৰী পাতি প্ৰখৰ ৰ'দত ঘামিলোঁ। চোলা তিতিল। এই কথাটোৱেই মোক পুলকিত কৰিলে।

যিগৰাকী ক্ষণজন্মা পুৰুষে অসম আৰু অসমীয়াক তেওঁৰ অতুলনীয় সৃষ্টিৰ সম্ভাৰৰ লগতে দি গ'ল স্বাভিমান, সাহস আৰু অফুৰন্ত মৰম—তেওঁৰ বাবে তিনিটা ঘণ্টা ৰ'দত থিয় হৈ, ঘামত তিতিয়েই যেন অন্তৰ কিছু শাঁত পৰিল। সাধাৰণৰ মাজৰ এজন হৈ শ্ৰদ্ধাৰ্ঘ্য যাচি লক্ষ লক্ষজনৰ দুখৰ সমভাগী হ'লোঁ। তেওঁ অমৰ, অবিনশ্বৰ হৈ সদায়েই থাকিব।

শেষত কওঁ—

জুবিনক এই অকাল মৃত্যুৰ মুখলৈ ঠেলি দিয়া সকলো অপশক্তি শীঘ্ৰেই চিনাক্ত হ'ব লাগিব। সিহঁতৰ উপযুক্ত শাস্তি  হ'ব লাগিব। জুবিনৰ সৰলতাৰ সুযোগ লৈ তেওঁক আৰ্থিকভাৱে লুণ্ঠন কৰা বেপাৰীসকলকো চিনাক্ত কৰি, শাস্তি দি জুবিনৰ সম্পদসমূহৰ পৰা ভৱিষ্যতলৈ যাতে সিহঁতে এটকাও লুটিব নোৱাৰে তাৰ বাবে পানী নসৰকা ব্যৱস্থা কৰিব লাগিব। ❖

# জীৱন জুবিনময়

**■ অসীম কৃষ্ণ বৰুৱা**

জুবিন গাৰ্গ ব'হাগৰ কুঁহিপাত, ঢোলৰ গুমগুমনি, পেঁপাৰ অন্তৰ্ভেদী কম্পন, গগনাৰ গুঞ্জন, বিহুৰ কালজয়ী মালিতা। জুবিন গাৰ্গ হালোৱাই চহ কৰা পথাৰ, শাওণৰ বৰষুণ, দোকোল-টকা বান, আহিনৰ শেৱালিৰ সুবাস, আঘোণ-পুহৰ সোণোৱালী পথাৰ, মাঘৰ মেটমৰা ভঁৰাল, মেজিৰ জুইৰ উত্তাপ। জুবিন গাৰ্গ এক হৃদয় সংবাদ। জুবিন গাৰ্গ অগণিত লোকৰ আকুল আহ্বান, বিপদ-বন্ধু, গণকণ্ঠ, প্ৰতিবাদী সত্তা, শিল্প আৰু শিল্পীৰ খেয়াল, হৃদয় বীণাৰ টান...



জুবিন গাৰ্গক বুজিব পৰাকৈ, বুজাব পৰাকৈ এক অভিধাৰ প্ৰয়োজন। যিদৰে সুধাকণ্ঠ বুলিলে কোন আমি বুজোঁ। জুবিন গাৰ্গ এক এনিগমা (enigma) নেকি? এনিগমা মানে—a person, thing or situation that is difficult to understand। এনেতো নহয় জুবিন গাৰ্গ। তেওঁৰ মহাপ্ৰয়াণত বিশ্ব অভিলেখ হ'ল। শোকাহত জনতাই মৌন মুখ মুখৰ হৃদয় কৰি তেওঁৰ পাৰ্থিৱ শৰীৰক অন্তিম বিদায় জনালে। তেওঁ মহানায়ক হ'ল। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মহাপ্ৰয়াণকো অসমৰ জনতাই বিৰল সন্মান প্ৰদান কৰাৰ নজিৰ প্ৰতিষ্ঠা কৰিছিল। এক সম্পূৰ্ণ জীৱন, বয়সৰ অন্তত মহাপ্ৰয়াণ ঘটা সুধাকণ্ঠৰ মৃত্যুত জনতা উদ্বাউল হোৱা নাছিল। এক অদ্ভুত প্ৰশান্তিৰে চকুলো টুকিছিল। সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই জাতিয়ে আকৌ অনুধাৱন কৰিছিল তেওঁৰ অপাৰ মহত্ত্ব, জাতিৰ প্ৰতি অৱদান। লৈছিল সংকল্প।

জুবিন গাৰ্গৰ মহাপ্ৰয়াণত জনতাই দুখ পাইছে। সেই দুখ বৰ্ণনাতীত। কাৰণ মানুহজনৰ বয়স বেছি হোৱা নাছিল। তেওঁৰ কণ্ঠৰে নিগৰিত বৰগীত, লোকগীত,



জনগোষ্ঠীয় বিহু, লোকসংগীত, অসমীয়া আধুনিক গীত ইত্যাদি সমাজৰ সৰ্বস্তৰৰ মানুহৰ শ্বাস-প্ৰশ্বাস হৈ পৰিল। কেৱল সাংগীতিক অৱদানৰ বাবেই জুবিন গাৰ্গৰ প্ৰতি মানুহৰ এই সাগৰসম প্ৰেম সৃষ্টি হোৱা নাই। তেওঁৰ ব্যক্তিত্বৰ বহুমাত্ৰিক স্বৰূপটোৱে মানুহৰ অন্তৰত প্ৰচণ্ড অনুকম্পাৰ সৃষ্টি কৰিছে। তেওঁ জনতাৰ সাহস, জনতাৰ প্ৰহৰী হৈ পৰিছে। শত-সহস্ৰজনৰ বাবে সহায়ৰ হাত, বিপদৰ বন্ধু। তেওঁ নতুন প্ৰজন্মৰ বাবে ৰকষ্টাৰ (rockstar)। জুবিন গাৰ্গৰ খেয়ালী মন, খেয়ালী আচৰণ সকলো হালোৱা-হজুৱা, শ্ৰমিক, গঞা, ডেকা-গাভৰুৱে আদৰি লৈছিল। আনকি কেতিয়াবা তেওঁ কৰা 'উদ্ভণ্ডালি' এইসকল মানুহে বেয়া পোৱা নাছিল। কাৰণ তেনে তথাকথিত উদ্ভণ্ডালিৰ উৰ্ধত জনতাই জুবিন গাৰ্গক বুজি লৈছিল, হৃদয়ত স্থান দিছিল।

অসম আৰু উত্তৰ-পূব ভাৰতক প্ৰকৃতাৰ্থত প্ৰতিনিধিত্ব কৰা জুবিন গাৰ্গেই যেন অন্তিমজন আইকন (icon)। আইকন মানে—to be widely admired, famous and recognised as a symbol of idea group, style or time period, a way of life.

যশস্যা, সামূহিক শ্ৰদ্ধা, একক আৰু অনন্য পৰিচয়—ব্যক্তিত্ব, কৰ্ম আৰু জীৱনৰ অৱদান, জনপ্ৰিয়তা আৰু এই সকলোবোৰ উপাদানৰ স্থায়িত্ব আৰু প্ৰভাৱ যাৰ আছে তেৱেঁই আইকন। জুবিন গাৰ্গে তেওঁৰ জীৱন কালত আৰু মহাপ্ৰয়াণৰ মাজেৰে এই সকলোবোৰ কথা প্ৰমাণ কৰি গ'ল যে তেওঁ আইকন। ব্যক্তিগতভাৱে মই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক 'মহাপুৰুষ' বুলি মানো, বিশ্বাস কৰোঁ। জীৱন আৰু মৃত্যুত জনতাই জুবিন গাৰ্গৰ প্ৰতি প্ৰদৰ্শন কৰা শ্ৰদ্ধা, প্ৰেম, আকুলতা, হেৰুওৱাৰ বিষাদগ্ৰস্ততা, তেওঁক নাপাহৰাৰ সংকল্প আদিয়ে তেওঁকো মহাপুৰুষৰ স্থান প্ৰদান কৰিছে বুলি একেদৰেই বিশ্বাস কৰিছোঁ।

The New York Times বাতৰি কাকতখনত লিখা হৈছে—Zubeen Garg was Assam's own turn-of-the-century Jim Morrison, unruly, adored and perpetually half in defiance– হয়, জুবিন গাৰ্গে যিকোনো ৰাজনৈতিক নেতাক ৰাজহুৱাভাৱে গালি দিব পাৰে, দুটা ৰঙৰ দুপাট জোতা পিন্ধিব পাৰে, মঞ্চৰ খুঁটাত বগাই যাব পাৰে, ৪০টা ভাষাত গান গাব পাৰে, ৩৮ হাজাৰতকৈ অধিক গীত গাব পাৰে, ২৪ ঘণ্টাত ৩০টাতকৈও অধিক গীত ৰেকৰ্ডিং কৰিব পাৰে, ছবি আঁকিব পাৰে, কবিতা লিখে, চিনেমা নিৰ্মাণ কৰে, বাটৰ দাঁতিৰ দোকানত বৈ পুৰি-তৰকাৰি খাব পাৰে, ৰাস্তাত লগ পোৱা ভিক্ষাৰী এজনক সাবটি ল'ব পাৰে, বন-অৰণ্য, জীৱ-জন্তুক মানুহতকৈ অধিক ভাল পাব পাৰে। সেয়ে জুবিন আমাৰ বাবে জাতীয় পৰিচয়।

ভাৰতৰ বিশিষ্ট সাংবাদিক ৰবীশ কুমাৰ, অভিসাৰ শৰ্মা, শুভংকৰ মিশ্ৰ, সুধীৰ চৌধুৰী, ৰাজদীপ সৰদেসাই আদি অনেক সাংবাদিকে জুবিন গাৰ্গৰ জনপ্ৰিয়তাৰ স্বৰূপ বুজাবলৈ উপযুক্ত শব্দ-বাক্য বিচাৰি পোৱা নাই। তেওঁলোক আচৰিত হৈছে, অনুভৱ কৰিবলৈ চেষ্টা কৰিছে, কিয় এই বিষাদ, কিয় এই শূন্যতা ! তেওঁলোকে কৈছে, জুবিন গাৰ্গৰ জীৱন আৰু মৃত্যুৱে সংকীৰ্ণতাৰ সকলো সীমা ভংগ কৰি জনতাক একত্ৰিত কৰিছে।

"মোৰ কোনো জাতি নাই,
মোৰ কোনো ধৰ্ম নাই
মোৰ কোনো ভগৱান নাই
মই মুক্ত
মই কাঞ্চনজংঘা...।"

জুবিন গাৰ্গৰ এই বাণীৰ অৰ্থ অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে, পাহাৰে-ভৈয়ামে, নদী-নিজৰাই অনুভৱ কৰিছে মৰ্মে মৰ্মে। অসমৰ জনতাই বিশ্বক দেখুৱাই দিছে প্ৰাণৰ শিল্পীক কিদৰে সন্মান কৰিব লাগে, কিদৰে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিব লাগে। সকলো সংকীৰ্ণতা পৰিহাৰ কৰি কিদৰে সকলো মানুহ হ'ব পাৰি তাৰেই সমিধান দিছে। জুবিন গাৰ্গে বিচৰাৰ দৰেই সকলোৱে কান্দি কান্দি সেই মহা-সংগীত সমস্বৰে গাইছে—

...তুমি যে মোৰ শুকান মনত
নিয়ৰৰে চেঁচা টোপাল
নামি অহা ৰ'দৰে নৈ
মোৰ দেহত প্ৰতি পুৱা... ❖





# ইউকেলিপ্টাছ গছৰ দৰে ওখ হৈ ৰ'ল জুবিন

■ লিপিমণি দত্ত



*হঠাতে হেৰাল কেনিনো মোৰ চোতালৰে*
*জোনাক/ঠাইতে অচিনা তমসাই আগচিলেহি মোক...*

অসমৰ প্ৰাণস্পন্দন জুবিন গাৰ্গৰ গীতৰ কথাই যেন সঁচা হৈ পৰিল। অসমৰ চোতালৰ জোনাকক হঠাতে অচিনা তমসাই আৱৰি ধৰিলে।

অবিশ্বাস্য, অকল্পনীয়ভাৱে হঠাতে হেৰাই গ'ল অসমবাসীৰ নয়নৰ মণি, হিয়াৰ আমঠু জুবিন গাৰ্গ। সুদীৰ্ঘ তিনি দশকতকৈ অধিক সময় সংগীতৰ মায়াৰে মোহমুগ্ধ কৰি ৰখা জুবিন গাৰ্গৰ আকস্মিক বিয়োগে নিৰ্বাক-নিষ্পন্দ কৰি পেলালে অসমবাসীক। অননুকৰণীয় সুৰীয়া কণ্ঠৰ অধিকাৰী জুবিন গাৰ্গৰ গানেই যেন আছিল অসমৰ নতুন প্ৰজন্মৰ সাহ-শক্তি-প্ৰেৰণা সকলো। বিস্ময়কৰ সাংগীতিক প্ৰতিভাৰ অধিকাৰী জুবিন গাৰ্গে স্পৰ্শ কৰিছিল শিশুৰ পৰা বৃদ্ধলৈকে সকলোৰে হৃদয়। অসমীয়াৰ উছৱত-আনন্দত, কোলাহলত-নিৰ্জনতাত সকলোতে আছিল জুবিন গাৰ্গ। স্পষ্ট গায়কীৰে তেওঁৰ কণ্ঠ নিসৃত প্ৰতিটো শব্দ, প্ৰতিটো সুৰে অসমবাসীক দিছিল এক মোহময় আৱেশ। গীতিকাৰ, কবি, গায়ক, সুৰকাৰ, অভিনেতা, বাদ্যযন্ত্ৰী, সংগীত পৰিচালক, সংগীত ব্যৱস্থাপক আদি অনেক প্ৰতিভাৰ আকৰ জুবিন গাৰ্গ আছিল অসমবাসীৰ হৃদস্পন্দন। ছিংগাপুৰত এক অনুষ্ঠানত অংশ ল'বলৈ যোৱাৰ সময়ত সাগৰত সাঁতুৰিবলৈ গৈ যোৱা ১৯ ছেপ্টেম্বৰত শেষ উশাহ ল'লে অসমবাসীৰ হৃদস্পন্দন জুবিন গাৰ্গে। জুবিন গাৰ্গৰ দেহাৱসানৰ খবৰে শোকস্তব্ধ কৰি তুলিলে সমগ্ৰ অসমক। জুবিনৰ প্ৰয়াণত কান্দি উঠিল দেশৰ শিল্পী সমাজ। মাত্ৰ ৫২ বছৰ বয়সতে অসমে হেৰুৱালে বিস্ময়কৰ প্ৰতিভাৰ অধিকাৰী অনেক কালজয়ী গীতৰ স্ৰষ্টাগৰাকীক। অৱশ্যে সময়েৰে নহয়, কৰ্মেৰেহে জীৱন মহীয়ান হয়। অসমীয়া সংগীতৰ কিংবদন্তি জুবিন গাৰ্গৰ জীৱনে পুনৰবাৰ প্ৰতীয়মান কৰিলে সেই কথা। ইউকেলিপ্টাছ গছৰ দৰে ওখ হ'ব খোজা জুবিনে দেখুৱাই গ'ল তেওঁ কিমান ওখ !

জুবিন গাৰ্গৰ জন্ম হৈছিল ১৯৭২ চনৰ ১৮ নৱেম্বৰ তাৰিখে মেঘালয়ৰ তুৰাত। তেওঁৰ পিতৃ মোহিনী মোহন বৰঠাকুৰ আৰু মাতৃ ইলি বৰঠাকুৰ। তেওঁৰ পিতৃ এগৰাকী দণ্ডাধীশ হোৱাৰ বাবে চাকৰি জীৱনৰ প্ৰথমছোৱাত বিভিন্ন ঠাইত ঘূৰি ফুৰিবলগীয়া হৈছিল। তেওঁ নিজেও কপিল ঠাকুৰ ছদ্মনামত কবিতা, গীত, গল্প আদি ৰচনা কৰিছিল। জুবিনে তেওঁৰ সংগীত শিক্ষাৰ আদিপাঠ লাভ কৰিছিল সুগায়িকা, অভিনেত্ৰী, দক্ষ নৃত্যশিল্পী মাতৃ ইলি বৰঠাকুৰৰ পৰা। প্ৰথম অৱস্থাত জুবিন গাৰ্গৰ নাম জীৱন বৰঠাকুৰ আছিল। প্ৰখ্যাত সংগীতজ্ঞ জুবিন মেহতাৰ নামেৰে পিতৃয়ে তেওঁৰ নাম জুবিন বৰঠাকুৰ ৰাখিব বিচাৰিছিল; অৱশ্যে পাছলৈ তেওঁ বৰঠাকুৰ উপাধি সলনি কৰি নিজৰ গোত্ৰ অনুসৰি গাৰ্গ লিখিবলৈ লয়। ২০০২ চনত জুবিনে ফেশ্বন ডিজাইনাৰ গৰিমা শইকীয়াৰ সৈতে বিবাহপাশত আবদ্ধ হয়।

জুবিন গাৰ্গৰ সংগীত জীৱনৰ প্ৰথম আৰম্ভণি ঘটিছিল 'অনামিকা' (১৯৯২) এলবামৰ জৰিয়তে। চাৰিশৰো অধিক আধুনিক তথা ৰোমাণ্টিক গীত, বিহুগীত, টোকাৰী গীত, বৰগীত, লোকগীত, বনগীত



আৰু অন্যান্য লোক সংগীতৰ কেছেট-চিডিত কণ্ঠদান কৰিছিল তেওঁ। ‘অনামিকা’ৰ পাছত ‘মায়া’, ‘সপোনৰ সুৰ’, ‘আশা’ , ‘উজান পীৰিতি’, ‘চান্দনি ৰাত’ (হিন্দী), ‘জুবিনৰ গান’, ‘ৰং’, ‘পাখি’, ‘মুক্তি’, ‘জানমণি’, ‘হিয়ামন’, ‘শব্দ’, ‘যন্ত্ৰ’, ‘অভিমানী মন’, ‘ৰুমাল’, ‘জিন্দেগী’, ‘মা’ আদি ছুপাৰহিট শ্ৰব্য এলবামেৰে তেওঁ সংগীত-জগতলৈ অৱদান আগ বঢ়াইছিল। অসমীয়া আৰু হিন্দীৰ উপৰি বাংলা, বড়ো, ৰাজবংশী, গোৱালপাৰীয়া, মিচিং, কাৰ্বি, গাৰো, ৰাভা, ডিমাচা, নেপালী, ভোজপুৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী, ককবৰক, উড়িয়া, তামিল, তেলেগু, কানাড়া, ইংৰাজী, মালয়ালম, মাৰাঠা আদি প্ৰায় ৪০টা ভাষাত ৩৮ হাজাৰৰো অধিক গীতত কণ্ঠদান কৰিছে জুবিন গাৰ্গে। তেওঁৰ গীতৰ কথাও অপূৰ্ব। প্ৰেমানুভূতিৰ আৱেশ, সমাজমুখী বাসনা, আশাবাদ, জীৱনমুখিতা, তীব্ৰ বিষাদবোধ নিহিত তেওঁৰ গীতৰ প্ৰতিটো পংক্তিয়েই ভাবোদ্দীপক এটি নিটোল কবিতা। ৰাজনৈতিক কৰ্ম-কাণ্ডত অশান্ত অসমৰ পৰিস্থিতিক লৈ জুবিনে লিখিছিল—

“সোণেৰে সজোৱা পঁজা জহি খহি যায়
কোনে আজি পাৰিবহি সাজিব দুনাই...”

জুবিনৰ শাণিত শব্দৰ অন্য এক উদাহৰণ—

“অন্ধ শাসন ভণ্ড শাসক, অৰ্থ লোভৰ নগ্ন যুঁজত
জীৱন মৰণৰ স্বপ্ন বাহক, মগ্ন বিভোৰ অন্ধ সুখত”


প্ৰখৰ জীৱনবোধ থকা তেওঁৰ গীতত ভুমুকি মাৰে শিশু মনটোৱে--

“পাখি পাখি এই মন পাখি লগা মোৰ মন
পাখি মেলি যা উৰি... উৰি”




জুবিনৰ গীতত আছে নতুনত্বৰ আমেজ, বুকুৰ প্ৰতিধ্বনি, শোকৰ বিননি। মায়াৱিনী ৰাতিৰ বুকুত গীতেৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আলোড়ন তুলিছিল তেওঁ। গীতটোৰ শব্দচয়ন, সুৰ, গায়কীয়ে শত যুগলৈ সংগীতপ্ৰেমীক আলোড়িত কৰি ৰাখিব।

জুবিন গাৰ্গ আছিল এগৰাকী গীতিকাৰ, সুৰকাৰ, কবি, সংগীত ব্যৱস্থাপক, অভিনেতা, শব্দযন্ত্ৰী আৰু সংগীত পৰিচালক। ২খন হিন্দী আৰু ৪খন বাংলা কথাছবিৰ সংগীত পৰিচালনা কৰাৰ লগতে ৩৬খনৰো অধিক অসমীয়া কথাছবিত সংগীত পৰিচালনা কৰিছিল জুবিন গাৰ্গে। জুবিন গাৰ্গে সংগীত পৰিচালনা কৰা অসমীয়া চলচ্চিত্ৰসমূহ হৈছে—‘হিয়া দিয়া নিয়া’, ‘তুমি মোৰ মাথোঁ মোৰ’, ‘জোন জ্বলে কপালত’, ‘দাগ’, ‘শেষ উপহাৰ’, ‘নায়ক’, ‘কন্যাদান’, ‘জীৱন নদীৰ দুটি পাৰ’, ‘প্ৰেম আৰু প্ৰেম’, ‘জোনাকী মন’, ‘জুমন সুমন’, ‘প্ৰিয়া মিলন’, ‘বিধাতা’, ‘অগ্নিসাক্ষী’, ‘জোনাকবিহীন এই জীৱন’ (আৱহ সংগীত), ‘বাৰুদ’, ‘ৰং’, ‘দীনবন্ধু’, ‘অধিনায়ক’, ‘আমি অসমীয়া’, ‘মন যায়’, ‘এখন নেদেখা নদীৰ সিপাৰে’, ‘ৰ’দৰ চিঠি’, ‘গানে কি আনে’, ‘মিছন চাইনা’, ‘প্ৰিয়াৰ প্ৰিয়’, ‘দা আণ্ডাৰৱৰ্ল্ড’, ‘ৰত্নাকৰ’, ‘কাঞ্চনজংঘা’, ‘প্ৰতিঘাত’, ‘ডক্তৰ বেজবৰুৱা ২’, ‘দা শ্লেম বুক’, ‘ৰাঘৰ’, ‘চিকাৰ’, ‘ভাইমন দা’ (এটি গীত ‘এৰা-এৰি’), ‘যোদ্ধা’ আদি। অন্য ভাষাত তেওঁ সংগীত পৰিচালনা কৰা চলচ্চিত্ৰকেইখন হৈছে—‘সামসাৰা’ (বাংলা), ‘দিলতো দীৱানা হেই’ (হিন্দী), ‘কাছে এসো তুমি’ (বাংলা), ‘মন নিয়ে’ (বাংলা), ‘ষ্ট্ৰিংছ’ (হিন্দী) আৰু ‘শুধু তুমি’ (বাংলা)। অকল সংগীত সাধনাৰেই নহয়, কেইবাখনো চলচ্চিত্ৰ আৰু ধাৰাবাহিকত অভিনয়ো কৰিছিল জুবিন গাৰ্গে। ‘তুমি মোৰ মাথোঁ মোৰ’, ‘দীনবন্ধু’, ‘মন যায়’, ‘ৰামধেনু’, ‘ৰ’দৰ চিঠি’, ‘অহেতুক’, ‘সাত নম্বৰৰ সন্ধানত’, ‘গানে কি







আনে', 'মিছন চাইনা', 'প্ৰিয়াৰ প্ৰিয়', 'দা আণ্ডাৰৱৰ্ল্ড', 'চিকাৰ', 'কাঞ্চনজংঘা', 'ৰাজনীতি', 'ডক্তৰ বেজবৰুৱা ২' আদি চলচ্চিত্ৰত অভিনয়ো কৰিছিল তেওঁ।

২০০০ চনত তেওঁ পৰিচালনা কৰা প্ৰথম অসমীয়া চলচ্চিত্ৰখন আছিল 'তুমি মোৰ মাথোঁ মোৰ'। কথাছবিখনৰ কাহিনীও লিখিছিল তেওঁ। জুবিন গাৰ্গে পৰিচালনা কৰা আন দুখন চলচ্চিত্ৰ হৈছে—'মিছন চাইনা' আৰু 'কাঞ্চনজংঘা'। শেহতীয়াকৈ তেওঁ ব্যস্ত আছিল নিজে সংগীত পৰিচালনা তথা অভিনয় কৰা অসমীয়া চলচ্চিত্ৰ 'ৰৈ ৰৈ বিনালে'ৰ কামত।

খ্যাতি আৰু জনপ্ৰিয়তাৰ শীৰ্ষত থকা জুবিন গাৰ্গে তেওঁৰ অৱদানৰ অনুপাতে সামান্য স্বীকৃতিহে লাভ কৰিছে। ২০০৫ চনত বাংলা চিনেমা 'শুধু তুমি'ৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিছিল। হিন্দী গীত 'য়া আলী'ৰ বাবে ২০০৭ চনত গ্ল'বেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড (GIFA) আৰু ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ (পুৰুষ) বঁটা লাভ কৰিছিল। ২০১৫ চনত তেওঁ লাভ কৰে ৰেনেছাঁ অসম বঁটা।

জুবিনে ইউকেলিপ্টাছ গছৰ দৰে ওখ হোৱাৰ হেঁপাহৰ কথা কৈছিল। কাঞ্চনজংঘাৰ দৰে বিশাল বক্ষৰ জুবিনৰ মনত জাত-পাতৰ চিন্তা নাছিল, নাছিল সংকীৰ্ণতাৰ সামান্য ছিটিকনিও। জীৱ-জন্তুৰ প্ৰতি অসীম ভালপোৱা থকা জুবিনে বলি প্ৰথাৰ বিৰোধিতা কৰিছিল। মাজুলীৰ সত্ৰৰ সত্ৰাধিকাৰৰ স্বঘোষিত 'প্ৰভু' সত্তাৰ আপত্তিৰে সমাজ সংস্কাৰৰ যিদৰে সাহসী কণ্ঠ হৈ পৰিছিল, সশস্ত্ৰ বিদ্ৰোহী সংগঠনৰ ফটোৱাকো প্ৰত্যাহ্বান জনোৱাৰ সাহস দেখুৱাইছিল জুবিনে। একেই সাহসেৰে চৰকাৰৰ জাপি দিয়া সিদ্ধান্তৰ বিৰোধ কৰি মুক্ত কণ্ঠেৰে জুবিনে গাইছিল—পলিটিক্স নকৰিবা বন্ধু। অথচ এই জুবিনৰে আছিল এটা শিশুসুলভ সৰল মন। কেতিয়াবা যদি দুপাট ভিন্ন ৰঙৰ জোতা পিন্ধি মঞ্চত থিয় হৈছে, আন কেতিয়াবা বিশ্বৰ আটাইতকৈ একক ফেশ্বনৰ সাজ পিন্ধি মঞ্চত অনুষ্ঠান পৰিবেশন কৰিছে। কেতিয়াবা ধেমেলীয়া কথাৰে ৰাইজক হঁহুৱাইছে, কেতিয়াবা মঞ্চতে কাকো খাতিৰ নকৰোঁ বুলি উত্তেজিত হৈ পৰিছে। খেয়ালী হৈ মঞ্চত কেতিয়াবা খুঁটা বগাইছে, কেতিয়াবা মঞ্চই মোৰ ঘৰ বুলি শুই পৰিছে। কেতিয়াবা যদি জন্তু, চৰাই-চিৰিকটিৰ সৈতে উমলিছে, কেতিয়াবা দুখীয়া আৰ্তজনক সহায় কৰিবলৈ উদাৰ চিত্তে নিজৰ আৰ্জনৰ ধন বিলাই ফুৰিছে। এনে অনেক ঘটনাৰে বৈচিত্ৰ্যময় জুবিনৰ জীৱন। জুবিনৰ সততা, সৰলতা, ধেমেলীয়া-খুহুতীয়া কথা, জুবিনৰ জাতীয় স্বাভিমান, অকপট নিৰ্ভীক কণ্ঠ, স্পষ্টবাদিতা, ব্যতিক্ৰমী চিন্তা আদি অজস্ৰ গুণৰ বাবে জুবিন যুৱসমাজৰ বাবে কেৱল এক প্ৰাণৰ শিল্পী হৈ থকা নাছিল, জুবিন হৈ পৰিছিল এক হিৰ', আইকন, হাৰ্টথ্ৰ'ব অথবা ভগৱান।

সঁচাকৈয়ে বঁটা-বাহনতকৈ উৰ্ধত মহীয়ান হৈ পৰা জীৱনৰ গৰাকী হৈ ৰ'ল জুবিন। জীৱন কালত সকলোৰে হৃদয় স্পৰ্শ কৰা জুবিনে মৃত্যুৰ পাছতো পালে অসমীয়াৰ পৰিধিহীন মৰম-ভালপোৱা। জুবিনৰ প্ৰয়াণত শ্ৰদ্ধাঞ্জলি জনাবলৈ অসমত সৃষ্টি হ'ল পাৰ ভঙা সমুদ্ৰৰ। শোকাকুল লাখ লাখ আবাল-বৃদ্ধ-বনিতাই জুবিনৰ নামত ৰাজপথতেই কটালে বিনিদ্ৰ ৰজনী। এই সকলোবোৰ দেখি-শুনি স্তম্ভিত হৈ পৰিল গোটেই দেশ। অন্তিম যাত্ৰাৰ অনুষ্ঠানত ভাগ লোৱা জনতাৰ লেখেৰেও ই হৈ পৰিল অনন্য অভিলেখ।

জুবিনে গাইছিল—ধীৰে ধীৰে হেৰায় যায় আবেলিৰে ৰ'দালি। জুবিনে গোৱাৰ দৰে ধীৰে ধীৰে আবেলি নামিবৰ হ'ল কি নহ'ল, হঠাৎ হেৰাই গ'ল অসমীয়াৰ চোতালৰ জোনাক। তথাপি কায়িকভাৱে অসমীয়াৰ মাজত নাথাকিলেও জুবিন গাৰ্গ কণ্ঠেৰে, সুৰেৰে চিৰদিনলৈ অসমীয়াৰ আবেগ হৈ থাকিব। ❖



# জুবিন গাৰ্গ যুগ (১৯৯২—        )

■ তন্ময় শৰ্মা

অসমৰ সাংস্কৃতিক ইতিহাসৰ যোৱা অৰ্ধ শতাব্দীৰ আটাইতকৈ ডাঙৰ পৰিঘটনাটোৱেই হৈছে জুবিন গাৰ্গৰ আবিৰ্ভাৱ। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণু ৰাভাই যদি ১৯৩০ৰ পৰা ১৯৫০ৰ দশকলৈ এক বৈপ্লৱিক চেতনাৰে অসমীয়া ভাষা, সংগীত-নাটক আৰু চিনেমাক এক আধুনিক ৰূপত প্ৰতিষ্ঠিত কৰিছিল, বিষ্ণু-জ্যোতিৰ উত্তৰসূৰী ভূপেন হাজৰিকাই সেই নৱসাংস্কৃতিক চেতনাক স্বৰাজোত্তৰ কালত এক নতুন ৰূপত বিশ্বজনীন মাত্ৰা প্ৰদান কৰিছিল। ভূপেন হাজৰিকাৰ গীত-সুৰ আৰু সাহিত্যত কেৱল বিপ্লৱ, প্ৰেম আৰু মানৱীয়তাৰ আদৰ্শই প্ৰবাহিত হোৱা নাছিল, তাৰ লগতে সোমাই আছিল ভাৰতবৰ্ষ আৰু বিশ্বসভাত অসমক প্ৰতিষ্ঠা কৰাৰ এক সাংস্কৃতিক সংগ্ৰাম। ১৯৫০ৰ পৰা ১৯৮০ৰ দশকলৈ ভূপেন হাজৰিকাৰ অবিৰত সৃষ্টি হৈ পৰিছিল অসম আৰু অসমবাসী জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক ব্যাকৰণ। নিঃসন্দেহে ১৯৫০-১৯৮০ৰ দশককেইটাক আমি ভূপেন হাজৰিকা যুগ বুলি অভিহিত কৰিব পাৰোঁ।

স্বৰাজোত্তৰ ভাৰতৰ প্ৰান্তীয় অংগৰাজ্য অসমৰ নতুন আশাবোৰৰ আৰু সমান্তৰালভাৱে উৎপন্ন হোৱা হতাশাবোৰৰ সাংগীতিক প্ৰতিফলন আছিল ভূপেন হাজৰিকাৰ সৃষ্টি। ১৯৭০ৰ দশকৰ শেষৰ ভাগৰ পৰা হোৱা অসমীয়াৰ ৰাজনৈতিক জাগৰণত ‘আহ আহ ওলাই আহ সজাগ জনতা’ বুলি আহ্বান দিয়া ভূপেন হাজৰিকাৰ গীতে এক নতুন মাত্ৰা দিছিল। কিন্তু ১৯৮০ৰ দশকৰ ৰাজনৈতিক উদ্‌গীৰণে অসম অশান্ত কৰি পেলালে। অসমৰ প্ৰাপ্য অধিকাৰৰ বাবে হোৱা সংগ্ৰামত যেন সাময়িকভাৱে হেৰাই পৰিল সাংস্কৃতিক সৃষ্টিৰ প্ৰাসংগিকতা।

একে সময়তে ১৯৮০ৰ দশকতেই অসমে শুনিবলৈ পালে কেইবাগৰাকীও নতুন গায়ক-গায়িকাৰ সংগীত, য’ত আছিল পাশ্চাত্যৰ পপ আৰু ৰক্ সংগীতৰ এক সুস্পষ্ট প্ৰভাৱ। হাৰমোনিয়াম আৰু তবলাৰ সংগতৰ পৰিবৰ্তে অসমৰ সংগীতৰ চোতালত এক সুস্থায়ী আসন ল’লে গীটাৰ, কীবৰ্ড আৰু একোষ্টিক ড্ৰাম কিটে। আধুনিক অসমীয়া সংগীতত গীটাৰৰ প্ৰচলন নিশ্চিতভাৱেই আছিল—১৯৬০ আৰু ৭০ৰ দশকতো পাশ্চাত্য সংগীতৰ ধাৰাৰে অনুপ্ৰাণিত বেণ্ড (band) কিছুমান গঢ়ি উঠিছিল। ১৯৭০ৰ দশকত জয়ন্ত হাজৰিকাৰ সংগীতে অসমলৈ বোৱাই আনিছিল এক নতুন সুৰৰ ধাৰা। তথাপি ১৯৮০ৰ দশকত অসমীয়া গানত পাশ্চাত্যৰ সুৰ আৰু শব্দৰ এক নতুন জোৱাৰ আহিল। ১৯৬০ আৰু ৭০ৰ দশকত জন্ম হোৱা বহু অসমীয়াৰেই কাণত পৰিছিল Beatles, The Rolling Stones, Led Zeppelin, Pink Floyd, The Who, The Doors আদিৰ দৰে বেণ্ডৰ সংগীত। ১৯৬০ ৰ পাশ্চাত্যৰ Counterculture পৰিঘটনাটোৱে সমগ্ৰ বিশ্বৰে শিক্ষিত যুৱচামক আকৰ্ষিত কৰিছিল। প্ৰতিষ্ঠান বিৰোধী Counterculture ৰ বতাহে ভাৰতবৰ্ষৰো নগৰ-মহানগৰৰ কলেজ-বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু ২০-৩০ বছৰীয়া যুৱক-যুৱতীক চুই গৈছিল। এফালে পাশ্চাত্যৰ পৰা অহা নতুন শব্দ আৰু সুৰ, আনফালে আন্দোলন-সশস্ত্ৰ সংগ্ৰামেৰে কম্পমান অসম—এয়াই আছিল জুবিন গাৰ্গৰ সামাজিক পৃষ্ঠভূমি।

১৯৮০ ৰ দশকৰ ৰাজনৈতিক অশান্তি, পাশ্চাত্যৰ প্ৰভাৱ আৰু ক্ৰমান্বয়ে পৰিবৰ্ধিত অসমীয়া মধ্যশ্ৰেণীৰ আৰ্থিক স্বাচ্ছন্দ্যই অসমৰ নতুন প্ৰজন্মক যেন অসমৰ ভাষিক-সাংস্কৃতিক শিপাৰ পৰা আঁতৰাই পঠিয়াইছিল। তেনে এক শূন্যতাৰ মাজতে উদ্‌গীৰণ হৈছিল জুবিন গাৰ্গৰ—১৯৯২ চনত মুক্তি পোৱা অনামিকা নামৰ এলবামৰ জৰিয়তে। ইলেকট্ৰিক গীটাৰ আৰু ড্ৰামৰ অভিনৱ সংমিশ্ৰণত অসমে শুনিবলৈ পালে এক নতুন ঝংকাৰ। ১৯৮০ ৰ দশকৰ পৰা ভাৰতত সুলভ হৈ পৰা কেছেটৰ (cassette) মাধ্যমে জুবিনৰ মাত আৰু সুৰক দিলে অভূতপূৰ্ব ব্যাপ্তি। এফালে দীঘল চুলি, ছান্‌গ্লাছ আৰু জিম মৰিছন (Jim Morrison) সদৃশ মুখাৱয়ব আৰু বেশভূষা, আনফালে এক অপূৰ্ব গভীৰতা থকা

পুৰুষসুলভ কণ্ঠ—বিছ বছৰতে জুবিন হৈ পৰিল এক overnight sensation, অসমৰ সাংগীতিক দিগন্তৰ প্ৰথমজন ৰকষ্টাৰ (rockstar)। 'অনামিকা', 'মায়া', 'আশা', 'মুক্তি'ৰ পৰা 'পাখি', 'যন্ত্ৰ', 'মুখা'লৈ নতুন নতুন এলবামত জুবিনে ঘটালে progressive rock, blues আৰু অসমৰ লোকসংগীতৰ এক অপূৰ্ব সংমিশ্ৰণ। সামাজিক হতাশাৰ মাজতেই নতুন আশা, প্ৰেম আৰু সাহসৰ সংকল্প সোমাই আছিল জুবিন গাৰ্গে সৃষ্টি কৰা নতুন সুৰ-শব্দৰ সমলয়ত। একে সময়তে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ মঞ্চৰ পৰিবেশক জুবিনে এক concert ৰ ৰূপ দিলে; লগত থাকিল এক প্ৰতিষ্ঠান বিৰোধী সত্তা, যিয়ে কোনোদিনে কুণ্ঠাবোধ নকৰিলে তথাকথিত ভদ্ৰসমাজৰ মুখা খুলি দিবলৈ। ১৯৮০, ১৯৯০ আৰু ২০০০ৰ দশকত জন্ম হোৱা অসমৰ মিলেনিয়েল (millenial) আৰু জেন-যি (Gen-z) প্ৰজন্ম দুটাক অসমীয়া কৰি ৰখাত জুবিন গাৰ্গৰ অৱদান অপৰিসীম। Iron Maiden আৰু Metallica শুনি ভাল পোৱা অসমীয়া ল'ৰা-ছোৱালীয়ে নিজৰ মাজত বিচাৰি পালে এজন rockstar। অসমৰ প্ৰথম আৰু শেষজন rockstar—অসমৰ প্ৰথম আৰু শেষজন megastar—যি হিমালয়সদৃশ জনপ্ৰিয়তাৰ পাছতো আছিল সকলোৰে নিচেই আপোন এজন দাদা, বন্ধু, অভিভাৱক। জুবিন গাৰ্গৰ সাংগীতিক সৃষ্টি, সামাজিক অৱস্থিতি আৰু মহাসাগৰৰ দৰে গভীৰ ব্যক্তিত্বৰ চৰ্চা আৰু গৱেষণা এতিয়াহে আৰম্ভ হ'ব। জুবিন গাৰ্গ যুগৰ আৰম্ভ হৈছিল ১৯৯২ চনত—এই যুগৰ কোনো শেষ নাই। ❖

*(লেখক অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ Yale University ৰ নৃতত্ত্ব আৰু পৰিৱেশ বিজ্ঞানৰ গৱেষক )।*



পত্নীৰ সৈতে জুবিন গাৰ্গ



ড° ভূপেন হাজৰিকাৰ সৈতে জুবিন গাৰ্গ



অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ মুহূৰ্ত



পশুপ্ৰেমী জুবিন গাৰ্গ



# ডেজার্ট ৰ'জ

■ ৰাহুল গৌতমশৰ্মা



অভ্যাস—ভালে-বেয়াই ছবিঘৰলৈ যেতিয়াই যি ছবি আহে, চাব লাগে। নৱেম্বৰ মাহৰ মাজভাগত ছবিঘৰলৈ আহিছিল ছলমান খানৰ টাইগাৰ ৩। টিকট কাটিবলৈ বুক মাই শ্ব' খুলি দেখিলোঁ—ষ্টিং আহি আছে। জানুৱাৰীত। মুম্বাইলৈ। মই থকা কোঠালিৰ পৰা মাত্ৰ একুৰি পাঁচ কিলোমিটাৰ আঁতৰত। পৃথিৱীৰ বহুত কথা, কাম এলাহত অথবা অমনোযোগিতাৰ বাবদ এৰি দিয়া হৈছে এতিয়ালৈ। কিন্তু কিছুমান কথা কেৱল কথা নহয়; কিছুমান কথা আচল কথাৰ কথা। ষ্টিং আহিব, চাব লাগিব, চাবই লাগিব—যিকোনো প্ৰকাৰে, তাক এৰি দিব পৰা নাযায়।

ইংৰাজী গানৰ সৈতে মোৰ সম্পৰ্ক স্কুলত পঢ়ি থকাৰ দিনত আছিল একেবাৰে তাকৰীয়া। অসমীয়া মাধ্যমৰ শিক্ষাৰ্থী হিচাপে আমাৰ যুগৰ প্ৰায়বোৰ ল'ৰা-ছোৱালীৰ দৰেই ব্ৰায়ান এডামছৰ ছামাৰ অৱ ছিক্সটি নাইন, গ্ৰীণ ডে'ৰ আই ৱাক্ আ ল'ন্‌লী ৰোড, এমিনেমৰ মকিংবাৰ্ড, এন্‌ৰিকেৰ এডিক্টেড বা একনৰ ৰাইট্ নাও আদি গানৰ মাজেৰেই আমি পাশ্চাত্য সংগীতৰ সৈতে চিনাকি হৈছিলোঁ। গান শুনিছিলোঁ বা নুশুনিছিলোঁ, অৱশ্যেই জানিছিলোঁ মাইকেল জেকছনৰ নাম। মজলীয়া শাখাত পঢ়ি থাকোঁতেই মাইকেল জেকছনৰ মৃত্যু হৈছিল। পৃথিৱীয়ে দুখ কৰিছিল। কাৰণত বা অকাৰণত, বেজাৰ লাগিছিল আমাৰো। আমি স্কুলত পঢ়ি থাকোঁতে ইংৰাজী গানৰ সৈতে যি চুৰ্চুৰীয়া সম্পৰ্ক আছিল, তাৰ আধাৰত আমি লগৰীয়াবোৰ ভাগ হৈছিলোঁ দুটা ভাগত—কেইটামানে ৱান ডিৰেকছনক খুব ভাল পাইছিল, আমি আমাৰ অনুৰাগ বেকত কৰিছিলোঁ লিংকিন পাৰ্কৰ পক্ষত। সেই সময়ত মোৰ মন-মগজু-মজ্জা আৱৰি আছিল ছনু নিগম আৰু আতিফ আছলামে। নিজৰ ভাষাত দিনে-ৰাতিয়ে শুনিছিলোঁ জুবিনৰ অবাধ আলাপ, অংগৰাগৰ অনুভৱী আব্‌দাৰ।

ঠিক তেনেকুৱা এটা সময়তেই গ্ৰীষ্মৰ কোনোবা এটা আবেলি জুবিন গাৰ্গৰ খাৰঘুলিৰ ষ্টুডিঅ'ত প্ৰবেশ ঘটিছিল মোৰ। সচৰাচৰ থকাৰ দৰে মানুহেৰে আৱিষ্ট হৈ থকা নাছিল জুবিন গাৰ্গ। ষ্টুডিঅ'ৰ আটাইবোৰ লাইট বন্ধ কৰি, একেবাৰে অকলে, থিয় হৈ, একান্তভাৱে গান শুনি আছিল সেইদিনা জুবিন গাৰ্গে। এটাই গান, বাৰে বাৰে শুনিছিল, উৰাই-ঘূৰাই, উধৰ পৰা মূধলৈ। জুবিন গাৰ্গৰ অস্থিৰতাৰ কাহিনী অসমৰ মানুহক নতুনকৈ ক'বলগীয়া নাই। ওচৰৰ পৰা পোৱাসকলে জানে কিদৰে দুটা ছেকেণ্ডো এটা ঠাইত ৰৈ থাকিব নোৱাৰে জুবিন গাৰ্গ। অথচ এই গান আছিল বিশেষ—জুবিন গাৰ্গ সমাহিত, একান্ত বাধ্য শিষ্যৰ দৰে গুৰুৰ বিশাল বাংময়তাত বিমুগ্ধ। সেই গান মই আগেয়ে কেতিয়াও শুনা নাছিলোঁ। আগেয়ে কেতিয়াও দেখা নাছিলোঁ সেই শিল্পীক। আগেয়ে কেতিয়াও সংগীতৰ এনে জটিল, উন্মাদ, বিস্ময় সংৰচনাৰে হোৱা নাছিল মূলাকাৎ। আগেয়ে কেতিয়াও এনে গীতিময়তাই মোক অবাক কৰি তোলা নাছিল—ক'ব পাৰা মই হেৰুৱাই পেলাইছোঁ বিজ্ঞান আৰু প্ৰগতিৰ ওপৰত বিশ্বাস/ ক'ব পাৰা মোৰ বিশ্বাস উধাও হৈছে পবিত্ৰ গীৰ্জাৰ পৰা / ক'ব পাৰা মই হেৰুৱাই পেলাইছোঁ দিক-বিদিক/ ক'ব পাৰা ইমান বা আৰু কিবা/ কিন্তু যদি কেতিয়াবা তোমাৰ ওপৰৰ পৰা মোৰ বিশ্বাস আঁতৰি যায়/ হেৰুৱাবলৈ মোৰ আৰু একো বাকী নাথাকিব...।

ইফ্ আই এভাৰ লুজ্ মাই ফেইথ ইন্ ইউ—সেই গান। ষ্টিং—সেই নাম।



## হিয়াৰ আমঠু জুবিন

সেই আবেলিটোৰ পৰা এই লেখা লিখি থকা আবেলিটোলৈ মাজত এটা দশক পাৰ হৈ গৈছে। পাৰ হৈ গৈছে বয়স আৰু জীৱনৰ বহুকেইটা জটিল কেঁকুৰি। বহুবাৰ সলনি হৈছে ভালপোৱা গানৰ তালিকা। কিছু যোগ হৈছে, কিছু বিয়োগ। সলনি হৈছে বন্ধু, চহৰৰ ঠিকনা, চৰিত্ৰৰ বিন্যাস। এই সমস্ত সময়ছোৱাত ষ্টিঙে মোক সমৃদ্ধ কৰি আহিছে। হয়তো মোৰ জীৱনত আজিলৈ এটাও দিন পাৰ হোৱা নাই যিদিনা মই গান শুনা নাই। খাৰঘূলিৰ সেই আবেলিটোৰ পৰা যোৱা এটা দশকত এদিনো এনে দিন পাৰ হোৱা নাই, যিদিনা মই এটা হ'লেও ষ্টিঙৰ গান শুনা নাই। কিমানবাৰ যে শুনা নাই মোৰ প্ৰিয়তম এলবাম—টেন ছামনাৰ্ছ টেল্‌ছ। কিমান হাজাৰবাৰ যে শুনা নাই সোণালী পথাৰৰ সেই গান—ফিল্ড্‌জ অৱ গ'ল্ড—তুমি সুঁৱৰিবা মোক যেতিয়া বলিব পছিমৰ বতাহ/ বাৰ্লিৰ পথাৰৰ ওপৰেৰে/ পাহৰি পেলাবা ঈৰ্ষাৰ আকাশৰ বেলিটোক/ যেতিয়া খোজ দিবা সোণালী পথাৰৰ মাজেৰে—কিমান অযুতবাৰ যে ভালপোৱাৰ এই আগেয়ে নুশুনা আংগিকে মোক মুগ্ধ কৰি পেলোৱা নাই। একাকিত্বৰ একক ব্যাখ্যাৰ সেই গান—ইট্‌ছ প্ৰৱেল্লী মি—নিশা জাৰ নমাৰ পৰত/ তৰাবোৰে ভুমুকিয়াই চালে তলত/ তুমি নিজকে সাবটি লোৱা/ শীতৰ মাজত/ আৰু সাৰ পোৱা ৰাতিপুৱা/ অচিন চোলা ওলমাই দেহত/ আৰু কাষত কোনো যে নাই/ তুমি সোধা নিজক, "কোন ৰ'ব মোৰেনো কাষত"/ "মোৰ একমাত্ৰ সাৰথি হৈ ৰ'ব কোন"/ টান হ'ব ক'বলৈ/ কিন্তু কৈ দিব লাগিবই/ হয়তো সেইজন হ'ম ময়েই...। সেই একেখন এলবামতেই আছে হয়তো মই আটাইতকৈ ভালপোৱা ষ্টিঙৰ গানটো—শ্বেইপ অৱ মাই হাৰ্ট— তেওঁ তাচ খেলে যেন সি এক ধ্যান/ বিৰোধীয়ে তেওঁৰ দাও নকৰে সন্দেহ/ তেওঁ ধন ঘটিবলৈ নেখেলে/ তেওঁ সন্মানৰ বাবেও নেখেলে/ কাৰ্ডবোৰৰ মাজৰে তেওঁ জুখিব খোজে পৰিধি/ কিমান জটিল সুযোগৰ পবিত্ৰ জ্যামিতি/ ফলাফলৰ সম্ভাৱিতাৰ গোপন সূত্ৰ/ আৰু সংখ্যাবোৰ উঠে নাচি...। মই আটাইতকৈ ভালপোৱা প্ৰেমৰ গানৰ স্ৰষ্টাও ষ্টিং—প্ৰ্যাক্টিকেল এৰেঞ্জমেণ্ট—মূৰৰ ওপৰত একেটি মূধচ/ উভতি আহিবলৈ উমাল এখনি ঘৰ/ আদিতে আমি শুব পাৰোঁ দুখন বেলেগ বিচনাত/ মই অকলেই শুম, অথবা শুবলৈ শিকি যাম/ মই কোৱা নাই যে আমি এনেকৈ বিচাৰি পাম/ কিবা যেন মাটিৰ সৰগ/ এনেও আজিকালি তেনে হয়েই কিমান/ প্ৰায় নোহোৱাৰেই সমান/ কিন্তু আমি এটা সিদ্ধান্তলৈ আহিব পাৰোঁ/ এটা বাস্তৱিক বুজাবুজিলৈ আহিব পাৰোঁ/ আৰু তুমিও হয়তো শিকি ল'ব পাৰা মোক ভাল পাবলৈ/ সময় লৈ...।

শীতল যুদ্ধৰ মাজতে লিখা সেই গান—ৰাছিয়ানছ্— হাও কেন্ আই ছেভ্ মাই লিটল্ বয়/ ফ্ৰম অ'পেনহাইমাৰ্‌ছ ডেড্‌লী টয়...।

ঋকবেদৰ সাৰ শুহি চহোৱা সেই গান—আ থাউজেণ্ড ইয়াৰ্ছ—বাট্ ইফ্ ডেয়াৰ ৱাজ্ আ ছিংগল্ ট্ৰুথ্/ আ ছিংগল্ লাইট্/ আ ছিংগল্ থট্/ আ ছিংগুলাৰ টাচ্ছ অৱ্ গ্ৰে'ইচ/ ডেন্ ফল'ৰিং ডিছ্ ছিংগল্ পইণ্ট/ ডিছ্ ছিংগল্ ফ্লে'ইম/ ডিছ্ ছিংগল্ হণ্টেড্ মেম'ৰী অৱ ইয়'ৰ ফে'ইচ/ আই ষ্টিল্ লাভ ইউ...।

গৰ্ডন মেথিউ থমাছ ছামনাৰ হিচাপে ১৯৫১ চনৰ ২ অক্টোবৰত এই শিল্পীগৰাকীয়ে জন্মলাভ কৰিছিল ইংলণ্ডৰ ৱেলছ্‌এণ্ড নামৰ এখন বন্দৰীয় চহৰত। তেওঁ নিজে নিজক দিয়া নাম ষ্টিং—কামো তেনেই; অতৰ্কিতে খোঁচ মাৰি যোৱা। ষ্টিঙৰ কেৰিয়াৰৰ আৰম্ভণি ঘটিছিল বিখ্যাত পুলিচ বেণ্ডৰ মাজেৰে। বেণ্ডটোৰ গায়ক, বেছ প্লেয়াৰ আৰু গীতিকাৰ-সুৰকাৰ আছিল ষ্টিং নিজেই। ষ্টিং আৰু পুলিচৰ আত্মপ্ৰকাশৰ সেই সময়ত পৃথিৱীয়ে আনফালে আৱিষ্কাৰ কৰিছে হয়তো পৃথিৱীৰ ইতিহাসৰেই আটাইতকৈ জনপ্ৰিয় সাংগীতিক সত্তা, ইংৰাজীৰ ই-টো নজনা পৃথিৱীৰ আটাইতকৈ প্ৰত্যন্ত প্ৰান্তিকতো যাৰ নাম শুনা যায় অনাখৰী গৰখীয়াৰ মুখত—মাইকেল জেকছন। আনফালে, লৈংগিক আৰু সাংগীতিক পৰিধিক লেঠু দেখুৱাই প্ৰচণ্ড ধুমুহাৰ দৰে প্ৰৱেশ ঘটিছে উন্মাদ প্ৰিন্সৰ। তাৰ মাজতে শান্ত, সমাহিত ষ্টিং। মাইকেল জেকছনৰ দৰে ৰিড্‌মৰ বিনিৰ্মাণ আৰু লুপ্ সৃষ্টিৰ, মানুহে আগেয়ে নুশুনা ধ্বনি বা ধ্বনিসমষ্টিৰ উৎপাত নাই, প্ৰিন্সৰ দৰে



নাই বেপৰোৱা উন্নাসিকতা; মাথোঁ ক'লা-বগা এটা ভিডিঅ'ত এজন মানুহ—মনত পেলাওক আপ্ৰাইট বে'ছ্ বজাই থকা দীৰ্ঘকেশী শীৰ্ণ সেই যুৱকক; কণ্ঠত যাৰ আপোনাৰ অতিকৈ চিনাকি গান—এভ্ৰী ব্ৰেথ্ ইউ টে'ইক্—তোমাৰ প্ৰতিটো উশাহক/ প্ৰতিটো চাল আৰু চলনক/ তুমি ভঙা প্ৰতিটো সন্ধিক/ তুমি পতা প্ৰতিটো খোজক/ মই চাই থাকিম...। আমি জানো যে ১৯৮২ চনত মুক্তি পোৱা মাইকেল জেকছনৰ থ্ৰীলাৰ



এলবামখনে বিক্ৰীৰ ক্ষেত্ৰত আগতে আৰু পাছলৈ কেতিয়াও নোহোৱা অভিলেখ গঢ়িছিল। এতিয়াও মাইকেল জেকছনক কোনেও চুব পৰা নাই। কিন্তু সেই বছৰৰ বিলব'ৰ্ডৰ সূচিকাত আটাইতকৈ জনপ্ৰিয় গান হিচাপে বেছিভাগ সময়েই দ্বিতীয় স্থানত আছিল থ্ৰীলাৰ। প্ৰথম স্থানত আছিল ষ্টিং—পুলিচৰ এভ্ৰী ব্ৰেথ্ ইউ টে'ইক্।

সংগীত সংৰচনাৰ ক্ষেত্ৰত ষ্টিঙৰ যিটো শৈলী, যিটো তাত্ত্বিক যাত্ৰা, বা দৰ্শন সি আন সকলো সংগীতকাৰতকৈ ভিন্ন। ষ্টিঙৰ আৰম্ভণিৰ সময়ছোৱাত তেখেতৰ সংগীতত মূলতঃ জেজ্, পাংক আৰু ৰেগেৰ দুৰন্ত ব্যৱহাৰ দেখা গৈছিল। পাংক আৰু ৰেগেৰ মাজতো ষ্টিঙে বহুবাৰ ঘটক হিচাপে প্ৰণয় প্ৰোথিত কৰিছে। এই দুটা ধাৰাৰ সংগীতৰ মিলন আমি দুয়োখন হাতৰ আঙুলি ইটোৰে সিটোৰ ফাঁকেৰে সুমুৱাই মুঠি মাৰি লোৱাৰ লেখীয়া—সমদৃশ, সমৰূপ নহয়; অথচ সুষম সমন্বয়ত সংঘবদ্ধ। ষ্টিঙৰ নিৰ্মাণশৈলীটোৰেই মূলতঃ বিনিৰ্মাণৰ আধাৰত প্ৰতিষ্ঠিত। ষ্টিঙে সংগীতৰ ব্যাকৰণক মাজে মাজে জোকাই চায়। ছাৰ্কল অৱ ফিফ্থৰ সচৰাচৰ চলি থকা বান্ধোনৰ পৰা আঁতৰি কাণিদুৰৰীকৈ মেলি থোৱা ছেভেন্থ্ বা ছাচ্পেন্ছনৰ দুৱাৰেৰে অদ্ভুত পাক এটা মাৰি ষ্টিঙে মেজৰ আৰু মাইনৰ কৰ্ডৰ মাজত সাঁকো সাজি লয়। ষ্টিঙৰ সৃষ্টিৰ মূল আধাৰটোৰেই হৈছে এক আশ্চৰ্য্য উদ্ৰেকৰ জৰিয়তে পাৰমাৰ্থিক মহাৰহস্যৰ সন্ধান। তেওঁ নিজেই এটা সাক্ষাৎকাৰত কৈছে, যে ছাৰপ্ৰাইজ এলিমেণ্ট তেওঁৰ বাবে মূল চৰ্ত—এটা গানৰ প্ৰথম আঠটা বাৰ (তাল-বিভাগ)-ত যদি তেওঁ আচৰিত নহয়, সেই গান তেওঁ শুনিব নোৱাৰে। সংগীত বিশ্লেষক ৰিক্ বিয়াট'ৰ এটা ভিডিঅ' আছে—হোৱাই ষ্টিং ইজ্ আন্‌কপিয়েবল্। আগ্ৰহী পাঠকে সেই ভিডিঅ'টো, লগতে তেওঁ লোৱা ষ্টিঙৰ সাক্ষাৎকাৰটো ইউটিউবত চালে নিশ্চয় উপকৃত হ'ব। আপাততঃ জটিল যেন লাগিলেও ষ্টিঙৰ সৃষ্টিৰ প্ৰক্ৰিয়াটো কিন্তু কাৰিকৰী নহয়, বৰং কাৰিকৰী জ্ঞানে তেওঁৰ সৃষ্টিৰ অবাধ ধলক ব'বলৈ বাটহে সাজু কৰি দিছে। তত্ত্ব কেন্দ্ৰ নহয়, অনুঘটক, কেন্দ্ৰীয় মাথোঁ ৰহস্যৰ সন্ধান। পৃথিৱীৰ ইমান লৰা-ঢপৰাৰ মাজত ষ্টিং সেয়েহে শান্ত, স্থিৰ, মন্থৰ (মন্থৰহে, শ্লথ্ নহয়)— I had no prejudices about what kind of music I liked; I listened to everything with the rapt attention of a neophyte. Later, when I was learning to be a musician, I would play 33 rpm records at 45 rpm and hear the bass parts revealed, rescued from the bowels of the arrangement an octave higher, and the fast sections of the upper octaves on forty-fives so that they could be learned at a slower speed. I realized from these experiments that anything, no matter how complex, could be deconstructed and learned if you slow it down enough to really hear it. (Broken Music: A Memoir, Sting, Dial Press India. Page: 17)

এইগৰাকী ষ্টিঙৰ সৈতে মোক চিনাকি কৰাই দিছিল জুবিন গাৰ্গে। জুবিন গাৰ্গৰ গানত, বা তাতকৈয়ো শুদ্ধকৈ ক'বলৈ গ'লে তেওঁৰ সাংগীতিক চিন্তাত, ঠায়ে ঠায়ে সোমাই আছে ষ্টিং—সংপৃক্ত হৈ আছে শৈল্পিক সত্তাৰে। ষ্টিঙৰ বিখ্যাত গীত ফ্ৰেজাইলৰ ভংগুৰ ভণিতাৰ





ভ্ৰূণে ভৰপক ৰূপ পাইছে জুবিন গাৰ্গৰ মায়াৱিনী ৰাতিৰ বুকুৰে। ষ্টিঙৰ ডে' ডান্‌ছ এল'নৰ সুৰ ৰিণিকি ৰিণিকি ভাহি থাকে এতিয়া কাষত হেঁপাহৰ ফুলনিৰ গুণগুণনিত। যিদৰে সুদূৰ সিদেশৰ সুৰীয়া লোকসংগীত হেং ডাউন ইয়'ৰ হেড্ টম ডুলীৰ নিৰ্য্যাস একালত ভূপেন হাজৰিকাই বোৱাই দিছিল মানুহে মানুহৰ বাবেৰ সুৰবিন্যাসত, যিদৰে বীথ'ভেনে মিচিকিয়াই থাকে এই আকাশ বৰ বিশাল গীতৰ প্ৰিল্যুডত, সেইদৰে ষ্টিং বাৰে বাৰে অসমলৈ আহিছে জুবিন গাৰ্গৰ মাজেৰে। এইবোৰ সৃষ্টি উদাহৰণ, শিকনি—অনুপ্ৰেৰণা কাক বোলা হয়, চুৰ বোলে কাক। যা হওক, যিহেতু ষ্টিং জুবিন গাৰ্গৰ প্ৰিয় শিল্পী, বহুক্ষেত্ৰত গুৰু, আৰু সেই ষ্টিং মোৰ মন-মগজুত প্ৰোথিত কৰা মানুহজনো তেওঁ; সেয়ে, ষ্টিং ভাৰতলৈ অহাৰ খবৰ পোৱাৰ পাছতেই জুবিন গাৰ্গক মোৰ আব্‌দাৰ পৌনঃপুনিকভাৱে বেকত কৰি থকা হ'ল— যদি ষ্টিঙৰ অনুষ্ঠানেই মোক দেখুৱাব নোৱাৰিলে, তেনেহ'লে কি লাভ হ'ল জুবিন গাৰ্গ হৈ?

কথা আছিল—অসমৰ পৰা জুবিন আহিব, আমি একেলগে ষ্টিঙক চাবলৈ যাম। কথা হ'ল—ডিচেম্বৰৰ শেষৰ ভাগত মই আকৌ আহিবলগীয়া হ'ল অসমলৈ। সেয়ে শেষত কথাৰ কথাটো হ'ল এনেকুৱা—সৰভোগত নিজৰ অনুষ্ঠান সামৰি পোনে পোনে জুবিন গাৰ্গ আহিব বৰঝাৰলৈ, তাৰ পৰা তেওঁ, তেওঁৰ দুগৰাকী মেনেজাৰ, সিদ্ধাৰ্থ শৰ্মা আৰু ৰিদীপ দাস, আৰু মই উৰা মাৰিম মুম্বাইলৈ পুৱাৰ প্ৰথম বিমানত, সন্ধিয়া অনুষ্ঠান চাম, পাছদিনা পুৱাৰ বিমানত পুনৰ উভতি গুৱাহাটী পামহি। কিন্তু জুবিন গাৰ্গৰ পৰা শিকিব নলগীয়া কিবা যদি আছে, সেই তালিকাৰ প্ৰথমতেই থাকিব তেওঁৰ সময়ানুৱৰ্তিতা। সেয়েহে আমাৰ ভয়—আহি পাবনে?

দেখা গ'ল—নিৰ্ধাৰিত সময়ত বিমানকোঠৰ দুৱাৰেৰে সোমাই আহিছে জুবিন গাৰ্গ। দুঘণ্টা অনুষ্ঠানৰ পাছত তিনি ঘণ্টাৰ যাত্ৰা—তথাপি উজ্জ্বল, সপ্ৰতিভ। মাত্ৰ এজন মানুহৰ কাৰণে ইমান কষ্ট, টোপনি খতি, শ্ব' আৰু বিমানৰ টিকটৰ ইমান ডাঙৰ খৰচ; তথাপি অকণো বেজাৰ নাই—কাৰণ সোঁশৰীৰে দেখা পাব তেওঁৰ প্ৰিয় শিল্পীক—মাজত মাত্ৰ চৌবিছ ঘণ্টা আৰু দুহাজাৰ ছশ তেইছ কিলোমিটাৰৰ ব্যৱধান।

দুহাজাৰ চৌবিছ চনৰ জানুৱাৰী মাহৰ আঠাইছ তাৰিখে মহালক্ষ্মী ৰে'ছ ক'ৰ্চত ল'লাপল'জা নামৰ মিউজিক ফেষ্টিভেলত আন আন শিল্পীৰ লগতে ষ্টিঙৰো অনুষ্ঠান—একেবাৰে শেষত। অনুষ্কা শংকৰৰ চেতাৰবাদনৰ অনুষ্ঠানো আছিল দিনত; মই আৰু ৰিদীপদা সেয়ে দিনতেই নোশোৱা-নেমেলাকৈ ভেন্যু পালোঁ, জুবিন গাৰ্গক আবেলি সাত বজাৰ আগে আগে তাঁলৈ লৈ আহিব সিদ্ধাৰ্থদাই। মুম্বাইত দেৰিকৈ সাঁজ লাগে। পোহৰবেলাতেই অজস্ৰ মানুহৰ সমাগম। চাৰিখন ষ্টেজ। চিনা-অচিনা অনেক শিল্পী। বহুতো অসমীয়া মানুহৰো ভিৰ দেখিলোঁ। এন্ধাৰ নামিব ধৰাৰ পৰা আমাৰ আকৌ ভয় লাগিবলৈ ধৰিছে—আহিবনে, সময়ত আহি পাবনে জুবিন গাৰ্গ? জুবিন গাৰ্গে ষ্টিঙক চাবলৈ নাপালে যে আমাৰেই অদ্ভুত কিবা এটা 'মিছ' হৈ যাব, তেনে ভাবত।

সাত বাজিল কি নাবাজিল, একেবাৰে পাক্কা সময়ত, ছিকিউৰিটী চেকিঙত স্ফূৰ্তিৰ এমোকোৰা হাঁহি মুখত বান্ধি, আমাৰ চকুত, সৌৱা জুবিন গাৰ্গ। এইজন জুবিন গাৰ্গ আমাৰ বেছিভাগৰেই চিনাকি নহয়। জুবিন গাৰ্গ হৈ থকাৰ বোজাৰ পৰা একেবাৰে মুক্ত আজি তেওঁ। তেওঁ আজি কেৱল শ্ৰোতা, কেৱল দৰ্শক— জাষ্ট্ আ ফেন। ভিতৰ সোমোৱাৰ পাছত বিভিন্নজনে জুবিন গাৰ্গক মাত লগাইছে। হঠাতে শংকৰ-এহছান-লয়ৰ লয়ে আহি হাত মিলাইছে। কোনোবা অসমীয়া অথবা বঙালীয়ে অধীৰ উলাহেৰে ফটো তুলিছে। আমি কিবাকিবি খাইছোঁ। জুবিন গাৰ্গৰ ভ্ৰূক্ষেপ নাই একোতে। আন একো কথাতেই মন বহা নাই। বাৰে বাৰে হাতঘড়ীটোলৈ চাইছে। আৰু মাত্ৰ অলপ সময়, আৰু কেইটামান মিনিট, দীৰ্ঘ প্ৰতীক্ষাৰ একেবাৰে শেষৰ কেইটামান পল।

এটা সময়ত ষ্টিং মঞ্চত উঠিল। কাষত অৰ্জুনৰ সাৰথিৰ দৰে সখা, অনৱদ্য গীটাৰিষ্ট ডমিনিক্ মিলাৰ। সকলো দৰ্শক থিয় হৈ আছে। কোনো ভি.আই.পি. নাই, কমিটিৰ মাহী-পেহী, খুৰা-মামা নাই—এজন শিল্পী,



এজাক অনুৰাগী। মঞ্চৰ সমুখত সোঁফালে আমি থিয় হৈ চাই আছোঁ। পাছত গম পালোঁ বাঁওফালে একেদৰেই থিয় হৈ আছিল অংগৰাগ মহন্তও। আছিল জয় বৰুৱা, অনুৰাগ শইকীয়া। এই সকলো ডাঙৰ ডাঙৰ মানুহ সেইদিনা আছিল মাত্ৰ ভিৰৰ এটা সংখ্যা, অজস্ৰ অনুৰাগীৰ মাজৰ আন এজন। অথচ এই কথাক লৈ কাৰো খেদ নাছিল; বৰং আছিল বিৰল এক ইউফ'ৰিক উপলব্ধি—এইজন যে সমুখত, এইজনেই সেইজন, চাৰি দশকজুৰি যি জুৰাই ৰাখিছে আমাৰ প্ৰতিজনৰে জীৱন।

ষ্টিঙে গান গাই গৈছে। আমি একেলগে চিঞৰি চিঞৰি গাইছোঁ চিনাকি আটাইবোৰ গান— ৰক্সেন্/ ইউ ড'ণ্ট হেভ্ টু পুট্ অন্ দ্য ৰে'ড লাইট...। আকৌ গাইছে চেব্ মামীৰ সৈতে যুটীয়াভাৱে সৃষ্টি কৰা সেই মহাকাব্যিক মালিতা—ডেজাৰ্ট ৰ'জ—মৰুভূৰ গোলাপ...। জটিল সংশয় আৰু অবাধ প্ৰত্যয়ৰ সেই যুগলবন্দী—আই ছেণ্ড্ এন্ এছ.অ'.এছ. টু দ্য ৱৰ্ল্ড/ মেছেজ্ ইন্ আ বটল্...।

আৰু ইফালে মই দেখিছোঁ—সেই এক দশক আগেয়ে খাৰঘুলিৰ ষ্টুডিঅ'ত থিয় হৈ গান শুনি থকা জুবিন গাৰ্গক। ভৰিৰ জোকাৰণি নাই, ইফাল-সিফাল ঘূৰি ফুৰা অস্থিৰ খোজ নাই—থিয় হৈ, পোন হৈ, মাথোঁ গান শুনিছে; প্ৰতিটো গানেই মুখস্থ, লগে লগে আওৰাইছে। এইজন জুবিন গাৰ্গক দেখা নাযায় বিহুমঞ্চত। এইজন জুবিন গাৰ্গক দেখা পোৱাটো এটা আপুৰুগীয়া সোঁৱৰণ। এটা জাতিক তিনিটা দশকজুৰি গান শুনাই থকা মানুহ এজনে, যাক লৈ জাতিটোৰ সহস্ৰ গৌৰৱ আৰু অজস্ৰ অভিযোগ, সেইজন জুবিন গাৰ্গে মনভৰি চাই আছে নিজৰ গুৰুক। আৰু কাষত মই, কালি-পৰহি গান বুজিবলৈ আৰম্ভ কৰা পিটিকলি গীতিকাৰ—কাক চাম মই? সমুখৰ ষ্টিঙক নে, নে ষ্টিঙক চাই থকা এই বিৰল জুবিন গাৰ্গৰ দৃষ্টিক?

জীৱনত সমুখৰ পৰা ষ্টিঙক চালোঁ—জন্ম লোৱাটো যে একেবাৰে নিৰৰ্থক নাছিল, তাৰ জানো ইও এটা প্ৰমাণ নহয়?

অনুষ্ঠান শেষ হ'ল। ৰাতিটো দক্ষিণ মুম্বাইৰ ইফালে-সিফালে ঘুৰ্মুটিয়াই পুৱা আমি ফ্লাইট ধৰিবলৈ আহিলোঁ। ভাগৰত মই লেবেজান। ফ্লাইটৰ চকা ঘূৰিবলৈ নাপাওঁতেই চকুত মোৰ টোপনিৰ ভিৰ। বিমান উৰিছে। এটা সময়ত এজন চিনাকি হাতে মোক জোকাৰি জগাইছে—জুবিন গাৰ্গ। আঙুলিটোৰে বিমানৰ খিৰিকীৰ বাহিৰলৈ চাবলৈ মোক ইংগিত দিছে। আৰব সাগৰৰ আকাশত বেলি জগিছে। একেখন আকাশতে ওপৰৰ পৰা তললৈ এন্ধাৰ, গাঢ় নীলা, বেঙুনীয়া, পাতল ৰঙা, ডাঠ ৰঙা আৰু এন্ধাৰ—এনে আকাশ মই দেখা নাছিলোঁ কাহানিও। এনে এখন আকাশ যে মই দেখাটো জৰুৰী আছিল, সেই কথা বুজিছিল জুবিন গাৰ্গে। মই আকাশ চাই থাকোঁতেই জুবিন টোপনি গ'ল।

মাজে মাজে বাঢ়ি অহা এখন মৰুভূমিৰ দৰে লাগে জুবিন গাৰ্গক। সৃষ্টিৰ সেই অবাধ জলপ্ৰপাত যেন ক'ৰবাত ভাগৰুৱা, পৰিশ্ৰান্ত। মানুহে কিমান কি দিয়া নাই এইজন মানুহক? তথাপি ইমান অতিষ্ঠ নিজক লৈ? নিজৰ প্ৰতি ইমান বিদ্বেষ? এটা সময়ত জুবিনক বুজাবলৈ চেষ্টা কৰিছিলোঁ। লাহে লাহে ভাব হ'ল যাক মই বুজিয়েই নাপালোঁ, তাকনো কি বুজাম? জুবিনে জুবিন গাৰ্গৰ পৰ্য্যায়ত কথা পাতিবলৈ মানুহৰ অভাৱ—জুবিন গাৰ্গ আজি যেনেকুৱা, তেনেকুৱা হোৱাৰ আঁৰৰ ই হয়তো এক প্ৰধান কাৰণ। সেই কাৰণেই ক'ৰবাত হয়তো সামান্য দিকভ্ৰান্তও। সেইবাবেই আমি আটাইবোৰে ইমান খটবান্ধকৈ লাগি আছিলোঁ—ষ্টিং চোৱাটো গুৰুত্বপূৰ্ণ, কিন্তু তেওঁ ষ্টিঙক চোৱাৰ গুৰুত্ব ততোধিক। সেইদিনা জুবিন গাৰ্গক দেখি প্ৰত্যয় জন্মিল—এতিয়াও সাৰে আছে জুবিন গাৰ্গ, ভাগৰা নাই, জীৱন হেৰুওৱা নাই, সংগীতৰ প্ৰতি হেৰাই যোৱা নাই সেই অঁকৰা উন্মাদনা। এতিয়াও ক'ৰবাত এপাহ গোলাপ ফুলি আছে। সেইজোপা গোলাপেই জুবিনক ইমান বিষাদৰ মাজতো জীয়াই ৰাখিছে। অথবা, আমি আটাইবোৰ মানুহেই একোখন মৰুভূমি। আৰু শৰীৰত লেখ-জোখ নোহোৱা অলেখ কাঁইটৰ খোঁচ লৈ আমাৰ মাজত আমাৰ দৰেই ভাগৰুৱা হৈ ফুলি আছে ক্ষত-বিক্ষত এই 'ঈশ্বৰৰ তৰোৱাল'—লাইক্ এ ডেজাৰ্ট ৰ'জ...। ❖

*(লেখক অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী)*





# To Zubeen Garg

**■ Ayan Sharma**

“I fear none but time”
You once wrote
But did you know time would freeze
When you would float?

You were turned into a machine
You roared
But did you know the lights would go out
When you would stop?

You sang of love, amidst heartbreak
Of hope, amidst despair
But did you leave us a song to sing
When the sky would fall?

You sang of fraternity, amidst division
Of resistance, amidst submission
But did you give us the strength to soldier on
When you would be gone?

You danced with a thousand storms
You often bragged
But did you tell us how to stand
When the world would turn upside down?

Life is not fair
And you were our lifeline
In a humdrum, bittersweet ballad
You were the magical note

You may have fallen
Though you didn't want to
But you never failed us
As you had resolved

We “must be strong, and carry on”
As you sang your favourite song
Cause we know you are the eternal star
Lighting up heaven and earth ❖

*(লেখক অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ University of Virginiaৰ ইতিহাস বিষয়ৰ গৱেষক)*



# জুবিন যেন জীৱন

■ বৰ্ণিল মেধি

মানুহজনৰ লগত আমাৰ ঠেহ বহুদিনীয়া। খং-অভিমান-কতনা আবেগ ! মানুহজন বাৰু অকণ থিৰে ৰ'ব নোৱাৰেনে? শিল্প আৰু শিল্পীৰ বাক-বিতণ্ডাত তেওঁৰ ওজন বঢ়াবলৈ আমাৰ কত প্ৰয়াস—তাত তেওঁ সহায় অকণ কৰিব নোৱাৰেনে? নাই—নিজৰ মতেই চলিব, নিজৰ ঘূৰণেই ঘূৰিব ! মাজে মাজে ভাবোঁ, এই মানুহজনৰ লগত ইমান ঠেহ পাতি জানো লাভ আছে? কি দৰকাৰ বাৰু আমাৰ? পাছে উত্তৰটিও তাতেই। জুবিন গাৰ্গৰ লগত ঠেহ নাপাতি নোৱাৰোঁ—তেওঁ যে ঘৰৰে ল'ৰা ! জুবিনতকৈ আপোন কোন বুলি সুধিলে সৰগ পৰা ল'ৰাটো হৈ পৰোঁ—ভাবিবলৈ বাধ্য হওঁ। এৰা, আমাৰ দেখোন জীৱনেই জুবিন। অ-ফলাখন শিকাৰ আগতেই আমাৰ মুখত জুবিনৰ গীতৰ শৰদ। জুবিনৰ গীতৰ সমুখতেই ফুটিছে প্ৰথম মাত—এখোজ-দুখোজকৈ থপ থপ শৈশৱ পাৰ হৈ কৈশোৰ। জুবিনৰ সুৰতেই কৈশোৰৰ ধমনী ফুটি উন্মাদ যৌৱন, সলনি সময়-ঠিকনা-হিয়া—শাশ্বত মাথোঁ জুবিন। জীৱনৰ এনে এটা জানো ক্ষণ আছে, য'ত জুবিনে দিয়া নাই আমাৰ সংগ? মাৰ লগত কাজিয়া পাতি ঘৰ এৰি গুচি যাম বুলি থিৰাং কৰা ছবছৰীয়া অক'মানিটোৰ লগতো আছিল জুবিন। হাতত স্কেলৰ কোব খাই শিক্ষকৰ চকুত ৰঙাচকু থৈ বিদ্ৰোহৰ প্ৰথম অগনি জ্বলোৱাৰ সময়তো লগত আছিল জুবিন। কলেজৰ প্ৰথম দিনতেই তাইৰ ক'লা চুলিকোছাই মৰমৰ প্ৰথম ঠিকনা দিওঁতেও লগত আছিল জুবিন। সেই চুলিকোছা আঁতৰি জীৱন ক'লীয়া অন্ধকাৰ হৈ বোৱা হুকহুক চকুপানীৰ কাষতো আছিল জুবিন। সেই একেই চকুত মা-দেউতাক অলপ গৌৰৱৰ সুযোগ কৰিবলৈ পোৱা আনন্দাশ্ৰুৰ কাষতো আছিল জুবিন। আদিৰ পৰা অন্তলৈ, দিগন্তৰ পৰা অনন্তলৈ, থিয় দি ৰোৱা ভৰিৰ পতাৰ পৰা সূৰুযমুখী চকুলৈ—সকলোতে মাথোঁ জুবিন আৰু জুবিন ! সেই জুবিনৰ লগত ঠেহ নাপাতোঁ কেনেকৈ? তেওঁৰ লগত যেন অকণ আব্দাৰ নকৰিলে আমাৰ দিন নুনুমায়, ৰাতি নুপুৱায়। জুবিনৰ বাবেইতো আমাৰ জোনাকে ন-মায়া ৰচে, কাণে কাণে কয়, "জুবিন তোমাৰ, মাথোঁ তোমাৰ !"

জুবিন আমাৰ জীৱনৰ অহৰহ আৰহ গান—এনে এটি ক্ষণ নাই, যাৰ সৌষ্ঠৱ জুবিনৰ নাদেৰে বৃদ্ধি হোৱা নাই। জুবিন আমাৰ জীৱনৰ স্নিগ্ধ জোনাক, জুবিনেই আমাৰ হৃদয়ৰ বৰষুণ। জুবিন শব্দ, জুবিন আশা, জুবিন মায়া—জুবিনতেই আমাৰ মুক্তি ! এতিয়া ভাবিছোঁ, তেওঁলৈ চিঠি এখন লিখিম, ক'বলৈ থাকি গ'ল বহু কথা। কিন্তু আৰম্ভ ক'ৰ পৰা কৰিম? তেওঁ জানো জানে, কিদৰে তেওঁ আমাৰ সময় আটোমটোকাৰিকৈ সজাই তুলিছে? ভাবেনে একা, প্ৰতিটো শৰতৰ প্ৰভাতী ফুলে যে তেওঁৰ কথাই আমাক কয়? বুজি জানো পায়—তেওঁৰ সুৰতেই যে আমাৰ মেঘালী সপোনে বাগৰ সলায়? ওহোঁ—পায় যেন নালাগে ! পোৱা হ'লে মানুহজনে নিজকে অকণ গুৰুত্বসহকাৰে ল'লেহেঁতেন। কি যে হ'ব নহয় মানুহজনৰ ! সেইবাবে মাজে মাজে সোধোঁ—জুবিন আচলতে কোন? প্ৰেমিক, উন্নাসিক, বিপ্লৱী, আমাৰ মুখৰ হাঁহি নে তাতোকৈ কিবা অধিক? উত্তৰত ভাবোঁ, আমাৰ জীৱনৰ প্ৰতি ধূলিকণাই জানো জুবিন নহয়? হাতত পোৱাতেই জুবিন আছে বাবেই চাগে' আমি মাজে মাজে তেওঁক কমাই গুৰুত্ব দিওঁ? কিন্তু এতিয়া যে প্ৰশ্ন—জুবিনৰ অবৰ্তমানত জীৱন কি? প্ৰশ্ন জুবিনেও কৰিছিল—মৃত্যু যদি শিল্প হয়, মৃত্যু কিদৰে সুলভ? উত্তৰটি নিজেই দিলে—যি উত্তৰ আমি বিচৰাও নাছিলোঁ। সঁচাকৈয়ে ওভতগোৰে নচা মানুহ দেই ! এতিয়া জুবিনক অহৰহ বিচাৰিম—গানত-কথাত-শব্দত-সুৰত। হয়তো জুবিনে ক'ব, "মই আছোঁ তোমাৰ দুচকুৰ পাহিতে, চাই লোৱা দুচকু জপাই !" সেয়াই আমাৰ প্ৰত্যাশা—জুবিনক সদায় কাষতেই পাম—নিজৰেই শৰীৰৰ প্ৰতি কোঁহত। এই জীৱন জানো জুবিন নহয় ! ❖

(লেখক অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী)





# জুবিনৰ কবিতা

■ শংকৰ দত্ত




মই গছৰ সন্তান
মই পাহাৰৰ সন্তান
মই নদীৰ সন্তান
মোক চুই দিলেই জ্বলি যায়
এবুকু বহ্নিমান
(বুহুম)

এটা সৰু কবিতাৰ মাজৰ কেইটামান শাৰী এয়া। প্ৰকৃতিৰ সৈতে মানুহৰ কেৱল ৰক্ত-নাভিৰ সম্পৰ্ক নহয়, প্ৰকৃতিৰ সৈতে মানুহৰ ভৌতিক শৰীৰৰ প্ৰতিটো কণাৰ সম্পৰ্ক। অথচ আমি মানৱীয় সম্পৰ্কৰ শৃংখলা ধৰি মানুহৰ বিৰুদ্ধেই হিংসা-কপটতাৰ অন্য এক পৃথিৱী ৰচোঁ। মানৱ জীৱন ক্ষণভংগুৰ, অথচ এই জীৱনতে মানুহৰ অহংকাৰ-উদ্ধতালিৰ সীমা নাথাকে। প্ৰকৃততে তেজ-মঙহৰ সম্পৰ্ক তুচ্ছ। প্ৰকৃতিৰ বুকুতে আমাৰ সৃষ্টি, প্ৰকৃতিৰ বুকুতে আমাৰ ধ্বংস-লয়।

মই তোৰ সন্তান নহয়
মই প্ৰকৃতিৰ সন্তান
মা, এই এন্ধাৰখিনি কেতিয়া শেষ হ'ব !

প্ৰকৃতিয়েই আমাৰ জননী, সেই জননীকে কবিৰ প্ৰশ্ন—তুচ্ছ মানুহৰ উদ্ধতালি ভৰা জীৱনৰ অজ্ঞানতাৰ আন্ধাৰ কেতিয়া আঁতৰিব ?

এটা সৰু প্ৰশ্ন। অথচ জীৱনৰ সামগ্ৰিকতা উজাৰি দিব পৰা, চিন্তা-চেতনাৰ গভীৰ তলি জোকাৰি দিব পৰা এক গভীৰ ভাবৰ সমাহাৰ। কবিতাটোৰ নাম দিয়া হৈছে 'বুহুম'। বড়ো ভাষাত যাৰ অৰ্থ ধৰিত্ৰী। পৃথিৱীৰ বুকুত মানৱ জাতিৰ ক্ৰমাৎ বাঢ়ি অহা দৌৰাত্ম্যক এক প্ৰকাৰৰ তাচ্ছিল্য কৰিয়েই কবিতাটিৰ প্ৰথম শাৰী আৰম্ভ কৰা হৈছে—মোৰ উদং পথাৰত তোৰ বৰ উৎপাত। নতুন যান্ত্ৰিক পৃথিৱী নিৰ্মাণৰ অহংকাৰত মত্ত মানুহ প্ৰকৃতিৰ তুলনাত কিমান তুচ্ছ—তাক যেন একো একোটা বলিষ্ঠ শব্দ-চাবুকেৰে পাঠকৰ চেতনা কোবাই নিছে কবিয়ে। আঠশৰীয়া চুটি এই কবিতাটি আচলতে বিগত দুই দশকৰ অসমীয়া কবিতাৰ অন্যতম এক মহত্তম সৃষ্টি। এই কবিগৰাকী আন কোনো নহয়—কিংবদন্তিত পৰিণত হোৱা শিল্পী জুবিন গাৰ্গ। জুবিনৰ সাংগীতিক প্ৰতিভাই শিখৰ এনেকৈ জিলিকাই তুলিলে যে আন পৰিচয়বোৰ দৃষ্টি উপেক্ষিত হৈ ৰ'ল। সাধাৰণ পঢুৱৈ বা অসমীয়া সাহিত্য সমালোচকেও তেওঁৰ গীতৰ চমক দেখি কাব্যিক সৃষ্টিক পাদপ্ৰদীপলৈ অনাৰ কুচকাৱাজেই নকৰিলে।

কণ্ঠশিল্পী হোৱাৰ পূৰ্বে জুবিন যে এগৰাকী ভাল কবি-গীতিকাৰ সেই কথাৰ স্ফুৰণ ঘটিছিল প্ৰথম এলবাম 'অনামিকা'ৰ গীতসমূহতেই। যৌৱনৰ আৰম্ভণিৰ গীতসমূহত ৰোমান্টিক ভাবাবেগ প্ৰকাশ পালেও পাছৰ গীতসমূহত সমাজ-চেতনা বলিষ্ঠ ৰূপত প্ৰকাশ পাবলৈ ধৰিছিল। নিজৰ সৃষ্ট সুৰত নিজে শব্দ চয়ন কৰি গীত লিখাৰ বাবে গীতৰ শব্দ সজ্জা হৈ পৰিছিল তীব্ৰ চিত্তাকৰ্ষক—

তুমি চুলেই যে বসন্ত
ধুমুহাও যে প্ৰশান্ত
তোমাৰে মাজতে দিগন্ত
সৃষ্টি অপৰূপ অনন্ত



অথবা

জগত পোহৰ কৰি আহিব প্লাৱন
আঁতৰাব অমানিশা বধিব ৰাৱণ
নিকা হ'ব সমাজ, শেষ হ'ব এই গান
ফুলি ৰ'ব প্ৰেম শতদল

জুবিনে ৰচি যোৱা এনে প্ৰতিটো গীতৰ কাব্যিক আবেদন সাহিত্য বিচাৰতো উচ্চস্তৰীয় সৃজন। সেন্দূৰীয়া ওঁঠত কথাৰ নিচুকনি বুলি কৰা কল্পনাত প্ৰেম যিমান তীব্ৰতৰ, মৃত্যু যদি শিল্প হয়, মৃত্যু কিদৰে সুলভ বুলি কৰা প্ৰশ্নত হিংসা বিৰোধী প্ৰতিবাদো সিমানে তীব্ৰতৰ। শব্দৰ মহত্ত্ব আৰু গভীৰতা জুবিনে বাৰুকৈয়ে উপলব্ধি কৰিছিল। শব্দক লৈয়ে গীত লিখিছিল—

শব্দ যদি প্ৰেৰণা হয়
শব্দ আজি কিয় শংকিত
শব্দ যদি বৰ্ণবৃক্ষ
শব্দ আজি কিয় সংকুচিত
শব্দ আজি কাৰাৰুদ্ধ
শব্দ আজি নিজেই নিজত আবদ্ধ

গীতৰ সমান্তৰালকৈয়ে ছেগা-চোৰোকাকৈ জুবিনে কবিতাও লিখি গৈছিল। বিভিন্ন কাকত-আলোচনীত এই কবিতাবোৰ প্ৰকাশ পাইছিল। ৰুমী-ৰূপক প্ৰকাশনে মাজতে জুবিনৰ কবিতাসমূহ থূপাই 'শব্দ অনুভূতি' নামৰ কবিতা পুথি এখন প্ৰকাশ কৰিছিল। ভিন্ন স্বাদৰ এই কবিতাসমূহ হৈ পৰিছে কেতিয়াবা প্ৰেম আৰু প্ৰকৃতিৰ পূজন, আন কেতিয়াবা সমাজ পৰিবৰ্তনৰ বৈপ্লৱিক জাগৰণ। গুৱাহাটীৰ নৃশংস বোমা বিস্ফোৰণৰ প্ৰতিবাদত জুবিনে লিখিছিল—

মোৰ ৰক্ত, মোৰ বীজ, মোৰ দেহ
নহয় কোনো প্ৰতাৰণা
ই মোৰ বিপ্লৱ, মোৰ সাধনা
তই মোক যিমানে নাশিবি
মই তোক সিমানে বধিম
তই মোক যিমানে হানিবি
মই তোক সিমানে হানিম
সঁচা মন, সঁচা জ্ঞান, সঁচা জীৱন
তোৰ মাজত নাই...

কবি হীৰেন ভট্টাচাৰ্য্য আছিল জুবিনৰ পিতৃসম। জুবিনৰ কলমত—

তুমি শাশ্বত তুমি ভাস্বত
পৃথিৱীৰ য'ত শেষ
তাতেই তোমাৰ আৰম্ভণি

'ফাংগাছ' নামৰ কবিতাটোও জুবিনৰ হীৰুদা স্মৰণ—

হাজাৰ ৰাতি মৰি যায় হীৰুদাৰ দুখত
হাজাৰ হাজাৰ পোহৰে ভুমুকিয়াই
লুকাই হেৰাই হীৰুদাৰ বাঁহীৰ সুৰত
যি সুৰত সুৰ নাই
যি কবিতাত কথা নাই
তাৰ মাজত জীয়াই থাকে

মোৰ দেউতা
মোৰ হীৰুদা
...হৈ এচোতাল নিমাত নিয়তিৰ অন্তহীন কথা

কবিতা এক কঠিন সৃজন কলা। তাৰ বাবে যি পৰিমাণৰ সময় জুবিনে দিব লাগিছিল, হয়তো তেনে পৰ্য্যাপ্ত সময় পোৱা নাছিল। কিন্তু জুবিনৰ জীৱন দৰ্শন, ব্যক্তিত্ব-বচনলৈ চালেই উমান পোৱা যায়, জুবিনে বুকুত কবিতা লৈ ফুৰিছিল আজীৱন। নিজৰ ৪৮ বছৰীয়া জন্মদিনত জুবিনে লিখিছিল—

মোৰ সোঁ কান্ধখন ভাঙি দে
বাঁও কান্ধখনো ভাঙি দে
মই কিন্তু থিয় হৈয়েই থাকিম
যেতিয়ালৈকে মোৰ ৰাজহাড়ডাল ভাঙিব নোৱাৰ
I AM THE SPINE !

জুবিন গাৰ্গৰ বেছিভাগ কথাতে ফুটি উঠিছিল সাগৰৰ প্ৰতি দুৰ্বাৰ হেঁপাহ। বিভিন্ন সময়ত বিভিন্ন সুযোগত বাৰে বাৰে সাগৰলৈ ঢপলিয়াইছিল জুবিন। কিন্তু কবিতাৰে জুবিনে লিখিছিল, সাগৰতকৈ নদীৰ প্ৰতি তেওঁৰ ভালপোৱা বেছি।

সাগৰ দেখিছা?
তাত বৰ এন্ধাৰ
ঢৌৰে কোবায়
শব্দৰ কোলাহল
পাৰাপাৰহীন
ক'ত আৰম্ভ ক'ত শেষ
কোনেও নেজানে

মই নদী ভাল পাওঁ
নদীয়ে নিজৰ পথ নিজেই বিচাৰে
কুলুকুলু শব্দেৰে
এঁকা বেঁকা বাটেৰে
নিজেই বিচাৰি যায়
নিজৰ ঠিকনা
দিশহাৰা জীৱনৰ সেউজ শিলত থৈ যায়
কল্লোলিত হৃদয়ৰ বেদনা

জুবিন গাৰ্গে বিভিন্ন সময়ত কৈছিল ব্ৰহ্মপুত্ৰক ভাল পোৱাৰ কথা। আনকি মৃত্যুৰ পাছতো তেওঁৰ দেহ শেষকৃত্য কৰাৰ সলনি লুইতৰ বুকুত উটুৱাই দিয়াৰ হাবিয়াস ব্যক্ত কৰিছিল। অথচ নদীৰ কোমল গতিতেই দৃষ্টি নিবদ্ধ কৰি আত্মহাৰা হোৱা কবি নাছিল তেওঁ। প্ৰয়োজনত সাগৰৰ দৰে গৰজিবলৈ কুণ্ঠাবোধ কৰা নাছিল। জীৱন কালত সাহস, অকপট স্পষ্টবাদিতাৰে নজিৰ দেখুৱাই গৈছে জুবিনে। কবিতাতো ঘটিছে তাৰ প্ৰতিফলন। সমাজ-চেতনাই যেতিয়া অন্তৰত বিক্ষোভৰ অগনি জ্বলায়, তেতিয়া প্ৰচণ্ড প্ৰতিবাদী কণ্ঠেৰে জুবিনে হুংকাৰ দিয়ে—মোৰ প্ৰতিবাদী সত্তাৰ পৰিধি তহঁতে বুজি নাপাবি / মই নদীৰ পৰা সাগৰলৈ যাব পাৰোঁ / সাগৰৰ পৰা নদীলৈ ঘূৰিও আহিব পাৰোঁ / মাথোঁ মোৰ ৰং সলনি হ'ব / পানীৰ সোৱাদ সলনি হ'ব / পাৰে পাৰে এৰি থৈ যাম অকল বালি / বালি আৰু বালি / বালি বৰ হিংস্ৰ / ঠাণ্ডাত শুকাই নিব তোৰ তেজ / গৰমত উখহাই দিব তোৰ দুভৰি / খোজ কাঢ়িব পাৰ যদি আহিবি / মই চুমা খাম তোৰ ৰক্তাক্ত দুভৰিত...

নদীক ভাল পোৱাৰ পাছতো সাগৰে হাত বাউল দিছিল জুবিন গাৰ্গক। সেই সাগৰেই অৱশেষত সামৰি থ'লে অসমৰ লগতে দেশৰ অগণন গুণমুগ্ধৰ হেঁপাহৰ শিল্পীগৰাকীক। কবি শ্যেলীৰ দৰে সাগৰৰ বুকুত চিৰকাললৈ হেৰাই গ'ল জুবিন। ৰৈ গ'ল তেওঁৰ গীত আৰু কবিতাৰ অমূল্য সৃষ্টি সম্ভাৰ। ❖

# জুবিন গাৰ্গৰ গীত

**■ মানসজ্যোতি শৰ্মা**

বিংশ শতিকাৰ তৃতীয় দশকত জন্ম হৈছিল অসমৰ সংগীত জগতৰ মহীৰুহ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ। প্ৰায় অৰ্ধ-শতাব্দী কাল সংগীতেৰে অসম আৰু অসমীয়াৰ লগতে সমগ্ৰ ভাৰতকে বিস্ময়াভিভূত কৰি ৰখা ড° ভূপেন হাজৰিকাৰ সংগীতৰ গৌৰৱময় যাত্ৰা কিছু পৰিমাণে স্থবিৰ হোৱাৰ সময়ত বিংশ শতিকাৰ শেষৰফালে অসমৰ সংগীত জগতক এককভাৱে নেতৃত্ব দিয়াৰ ক্ষেত্ৰত কিছু শূন্যতাৰ সৃষ্টি হৈছিল। সেই সময়তে ১৯৭২ চনত জন্মা জুবিন গাৰ্গে বিংশ শতিকাৰ শেষ দশকটোত আত্মপ্ৰকাশ কৰিছিল। নিজৰ পৰিচালনাৰে মুম্বাইৰ খ্যাতনামা কণ্ঠশিল্পী কবিতা কৃষ্ণমূৰ্তিৰ সৈতে কণ্ঠদান কৰি উলিয়াইছিল 'অনামিকা' নামৰ গীতৰ এলবামটি। 'অনামিকা'ই আছিল প্ৰখ্যাত কণ্ঠশিল্পী, সংগীত পৰিচালক জুবিন গাৰ্গৰ সংগীতৰ অনিৰুদ্ধ গতিৰ আৰম্ভণি। সেই আৰম্ভণিৰে প্ৰায় ৩৮,০০০ গীত বিভিন্ন ভাষাত তেওঁ গাই গ'ল। কেৱল গোৱাই নহয়, ড° ভূপেন



হাজৰিকাৰ উত্তৰসূৰী হিচাপে একক আৰু অনন্য ৰূপত অসমীয়া সংগীত জগতক নেতৃত্ব দিলে।

জুবিন গাৰ্গে গোৱা গীতৰ সামগ্ৰিক আলোচনা এক মহাসাগৰসদৃশ বিষয়। ৰোমাণ্টিক প্ৰেমসমৃদ্ধ বিষয়ৰ পৰা শাসক-শোষকৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী বিষয়ৰে বহুধাবিভক্ত জুবিন গাৰ্গে গোৱা গান। আলোচনাৰ সুবিধাৰ বাবে তেওঁৰ গানক আমি তিনিটা প্ৰধান ভাগত ভাগ কৰি ল'ব পাৰোঁ। প্ৰথম ভাগটো হৈছে জুবিনে নিজে লিখি গোৱা গান, দ্বিতীয়টো হৈছে বেলেগ গীতিকাৰে লিখা তথা জুবিনে গোৱা গান আৰু তৃতীয় ভাগটো হৈছে অন্য গীতিকাৰৰ অন্য গায়কে গোৱা গীতকে জুবিনে আকৌ নতুন ৰূপত গোৱা গান।



জুবিনে প্ৰথম পৰ্য্যায়ত লিখা আৰু গোৱা গীতসমূহত আবেগেৰে পৰিপূৰ্ণ ৰোমাণ্টিক প্ৰেমৰ ভাব বেছিকৈ প্ৰকাশিত হৈছে। সেই প্ৰেমৰ লগত জড়িত বিৰহৰ ভাবো তেওঁ লিখা গানত আছে। 'অনামিকা' এলবামৰ 'মনৰ নিজানত' তেনে এটি গীত। ৰোমাণ্টিক প্ৰেম চেতনাযুক্ত অনুভূতি বৰ সুন্দৰকৈ ফুটি উঠিছে 'মেঘৰ বৰণ' গীতটিত—

"এতিয়া তুমি যেন মোৰ মোৰ
তথাপিতো তুমি দূৰ দূৰ..."

উল্লিখিত গীতফাকিত মোৰ মোৰ, দূৰ দূৰ আদি শব্দৰ যথাস্থানত প্ৰয়োগে ধ্বনি ব্যঞ্জনাৰ সৃষ্টি কৰি শুনোতাক সুখানুভূতি প্ৰদান কৰিছে। মন কৰিবলগীয়া কথাটো হ'ল কম বয়সতে জুবিন গাৰ্গে কেৱল কণ্ঠৰ যাদুৰে ৰাইজক মোহিত কৰাই নহয়, এগৰাকী কৌশলী গীতিকাৰ হিচাপেও আত্মপ্ৰকাশ কৰিছিল। গীতিকাৰ হিচাপে জুবিনৰ পূৰঠ হাতৰ পৰিচয় পোৱা যায় 'আঁউসীৰ জোন মোৰ' গীতটিত—

"আঁউসীৰ জোন মোৰ সমুখতে
সেমেকা চকুলো দুগালতে
নিজানৰ ৰাতি মোৰ কেতিয়াকে
পুৱাব, খেলিব ৰ'দে স'তে
তুমি আহিবা এদিনা ৰং দিবা দুচকুত..."

এই গীতটো আপাতদৃষ্টিত বিশুদ্ধ প্ৰেমৰ গীত, গীতিকাৰে যেন তেওঁৰ আপোনজনক লৈ কথাখিনি কৈছে। কিন্তু গীতটোৰ গূঢ়াৰ্থ ভালদৰে গমি চালে দেখা যায় যে সাধাৰণ প্ৰেমৰ অৰ্থতকৈও বেলেগ অৰ্থ ইয়াত সোমাই আছে। আঁউসী অমাৱস্যাৰ অন্ধকাৰত, অৰ্থাৎ জীৱনৰ যিকোনো প্ৰতিকূল পৰিস্থিতিত শুভ ৰূপত অহা যিকোনো কথা, সুযোগ, বন্ধু, প্ৰকৃতি সকলোকে যেন গীতটিত উল্লিখিত 'তুমি'য়ে সামৰি লয়। সেই শুভবোধৰ আগমনে দুচকুত ৰং বোলাই দিব, ৰাতি পুৱাব। অৰ্থৰ বহু তৰপযুক্ত এনে ধৰণৰ গীতে জুবিনক কৌশলী তথা পৰিপক্ক গীতিকাৰৰ মৰ্য্যাদা দিছে বুলি ক'ব পাৰি।

ৰাজনৈতিক অস্থিৰতা, উগ্ৰবাদীৰ কাৰ্য্যকলাপে ত্ৰস্তমান কৰি ৰখা সময়ৰ ছবি প্ৰকাশিত হৈছে 'সোণেৰে সজোৱা পঁজা', 'দিয়া ঘূৰাই দিয়া' আদি গীতত। সমসাময়িক পৰিস্থিতিৰ প্ৰতি বিৰক্তি তথা মানুহৰ কাম্যৰ পৃথিৱীখন ঘূৰাই দিয়াৰ আহ্বান আদি বৰ মনোগ্ৰাহীকৈ উপস্থাপন কৰা হৈছে। প্ৰেমৰ পৃথিৱীৰ পৰা সামাজিক দায়বদ্ধতালৈ ৰূপান্তৰণ জুবিনৰ 'শিশু', 'যন্ত্ৰ' আদি এলবামৰ গীতত সুস্পষ্ট হৈ উঠিছে। 'অন্ধ আকাশ ৰুদ্ধ বতাহ' আদি গীতত প্ৰতিবাদী জুবিনক আমি দেখা পাওঁ।

শাসক আৰু শোষকক অন্ধ, ভণ্ড আদি আখ্যা দি অৰ্থ লোভত মগ্ন হোৱা বুলি তেওঁ তীব্ৰ সমালোচনা কৰিছে। এইগৰাকী জুবিনেই আশা ৰাখিছে সকলো অন্যায়ৰ শেষত ন্যায় পোৱাৰ—



# হিয়াৰ আমঠু জুবিন

"জগত পোহৰ কৰি আহিব প্লাৱন
আঁতৰাব অমানিশা
বধিব ৰাৱণ
নিকা হ'ব সমাজ
শেষ হ'ব এই পাপ।"

প্ৰেমৰ উচ্ছল প্ৰকাশ, সমাজ সচেতনতা, প্ৰতিবাদ সকলোৰে মাজত জীৱনৰ ক্ষণস্থায়িত্বও যেন জুবিনে উপলব্ধি কৰিছিল। সেয়েহে তেওঁ লিখিছিল আৰু গাইছিল—



"এই মায়াৰ ধৰাত
দুদিন মাথোঁ থাকিবা তুমি
জীৱন গ'লেই গ'ল
নিবলে' একোকে নেপাবা
তুমি..."

জুবিনে গোৱা দ্বিতীয় ভাগটোৰ গীতসমূহৰ গীতিকাৰ বেলেগ, গায়ক জুবিন। দিগন্ত ভাৰতী, হীৰেন ভট্টাচাৰ্য্য, দেউতাক কপিল ঠাকুৰ, কেশৱ মহন্ত, ভবেন্দ্ৰনাথ শইকীয়া, কৈলাশ নাথ শৰ্মা আদি বহু গীতিকাৰৰ গীতত জুবিনে কণ্ঠদান কৰিছে। তেওঁৰ দৰদী কণ্ঠই গীতবোৰক আৰু গীতবোৰে জুবিনক ইমান ওপৰলৈ উঠাই লৈ গৈছে যে সেইবোৰে অসমীয়া জনগণক মোহিত কৰি ৰাখিছিল। জুবিন আৰু গীত— এটা আনটোৰ যেন পৰিপূৰক হৈ উঠিছিল।

উল্লেখযোগ্য কথাটো হ'ল হীৰেন ভট্টাচাৰ্য্যই লিখা কবিতা কিছুমানত সুৰ আৰোপিত কৰি জুবিনে যিধৰণে গানলৈ ৰূপান্তৰিত কৰিলে সি সঁচাকৈয়ে শলাগিবলগীয়া। 'বকুল ফুলৰ দৰে', 'গানে কি আনে', 'হেৰৌ বাঁহী তোক বৰ ভাল পাওঁ দেহি' আদি গানে শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পাৰে। প্ৰকৃত অৰ্থত হীৰেন ভট্টাচাৰ্য্যৰ কিছুসংখ্যক কবিতাক জুবিনে এক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। ঠিক তেনেদৰে জুবিনৰ কণ্ঠত কেশৱ মহন্তৰ 'আনে যোৱা বাটে নোযোৱা ছোৱালীজনী', কৈলাশ নাথ শৰ্মাৰ 'ৰুণজুন নূপুৰে মাতে', ভবেন্দ্ৰনাথ শইকীয়াৰ 'দিয়া মোক দিয়া সাগৰৰ দৰে দিয়া', দিগন্ত ভাৰতীৰ 'আহে বা নাহে ঘুমটি', 'বিয়পি পৰিলে জানা' আদি অজস্ৰ গান উজলি উঠিছে। গীতৰ কথা, সুৰ আৰু জুবিনৰ কণ্ঠই এই গীতবোৰক জনতাৰ হৃদয়ত স্থান দিয়াই নহয়, অসমীয়া আধুনিক গীতৰ ইতিহাসত উচ্চ আসনত প্ৰতিষ্ঠিত কৰাইছে।

জুবিনে গোৱা আগতে উল্লেখ কৰা তৃতীয়বিধ গীতৰ ভিতৰত পোনচাটেই নাম ল'ব পাৰি দুটা বিশেষ গীতৰ। এটা হ'ল নৰকান্ত বৰুৱা ৰচিত তথা ভূপেন হাজৰিকাই গোৱা 'নিয়ৰৰে ফুল' গীতটি আৰু আনটো হ'ল দ্বিজেন্দ্ৰ মোহন শৰ্মাই ৰচনা কৰা তথা বৈকুণ্ঠনাথ গগৈয়ে গোৱা 'ফুল ফুলক ৰ'দৰে ফুল' গীতটি।

এই গীত দুটি জুবিনে নতুনকৈ এনেকৈ গালে যে জুবিনৰ কণ্ঠই গীত দুটিক মানুহৰ মাজত, বিশেষকৈ যুৱচামৰ মাজত পুনৰ জনপ্ৰিয় কৰি তুলিলে। আনকি বহুতে দুয়োটি গীতকে জুবিনৰ গীত বুলি ভাবি ল'লে। ইয়াৰ উপৰি জুবিনে বৰগীত, কামৰূপী লোকগীত, গোৱালপাৰীয়া লোকগীত, দেহবিচাৰৰ গীত আদি অনেক প্ৰকাৰৰ গীত নিজৰ গায়নশৈলীৰে নতুনকৈ গাইছে। একবিংশ শতিকাৰ যুৱচামৰ মাজত লোকগীতক জনপ্ৰিয় কৰাত জুবিনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

বিষয়-বৈচিত্ৰ্যৰে ভৰপূৰ অৰ্থবহ অজস্ৰ গীতৰ ৰচয়িতা তথা গায়ক জুবিনৰ গীত মানুহৰ মাজলৈ যোৱাৰ মূল কাৰণ হৈছে সহজ-সৰল শব্দৰ ব্যৱহাৰ, সুৰ-তাল-লয়ৰ সুষম মিশ্ৰণ আৰু অপূৰ্ব গায়নশৈলী। উল্লেখযোগ্য যে বহু তৰপবিশিষ্ট অৰ্থযুক্ত গীতৰ পৰা আৰম্ভ কৰি সাধাৰণ পাতলীয়া অৰ্থযুক্ত তথা অশিক্ষিতজনেও বুজিব পৰা গীত জুবিনে গাইছিল। সেয়েহে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজতেই জুবিন হৈ পৰিছিল অতি জনপ্ৰিয়। প্ৰেম, হাঁহি-কান্দোন, সমাজ, প্ৰতিবাদ, আশা, ক্ষোভ, হতাশা সকলোৰে সংমিশ্ৰণেৰে জুবিন গাৰ্গে ৰচনা কৰা তথা গোৱা গীতবোৰ অসমীয়া আধুনিক গীতৰ জগতত জিলিকি আছে আৰু থাকিব। ❖



# মানৱদৰদী জুবিন গাৰ্গ

■ উদয়া ফুকন

জীৱন এক যাত্ৰা। জন্মৰ পৰা মৃত্যুলৈকে। যাত্ৰাৰ কালছোৱাত কেৱল মায়া আৰু মায়া। মায়াৰ সূতাৰ জঁটবোৰত আবদ্ধ হয় জীৱন, সময়ৰ লগে লগে জীৱন বালিত খোজ পৰি যায়, কেতিয়াবা খোজবোৰ নিশ্চিহ্ন হয়। মায়াৰ বান্ধোনৰ পৰা কেইজন মুক্ত হ'ব পাৰে? কোনোবাই পাৰে, কোনোৱে নোৱাৰে, কোনোৱে কিন্তু সময়ৰ বালিত খোজ দিয়াই নহয়, সময় সলনিও কৰিছে। নতুন যুগৰ সূচনা কৰিছে। তেওঁক জানো কোনোবাই অনাদৰ কৰিব পাৰে? পাৰেনে প্ৰকৃতিয়ে? পাৰেনে মানুহে? এনে ক্ষণজন্মা মানুহেই হ'ল প্ৰকৃত 'মানুহ'। অসমীয়াৰ হৃদয়ৰ স্পন্দন, পৰিচয় আৰু স্বাভিমান জুবিন গাৰ্গ আছিল তেনে এজন নিৰ্ভেজাল, স্বাৰ্থহীন, নিৰ্ভীক, মানৱদৰদী খোলা মনৰ মানুহ। আজি জুবিন নাই— প্ৰকৃতি যেন নিস্তব্ধ। অসমৰ মানুহবোৰ যেন দিশহাৰা। পাৰিলে আঁজুৰি আনিব দৈৱশক্তিৰে জুবিনৰ নিথৰ দেহালৈ প্ৰাণ ! কিয় এই উন্মাদনা ! সন্তাপ !

'জুবিন' আছিল 'জীৱন'ৰ সাৰ্থক ৰূপ। গানে কি আনে? গানে আনে হৃদয়লৈ প্ৰেমৰ পবিত্ৰ বন্যা, বিষাদত জীৱনলৈ সঞ্জীৱনী, বিপদত আশ্বাস, সংগ্ৰামৰ লগ্নত আত্মবিশ্বাস, আৰ্তজনৰ মুখলৈ আশাৰ নীৰ, মানুহলৈ প্ৰকৃতিৰ বিনন্দীয়া সৃষ্টি ধৰি ৰখাৰ আহ্বান। আৰু কত কি !

জুবিন গাৰ্গ নামৰ শিল্পীগৰাকীৰ গানে তাকেই কৰিছিল। সেয়েহে আজি চহৰে-নগৰে, ৰাজপথে সহস্ৰ জনতাৰ মৰম আৰু বেদনাৰ স্বতঃস্ফূৰ্ত প্ৰকাশ।

শিল্পী সৃষ্টি নহয়, জন্ম হয়। জুবিন আছিল নিভাঁজ শিল্পী, এক সত্তা আৰু পৃথিৱীক ভালপোৱা এক ব্যক্তিত্ব। বহুতো মানুহে হয়তো তেওঁক কাষত লগ পোৱা নাই, কেৱল দূৰৰ পৰাই তেওঁৰ বিশালতাৰ উমান পাইছে, কিন্তু জুবিনৰ মৃত্যুৱে সকলোৰে হৃদয়ত তুলিছে বিষাদৰ জোৱাৰ। কাৰণ তেওঁৰ গীতত আছিল জীৱনবোধৰ খবৰ। শত শত অসমীয়া নৱপ্ৰজন্মক জুবিনে অসমীয়া গীত শুনিবলৈ শিকালে। পাশ্চাত্য সংগীতৰ মূৰ্চ্ছনা কঢ়িয়াই আপোন মাটিৰ সুৰত গান গাইছিল শিল্পীগৰাকীয়ে। তেওঁ বুজিছিল, সকলোতে পৰিৱৰ্তন লাগে; যি যুগমীয়া কৰিব পাৰে এটা জাতিৰ কলা-সংস্কৃতি। সেয়েহে পৰিৱৰ্তন আনিছিল সংগীতৰ বিশাল সাগৰত ঢৌ তুলি। সেই ঢৌৱে স্পৰ্শ কৰিছিল যুৱক-যুৱতী, প্ৰৌঢ়, বৃদ্ধ সকলোকে। সেয়েহে এই সময়ত যুৱক-যুৱতীৰ লগতে অনেক বয়োজ্যেষ্ঠ গুণমুগ্ধ বিষাদত বুৰ গৈছে—জুবিনৰ অকাল, আকস্মিক বিয়োগত।

তেওঁ আছিল প্ৰকৃতিৰ প্ৰেমিক। তেওঁ নদ-নদী, গছ-লতা, ফল-ফুল, জীৱ-জন্তুৰ মাজত প্ৰকৃতিৰ নিৰ্ভেজাল মৰমৰ সন্ধান পাইছিল, কাৰণ এইবোৰৰ মাজত নাথাকে কলুষতা, স্বাৰ্থপৰতা। মানৱদৰদী শিল্পীগৰাকীয়ে বুজি পাইছিল সাধাৰণ খাটি খোৱা মানুহৰ চকুৰ মৰমৰ ভাষা। সেয়েহে তেওঁলোকৰ জীৱন সংগ্ৰামত নিজেও ভাগ লৈছিল সম্পূৰ্ণ ইচ্ছাকৃতভাৱে। তাতেই তেওঁ হয়তো বিচাৰি পাইছিল জীৱনৰ সাৰ্থকতা, পূৰ্ণতা। জুবিনে মায়াৰ বান্ধোন ছিঙি জাতীয়তাবাদ জগাই তুলিবলৈ জনগণৰ মাজলৈ ওলাই আহিছিল এক মানৱতাবাদী সত্তা হৈ। নাটকীয়ভাৱেই হওক লাগিলে— তেওঁ জনাইছিল তেওঁৰ কোনো জাতি নাই, ধৰ্ম নাই, ভগৱান নাই, তেওঁ মানুহৰ মাজৰে এজন মানুহ। কণ্ঠ আৰু আঙুলিৰ যাদুৰে অপূৰ্ব মূৰ্চ্ছনা সৃষ্টি কৰি সেয়া অসমীয়াৰ চিনাকি বিশ্বত অম্লান কৰি ৰাখিছিল। তেওঁৰ সোণালী কণ্ঠৰ মায়াত মানুহ বলিয়া হৈছিল। বিশৃংখলতাৰ মাজতে সৃষ্টি কৰি গৈছিল শৃংখলাবদ্ধভাৱে নিজৰ অভিনৱ কল্পনাৰ মূৰ্ত প্ৰকাশ। যুৱপ্ৰজন্মই যিদৰে তেওঁৰ গানত প্ৰেমৰ সন্ধান পাইছিল, একেদৰে উদ্বুদ্ধ হৈছিল সমাজৰ হকে কাম কৰাৰ, অন্যায়ৰ বিৰুদ্ধে মাত মতাৰ আৰু জাতিৰ স্বাভিমান জীয়াই ৰখাৰ।



## হিয়াৰ আমঠু জুবিন

কিশোৰ-কিশোৰীক যন্ত্ৰলৈ পৰিণত কৰা শিক্ষা ব্যৱস্থা আৰু ইয়াৰ যন্ত্ৰণা তেওঁ গানেৰে প্ৰকাশ কৰিছিল। তেওঁৰ গানত ঠাই পাইছিল সাৰলীল চহা জীৱনৰ আখলৰ সুস্বাদু ব্যঞ্জন, ৰাতিৰ লেমৰ পোহৰত জিলিকি উঠা কোনো চেনেহী মুখ। জুবিনে পাহাৰ-ভৈয়াম, চহৰীয়া-নগৰীয়া সকলোকে সামৰি এক আধুনিক সমাজ গঢ়াৰ সপোন দেখিছিল। শিল্পীগৰাকীয়ে সমাজ জীৱনৰ যিকোনো দুৰ্য্যোগতে নিৰ্ভীকভাৱে জনতাৰ হকে মাত মাতিছিল। সেয়া লাগিলে বানপানীয়েই হওক বা জনগণৰ হিতৰ পক্ষে নথকা, আৰ্থ-সামাজিক বা ৰাজনৈতিক বিষয়েই হওক। তেওঁ নিজকে অৱশ্যে 'অৰাজনৈতিক' বুলি সদায় কৈছিল। এগৰাকী গণশিল্পীৰ দায়িত্ববোধেৰে অসমীয়া সমাজ গঢ়াৰ আৰু কলা-সংস্কৃতিক পুনৰুদ্ধাৰ কৰাৰ দায়িত্বও লৈছিল। সেয়েহে কলাগুৰুৰ সৃষ্টিৰাজিক অসমীয়া সমাজ আৰু বিশ্ব দৰবাৰত জীৱন্ত কৰি ৰাখিবলৈ অহৰহ কাম কৰিছিল। সমাজৰ শান্তি আছিল তেওঁৰ কাম্য। শান্তি প্ৰতিষ্ঠাৰ বাবে মানুহৰ মাজত গানেৰে সচেতনতাৰ সৃষ্টি কৰিছিল। অসমীয়া কলা-সংস্কৃতি ৰক্ষাৰ বাবে লোক-সংস্কৃতিৰ মুকুতাবোৰ বুটলি সজাই নতুন প্ৰজন্মক চিনাকি কৰাই দিছিল। আজিৰ যুৱপ্ৰজন্মই লোকগীত, বৰগীত, দেহ-বিচাৰৰ গীত, হোলী গীত আৰু নামৰ গুৰুত্ব জুবিনৰ মাধ্যমেৰে বুজি উঠিছিল। আবাল-বৃদ্ধ-বনিতাই এনে গীতৰ মাজেৰে জুবিনক কলিজাৰ কোণত ঠাই দিছিল। এয়াই শিল্পী জীৱনৰ সাৰ্থকতা, জীয়াই থকাৰ আনন্দ। কোনেও ক'বলৈ সাহস নকৰা সঁচা কথাবোৰ তেওঁ নিঃসংকোচে সমাজত কৈ মানুহক সজাগ কৰি সমাজ-সংস্কাৰৰ বাবে কাম কৰিবলৈ সাহস যোগাইছিল। সমাজৰ প্ৰতিটো স্তৰৰ, প্ৰতিটো বিষয়ক গান আৰু কথাৰে প্ৰকাশ কৰিছিল। ইয়াৰ বাবে অক্লান্ত শ্ৰম কৰা শিল্পীগৰাকী জ্ঞাত হৈও সিমান সচেতন নাছিল শৰীৰৰ অসুস্থতা, অসুবিধাৰ প্ৰতি। সকলোৱে জানে মৃত্যু চিৰন্তন সত্য, কিন্তু মৃত্যুক মানুহে ভয় কৰে। জুবিনৰ নাছিল মৃত্যুৰ প্ৰতি ভয়। 'মৃত্যুওতো এক শিল্প, জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য'— জুবিনৰ প্ৰিয় হীৰুদাৰ কথাখিনিকে যেন তেওঁ প্ৰমাণ কৰি থৈ গ'ল।

তেওঁৰ অবৰ্তমানত আবেগিক অসমীয়াই সংকল্প লওক—জুবিনক জীয়াই ৰখাৰ, তেওঁৰ সপোনৰ অসমখন গঢ়াৰ। আবেগৰ ঢৌ মাৰ গ'লে সংকল্পক মনত ৰাখি কৰ্তব্য কৰি যোৱাৰ। ❖

# পশুপ্ৰেমী মানুহগৰাকী

**■ অপৰ্ণা দেৱী**

সংগীত জগতৰ এগৰাকী অতি জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ। সৰ্বজনপ্ৰিয় গায়কগৰাকী অকল তেওঁৰ অপৰিসীম কলাত্মক অৱদানৰ বাবেই নহয়, মানৱীয় মনোভাব আৰু জীৱ-জন্তুৰ প্ৰতি থকা গভীৰ প্ৰেমৰ বাবেও বহুলভাৱে সমাদৃত।

সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গে মানুহক ভাল পাইছিল। সমাজ আৰু সামাজিক কামত নিজকে নিয়োজিত কৰি ৰাখিবলৈ চেষ্টা কৰিছিল। তেওঁ বিভিন্ন সামাজিক কামৰ দিশত সমৰ্থন আগ বঢ়াবলৈ কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছন নামেৰে এটা অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। সেই অনুষ্ঠানটোৰ জৰিয়তে জুবিন গাৰ্গে বিভিন্ন কল্যাণমূলক আঁচনি গ্ৰহণ কৰিছিল। অসমৰ বানপীড়িত অঞ্চলৰ লোকসকলক বানপানীৰ সময়ত কাপোৰ, ঔষধ, খাদ্য সামগ্ৰী যোগান ধৰাৰ চেষ্টা কৰি আহিছিল। বানপানীকে ধৰি বিভিন্ন প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত ক্ষতিগ্ৰস্তসকলৰ বাবে ধন সংগ্ৰহ কৰাৰ বাবে ফুটবল খেলৰো আয়োজন কৰিছিল। আমাৰ ৰাজ্যখনৰ বিভিন্ন সংকটৰ সময়ত জুবিন গাৰ্গে বিপদত পৰাসকলক

সান্ত্বনা আৰু সাহায্য আগ বঢ়াইছিল।

জৰুৰীকালীন সময়ত জুবিন গাৰ্গৰ ব্যক্তিগত দায়বদ্ধতাৰ অধিক উমান পোৱা গৈছিল। ২০২১ চনৰ ক'ভিড-১৯ অতিমাৰীৰ সময়ত তেওঁ ৰোগীৰ বিছনাৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি, গুৱাহাটী মহানগৰীৰ তেওঁৰ দুমহলীয়া ঘৰটো ক'ভিড কেয়াৰ চেণ্টাৰ হিচাপে ব্যৱহাৰ কৰাৰ বাবে প্ৰস্তাৱ দিছিল। সাহসী জুবিনে নাগৰিকত্ব সংশোধনী আইনৰ (CAA) দৰে চৰকাৰী নীতিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল।



মানৱদৰদী জুবিন গাৰ্গ জীৱ-জন্তুৰ প্ৰতিও সমানেই সহানুভূতিশীল আছিল। পশু বলি প্ৰথাৰ ঘোৰ বিৰোধী আছিল জুবিন। পশু বলি প্ৰথাক মুকলিকৈ গৰিহণা দিয়াৰ বাবে তেওঁক পেটা (PETA) ইণ্ডিয়াই 'হিৰো টু এনিমেল' (Hero to animal) বঁটাৰে সন্মানিত কৰে। জুবিনে ৰাজহুৱা অনুষ্ঠানত দৃঢ়তাৰে কয় যে সকলো ধৰ্মই মমতাৰে পোষকতা কৰে। সেই ক্ষেত্ৰত জীৱ-জন্তু হত্যা কৰা কথাটো নিষ্ঠুৰতাৰহে প্ৰকাশ মাত্ৰ। তেওঁৰ সেই স্পষ্টবাদী স্থিতিয়ে প্ৰশংসা আৰু বিতৰ্ক দুয়োটা লাভ কৰিছিল। কিন্তু তেওঁ প্ৰশংসা আৰু বিতৰ্ক দুয়োটাকে সহজভাৱেই গ্ৰহণ কৰিছিল। জীৱ-জন্তুৰ প্ৰতি থকা জুবিনৰ প্ৰেমে তেওঁৰ জীৱনশৈলীৰ পছন্দক প্ৰভাৱিত কৰিছিল। হাঁহৰ যত্ন লোৱাটোৱে তেওঁক হাঁহৰ মাংস খোৱা বন্ধ কৰিবলৈ প্ৰেৰণা দিছিল। মুক্ত মনোভাবাপন্ন আৰু পিঞ্জৰাবদ্ধ কৰিব নোৱৰা কলাত্মক মনৰ অধিকাৰী হোৱাৰ বাবেই চাগৈ চৰাই-চিৰিকটিয়ে তেওঁৰ বাসগৃহৰ শোভা বৰ্ধন কৰিছিল। জুবিনৰ এজনী পোহনীয়া বগলীও আছে। জুবিনে তাইৰ নাম থৈছিল উদাসিনী গাৰ্গ। আঘাতপ্ৰাপ্ত উদাসিনীক জুবিনে পাই শুশ্ৰূষা কৰি সুস্থ কৰি তুলিছিল। জুবিনৰ এটা পোহনীয়া বান্দৰো আছে। জুবিনে তাৰ নাম দিছিল মধুসূদন গাৰ্গ। কাউৰীৰ প্ৰতিও তেওঁৰ আকৰ্ষণ আছিল। তেওঁ ঘৰৰ বাহিৰত এজাক কাউৰীক সদায় খুৱাইছিল। এটা কাউৰীক কাকু গাৰ্গ নামেৰে নামকৰণ কৰিছিল। সেই মৰম লগা নামকৰণেৰে তেওঁ এনে জীৱ-জন্তুবোৰক পৰিয়ালৰ এগৰাকী সদস্য কৰি লৈছিল। জীৱ-জন্তু, চৰাই-চিৰিকটিৰ নামকৰণ তেওঁৰ চৌপাশৰ জীৱৰ প্ৰতি থকা মৰম আৰু কোমলতা প্ৰদৰ্শনৰ এটি নমুনা বা চানেকি আছিল।

জীৱ-জন্তুৰ সৈতে জুবিনৰ এক ব্যক্তিগত বান্ধোন আছিল। ৰেম্বো, টিয়া, ইকো, মায়া তেওঁৰ এই চাৰিটা আদৰৰ পোহনীয়া কুকুৰে গুৱাহাটীৰ সৰুসজাইত সিহঁতৰ বন্ধু জুবিনক জনোৱা শেষ শ্ৰদ্ধাৰ দৃশ্য হৃদয়বিদাৰক। তেওঁৰ জীৱ-জন্তুৰ প্ৰতি থকা প্ৰেমে তেওঁৰ সৰ্বাংগীণ আৰু প্ৰেমময় মনোভাবক আৰু অধিক প্ৰতিফলিত কৰে।

জুবিনে বন্যপ্ৰাণী আৰু পশু সুৰক্ষাৰ ক্ষেত্ৰত প্ৰত্যক্ষ ব্যৱস্থা গ্ৰহণ কৰিছিল। গঁড়কে ধৰি অন্য পশু উদ্ধাৰ আৰু সংৰক্ষণৰ প্ৰচেষ্টাত তেওঁ সক্ৰিয় সহযোগিতা আগ বঢ়াইছিল। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী পুনৰ্বাসন আৰু সংৰক্ষণ কেন্দ্ৰৰ সৈতে তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। বান পৰিস্থিতিকে ধৰি বিভিন্ন সময়ত আঘাতপ্ৰাপ্ত জীৱ-জন্তু উদ্ধাৰ আৰু যত্ন লোৱাত তেওঁ সহায় কৰিছিল। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এটা গঁড়ৰ ভৰণ-পোষণৰ সমস্ত দায়িত্ব তেওঁ বহন কৰিছিল। তেওঁ চোৰাং চিকাৰী বিৰোধী অভিযানৰো নেতৃত্ব দিছিল। বিশেষকৈ বন্যপ্ৰাণী সুৰক্ষাৰ প্ৰচেষ্টাত তেওঁ বিশেষভাৱে অংশগ্ৰহণ কৰিছিল।

সমগ্ৰ বিশ্বই জুবিনৰ শেষ যাত্ৰা প্ৰত্যক্ষ কৰিছে বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে। নীৰৱে-নিটালে চকুপানীৰে শেষ বিদায় দিয়াসকলৰ মাজত তেওঁৰ পৰিচিত জীৱ-জন্তু, চৰাই-চিৰিকটিও আছে। সেইগৰাকী জুবিন গাৰ্গক সময়ে পাহৰাব নিশ্চয় নোৱাৰিব। ❖

# মায়াৰিনী ৰাতিৰ বুকুত

■ ভাস্কৰজ্যোতি হালৈ



২০২৫ চনৰ ১৯ ছেপ্টেম্বৰৰ দিনা ছিংগাপুৰ জেনেৰেল হাস্পতালে ছিংগাপুৰত এক দুৰ্ঘটনাত পতিত হোৱা অসমৰ সংগীত জগতৰ নক্ষত্ৰ, অসমৰ ৰাইজৰ হিয়াৰ আমঠু, শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ খবৰটো নিশ্চিত কৰে। এই খবৰটো অসমৰ সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমৰ জৰিয়তে বনজুইৰ দৰে বিয়পি পৰাৰ পাছতেই বহু হাজাৰ গীতৰ স্ৰষ্টা জুবিন গাৰ্গৰ এটা বিশেষ গীত মানুহৰ চৰ্চাৰ কেন্দ্ৰ হৈ পৰে। সেয়া হ'ল—'মায়াৰিনী ৰাতিৰ বুকুত' শীৰ্ষক গীতটি।

বিংশ আৰু একবিংশ শতিকাৰ সন্ধিক্ষণত অসমীয়া চলচ্চিত্ৰই বাণিজ্যিকভাৱে সফল হ'বলৈ পুনৰ আৰম্ভ কৰিছিল। সেই সময়তেই অসমীয়া চলচ্চিত্ৰত সংগীত পৰিচালক হিচাপে আত্মপ্ৰকাশ ঘটিছিল জুবিন গাৰ্গৰ। মাত্ৰ ২০ বছৰ বয়সত 'অনামিকা' (১৯৯২) নামৰ গীতৰ এলবামটিৰ জৰিয়তে শ্ৰোতাৰ মন জয় কৰিবলৈ সক্ষম হৈছিল জুবিন গাৰ্গ। ভুপেন হাজৰিকাৰ পাছতে পাশ্চাত্য আৰু অসম তথা ভাৰতৰ বিভিন্ন ঠাইৰ লোকসংগীতৰ সংমিশ্ৰণৰ জৰিয়তে অসমীয়া সংগীতক এক নতুন ৰূপ দিবলৈ চেষ্টা কৰা জুবিন গাৰ্গে সংগীত পৰিচালনা কৰা তৃতীয়খন অসমীয়া কথাছবি আৰু মুনিন বৰুৱাৰ দ্বাৰা পৰিচালিত 'দাগ' কথাছবিখনত সন্নিৱিষ্ট পাঁচটি গীতৰ ভিতৰৰ এটি আছিল 'মায়াৰিনী ৰাতিৰ বুকুত' শীৰ্ষক গীতটি। তপন দাস আৰু যতীন বৰাই মুখ্য চৰিত্ৰত অভিনয় কৰা চলচ্চিত্ৰখনে ২০০১ চনৰ ২ ফেব্ৰুৱাৰীত অসমৰ ছবিগৃহত মুক্তি লাভ কৰিছিল। নায়কৰ গোপন প্ৰেমৰ প্ৰেমাস্পদগৰাকীক লাভ কৰাৰ হাবিয়াসক কল্পনা, চেতনাস্ৰোত আৰু চিত্ৰকল্পৰ মাধ্যমেৰে ২৮ বছৰীয়া চফল যুৱক গীতিকাৰ জুবিন গাৰ্গে লিখি উলিয়াইছিল মায়াৰিনী গীতটো। কথাছবিখনত গীতটো দুটা বেলেগ বেলেগ অৱস্থাত দুবাৰ ব্যৱহাৰ কৰা হৈছিল। চিনেমাখনত গীতটো নায়কৰ ওঁঠত দিয়া হোৱা নাছিল। গীতটি নায়কজন কল্পনাত থাকোঁতে এবাৰ ব্যৱহাৰ কৰা হৈছিল আৰু কাহিনীৰ প্ৰায় শেষত প্ৰথমটো অন্তৰা আৱহ সংগীত (background score) হিচাপে ব্যৱহাৰ কৰা হৈছিল।

২০২৫ চনৰ মে' মাহত মুক্তিপ্ৰাপ্ত অসমীয়া কথাছবি 'ভাইমন দা'ত গীতটোৰ সৃষ্টিৰ আঁৰৰ কথাটো দেখুওৱা হৈছিল। চলচ্চিত্ৰখনত দেখুওৱা অনুসৰি জুবিন গাৰ্গে গীত এটা লিখি কাগজখন মুনিন বৰুৱাৰ পুত্ৰ ৰিজুৰ হাতত দিছিল আৰু ৰিজুৱে গীতৰ সেই কাগজখন নিজৰ পেণ্টৰ জেপত থৈ কথাটো পাহৰিছিল। তিনিদিনমান পাছত গম পালে যে সেই পেণ্টটো মাকে ধুই দিলে। ৰাগিত লিখা সেই গীতটোৰ প্ৰথম শব্দটো জুবিন গাৰ্গৰ 'মায়া' এলবামটোৰ লগত মিল থকা বুলি ৰিজুৱে কৈছিল। তাৰ পাছতেই জুবিন গাৰ্গে একে বহাতে মায়াৰিনী শীৰ্ষক গীতটো ৰচনা কৰি, সুৰাৰোপ কৰি, সংগীত ব্যৱস্থাপনাৰ কামখিনিও একে ৰাতিয়ে সম্পূৰ্ণ কৰিছিল বুলি কথাছবিখনত দেখুওৱা হৈছিল। অৱশ্যে আন এটা সাক্ষাৎকাৰত জুবিন গাৰ্গে কৈছিল যে ৰাগিত লিখা গান হ'লেও গীতটোৰ প্ৰথমৰ চাৰিটামান শাৰী তেওঁৰ মনত আছিল। তাৰ সৈতে অন্তৰা দুটা তেওঁ নতুনকৈ সংযোগ কৰিব লগা হৈছিল। পূৰ্বৰ গীতটোতকৈ নতুন গীতটো বেছি ভাল হোৱা বুলিও তেওঁ সাক্ষাৎকাৰটোত উল্লেখ কৰিছিল।

মায়াৰিনী গীতটোত গীটাৰ বাদ্যযন্ত্ৰত 'ই মাইনৰ', 'ডি মেজৰ', 'চি এড নাইন' আৰু 'বি ছেভেন' কৰ্ডৰ সহায়ত যি এক প্ৰিলিউড (prelude) সুৰৰ সৃষ্টি কৰিছে, এইখিনিয়ে গীতটোক এটা সুন্দৰ গতি দিছে। গীতটোত গা, ধা, নি শুদ্ধ আৰু কোমল—এই দুয়োটা স্বৰেই ব্যৱহাৰ



কৰা হৈছে। গীতটোৰ প্ৰথমৰ চাৰিটা শাৰীৰ স্বৰ বিন্যাস এই ধৰণৰ—

মা য়া ৰি নী ৰা তি ৰ বু কু ত
সা পা মা পা পা ধা ù পা মা ù
দে খা পা লোঁ তো মা ৰ ছ বি
মা গা মা মা পা মা গা
ধ ৰা দি লা গো প নে আ হি
সা ৰে সা গা পা মা গা মা গা ৰে
হি য়া ৰ কো ণ ত
সা ৰে মা গা ৰে

২০১৯ চনৰ কোনোবা এটা গীতৰ অনুষ্ঠানত জুবিন গাৰ্গে তেওঁৰ মৃত্যুৰ পাছত মায়াৰিনী গীতটি অসমৰ সকলোকে গাবলৈ নিজেই অনুৰোধ জনাইছিল। তেওঁৰ অনুৰোধ, তেওঁৰ প্ৰতি থকা ভাল পোৱা, সন্মান আৰু গীতটোৰ আবেদনময়ী ৰূপটোৰ বাবেই তেওঁৰ মৃত্যুৰ দিনটোৰ পৰা তেওঁৰ চিতাৰ জুই জ্বলি থকালৈকে অসমৰ লাখ লাখ জুবিনপ্ৰেমীৰ মুখে মুখে এই গীতটি সমস্বৰে গুঞ্জৰিত হৈ থকাটোৱে গীতটোৰ আকাশলংঘী জনপ্ৰিয়তাৰ কথাটোকেই সূচাইছে। কেৱল অসমতেই নহয়, সাত সাগৰ তেৰ নদীৰ সিপাৰৰ মানুহেও গীতটি গাই, সুৰসমলয় সৃষ্টি কৰি জুবিন গাৰ্গলৈ শ্ৰদ্ধা জনাইছে। মায়াৰিনী গীতটো এটা সাধাৰণ গীত হৈ নাথাকি ই সকলোৰে বাবে এটা প্ৰাৰ্থনা সংগীত হৈ পৰিল।

গীতটো এখন অসমীয়া কথাছবিৰ এটা গীত আছিল যদিও 'ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন'— কথাংশই জুবিন গাৰ্গৰ জীৱনৰেই যেন বহু কথা কৈ গ'ল ! জুবিন গাৰ্গ নামৰ ল'ৰাটো জনপ্ৰিয় জুবিন গাৰ্গ হোৱাৰ আঁৰতো যে কিমান অলিখিত, অপ্ৰকাশিত কৰুণ কাহিনী লুকাই আছে, সেয়া তেওঁৰ পৰিয়াল অথবা ঘনিষ্ঠ মহলৰ পৰা হয়তো সময়ে সময়ে কিছু কথা আমি জানিব পাৰিম অথবা বহু কথাই কালৰ সোঁতত হেৰাই যাব। জীৱন কালতে কিংবদন্তিত পৰিণত হোৱা জুবিন গাৰ্গৰ কথাৰেই তেওঁক শ্ৰদ্ধা জনালোঁ—


'চুব খুজিলেই মোৰ দুহাতে
দিঠক আঁতৰি সপোন আহে।।' ❖

## মায়াৰিনী গীতটি

মায়াৰিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি
হিয়াৰ কোণত...
তুমি যে মোৰ শুকান মনত
নিয়ৰৰে চেঁচা টোপাল
নামি অহা, ৰ'দৰে নৈ
মোৰ দেহত প্ৰতি পুৱা
ধুমুহাৰ স'তে মোৰ
বহু যুগৰে নাচোন
এন্ধাৰো সঁচা মোৰ
বহু দিনৰে আপোন
নিজানৰ গান মোৰ
শেষ হ'ব
ভাবোঁ তোমাৰ বুকুত।


প্ৰতি শৰতৰ প্ৰভাতী ফুলে
ক'ব তোমাকেই মোৰ কথা
প্ৰতি মেঘালী নিশা জোনে
ক'ব তোমাকেই মোৰ বেথা
ধুমুহাৰ স'তে মোৰ
বহু যুগৰে নাচোন
এন্ধাৰো সঁচা মোৰ
বহু দিনৰে আপোন
নিজানৰ গান মোৰ
শেষ হ'ব
ভাবোঁ তোমাৰ বুকুত।

দুচকুলে তোমাৰ চালে
সপোন আঁতৰি দিঠক নামে
চুব খুজিলেই মোৰ দুহাতে
দিঠক আঁতৰি সপোন আহে



ধুমুহাৰ স'তে মোৰ
বহু যুগৰে নাচোন
এন্ধাৰো সঁচা মোৰ
বহু দিনৰে আপোন
নিজানৰ গান মোৰ
শেষ হ'ব
ভাবোঁ তোমাৰ বুকুত
মায়াৰিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি
হিয়াৰ কোণত...
তুমি যে মোৰ শুকান মনত
নিয়ৰৰে চেঁচা টোপাল
নামি অহা ৰ'দৰে নৈ
মোৰ দেহত প্ৰতি পুৱা। ❖

# জুবিনৰ উক্তি



- মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুখীজনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেই ঈশ্বৰক সেৱা কৰা হয়।
- কিতাপ নথকা জাতিক গামোচাই বচাব নোৱাৰে।
- সংগীতৰ মাধ্যমেৰে মই মোৰ হৃদয়ৰ কথা প্ৰকাশ কৰোঁ আৰু মানুহৰ হৃদয়ত স্থান পাওঁ।
- চৰকাৰ আমিহে বনাওঁ, চৰকাৰে আমাক নবনায়।
- ইণ্ডিয়াৰ যিমান ভাষা আছে পালি, প্ৰাকৃত, সংস্কৃতৰ পৰা আহিছে। সেইটো ভাৰত চৰকাৰে দিব নোৱাৰে। ভাৰত চৰকাৰে আমাক কি স্বীকৃতি দিব? আমি সব দি আছোঁ। আমি তেল দি আছোঁ, আমি চাহ দি আছোঁ, গঁড় দি আছোঁ, জুবিন গাৰ্গ দি আছোঁ। (অসমীয়া ভাষা ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ প্ৰসংগত)
- **Nothing is free, not even your death.**
- মনত ৰাখিব আমি নতুন প্ৰজন্ম হয়। আমি ইচ্ছা কৰিলে দেশ সলাবও পাৰোঁ, জ্বলাবও পাৰোঁ।
- মই মানুহ, মোৰ কোনো জাতি নাই। মোৰ কোনো ধৰ্ম নাই, মোৰ কোনো ভগৱান নাই, মই মুক্ত, মই কাঞ্চনজংঘা।
- কিছুমান টকাৰ ধনী, কিছুমান মনৰ ধনী, মই মনৰ ধনী।
- বেছি ধনী মানুহৰ লগত থাকি লাভ নাই, সঁচা কথা—ধনীয়ে দুখীয়াৰ দুখ নুবুজে।
- বলি কিয় লাগে? বলি নিজক দিয়া। যদিও শক্তিপীঠ হয়, কামাখ্যা মাই বলি নিবিচাৰে। মই সদায় এইটো কৈ আহিছোঁ যে বলি-বিধানটো বন্ধ কৰা।
- প্ৰভু ঈশ্বৰ বুলি কোৱা শব্দটো মই বেয়া পাওঁ। **Buddhism**ত কয়, বুদ্ধই কৈছে, **“You are God, I am not.”** যেতিয়া বুদ্ধই এনেকৈ কয়, তেন্তে আমিবোৰে কিয় কওঁ মই প্ৰভু ঈশ্বৰ?
- মই ইটাবোৰক বিশ্বাস কৰোঁ, অট্টালিকাক নহয়।
- মই যেনেকে আৰ্জন কৰিছোঁ; মই যেনেকে লৈছোঁ, মানুহে মোক দিছে। মই আকৌ মানুহক ঘূৰাই দি থৈ যাম। মোৰ ঘৰ-বাৰী সব মানুহক দি থৈ যাম। মই নিজৰ কাৰণে একো নাৰাখোঁ। অকল চিতাখনৰ বাহিৰে। চিতাখন খালী মানুহে জ্বলাব লাগিব। ❖



# জুবিন গাৰ্গলৈ বিভিন্ন ব্যক্তিৰ শ্ৰদ্ধা জ্ঞাপন

- Shocked by the sudden demise of popular singer Zubeen Garg. He will be remembered for his rich contribution to music. His renditions were very popular among people across all walks of life. Condolences to his family and admirers. Om Shanti.

  –Narendra Modi, Honourable Prime Minister of India

- প্ৰাণৰ শিল্পীগৰাকীৰ অমৰ সংগীতে অসমীয়াৰ আবেগক পোনপটীয়াকৈ সম্পৰ্কিত কৰিব পাৰিছিল আৰু অসমৰ বৈচিত্ৰ্যৰ লগত খাপ খুৱাব পৰাকৈ বিস্তৃত আছিল তেওঁৰ সংগীতৰ গভীৰতা। জন্মগতভাৱে তেওঁ আছিল স্পষ্টবাদী, সাহসী আৰু আপোচহীন জনতাৰ শিল্পী। কিন্তু সকলোৰে উৰ্ধত তেওঁ আছিল দেৱদূত। সকলোৰে বুকুত এক নিগাজি ঘৰ সজা তেওঁ আছিল সৰ্বকালৰ আটাইতকৈ মৰমিয়াল অসমীয়া। জুবিন জীয়াই থাকিব যুগ-যুগান্তৰলৈ প্ৰতি অসমীয়াৰ মন-গহনত, সংগীতানুৰাগীৰ সুৰৰ মাজত।

  —ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম

- জুবিন গাৰ্গ কেৱল এজন গায়কেই নাছিল, আছিল উত্তৰ-পূবৰ এক সাংস্কৃতিক প্ৰতীক। তেওঁ একাধাৰে এজন সংগীতজ্ঞ, অভিনেতা, সামাজিক যোদ্ধা আৰু মানৱদৰদী লোক আছিল। তেওঁ আছিল এগৰাকী প্ৰকৃতিপ্ৰেমী আৰু গভীৰ দেশপ্ৰেমিক।

  —সুধীৰ চৌধুৰী, প্ৰসিদ্ধ সাংবাদিক

- জুবিন গাৰ্গ কেৱল এজন গায়কেই অথবা শিল্পীয়েই নাছিল, তেওঁ জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে এখন নতুন অসম গঢ়াত তেওঁ আগভাগ লৈছিল। জুবিনক অসমৰ এক অন্তঃস্ৰোত বুলি কোৱা হয় যিয়ে অসমত এক নতুন জীৱনধাৰা গঢ় দিছিল।

  —ৰবীশ কুমাৰ, জ্যেষ্ঠ সাংবাদিক

- Zubeen was known not just for his music, his songs, his voice, his legacy that he leaves behind, but also for the immense contribution for his beloved state. He was never "politically correct," fearlessly spoke his mind and took on the powers that be, because he truly wanted to uplift his people and the state of Assam.

  –Mahalakshmi Iyer, famous singer

- জুবিন গাৰ্গে নিজৰ সুললিত কণ্ঠেৰে অসমৰ জনতাৰ হৃদয়ৰ লগত এক আত্মিক সম্পৰ্ক গঢ়ি তুলিছিল। জুবিন গাৰ্গ হ'ল জাতীয় সত্তা।


  —'আজ তক'

- জুবিন গাৰ্গ কেৱল এজন গায়ক অথবা শিল্পীয়েই নাছিল, তেওঁ আছিল অসমৰ ৰাইজৰ হিয়াৰ আমঠু। তেওঁৰ গীত শুনি অসমৰ জনগণে নিজৰ শৈশৱকাল, কৈশোৰ কাল, যৌৱন কাল অতিবাহিত কৰিছিল আৰু কঠিনতা নেওচি জীৱন যুদ্ধত আগ বাঢ়িছিল। অসম তথা ভাৰতৰ বাবে জুবিন আছিল এক আবেগ। সমগ্ৰ অসমবাসীয়ে নিজৰ আপোনজনক হেৰুৱালে।


  —শুভংকৰ মিশ্ৰ, ইউটিউবাৰ, ব্লগাৰ ❖



# বিভিন্ন বৈদ্যুতিন মাধ্যমত জুবিন গাৰ্গৰ বাতৰি




নৰভাৰত টাইমছ




ইণ্ডিয়া টুডে




এ এন আই




ডি এন এ




টাইমছ নাও




চি এন বি চি টিভি ১৮






এন ডি টিভি




নিউজ এক্স




ৰিপাব্লিক




ডি ডি নিউজ




নিউজ ১৮




আজ তক



# বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বাতৰি কাকতত জুবিন গাৰ্গৰ বাতৰি

**THE HINDU**

## Assam's Zubeen Garg cremated with State honours

Thousands of fans followed the ambulance carrying his mortal remains to the cremation spot in Sonapur, 30 km east of Guwahati

**The Statesman**

## Assam lays its heartthrob Zubeen Garg to rest; a legend departs, but his voice lives on

**Hindustan Times**

## Zubeen Garg last rites: Assam bids tearful goodbye to music legend; sister lights pyre, wife breaks down

**THE TIMES OF INDIA**

## What Zubeen Garg meant to Assam: A 30km journey from airport to home turns into a 7-hour pilgrimage

**The Indian EXPRESS**

## Assam after Zubeen Garg, the rebel-artist who became a region's conscience

*Zubeen Garg's songs beat in our pulse, even as his voice has been stilled, and his music reverberates in the hills and plains of our land, in campuses and parks*

**The New York Times**

## *Zubeen Garg, Singer Who Charmed India With a Bollywood Hit, Dies at 52*

Mr. Garg sang in dozens of languages and his music blended folk, pop and rock. His hit song "Ya Ali" was featured in the 2006 film "Gangster."

# বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বাতৰি কাকতত জুবিন গাৰ্গৰ বাতৰি



FRANCE 24

FRANCE · AFRICA · MIDDLE EAST · AMERICAS · EUROPE · ASIA-PACIFIC

## India bids tearful farewell to maverick musician

*Guwahati (India) (AFP)* – Tens of thousands of mourners thronged the streets of India's northeastern Assam state on Tuesday to bid farewell to a flamboyant artiste, celebrated as much for his music as for his irreverent persona.

BBC

## Fans flock to mourn iconic Indian singer Zubeen Garg

**Abhishek Dey** BBC News, Assam

Indian singer-composer Zubeen Garg has been cremated with state honours and a 21-gun salute in Guwahati city in India's north-eastern state of Assam.

THE STRAITS TIMES

## India bids tearful farewell to maverick musician Zubeen Garg

GUWAHATI, India – Tens of thousands of mourners thronged the streets of India's north-eastern Assam state on Sept 23 to bid farewell to a flamboyant artiste, celebrated as much for his music as for his irreverent persona.

SOCIETY | **INDIA**


## Mourners in India celebrate the life of Zubeen Garg

**Kieran Burke** with AFP
09/23/2025

**Huge crowds of mourners gathered to bid farewell to popular singer, Zubeen Garg, who died in a drowning incident in Singapore.**



# ২০ ছেপ্টেম্বৰ ২০২৫ তাৰিখৰ অসমৰ কেইখনমান বাতৰি কাকতৰ প্ৰথম পৃষ্ঠা



দৈনিক অসম

ND24

জাতিৰ সেৱাত উৎসৰ্গিত (৩১) বছৰ

মৃত্যু যদি শিল্প হয় মৃত্যু কিদৰে সুলভ...



অসমীয়া প্ৰতিদিন

ছিংগাপুৰৰ সাগৰত সাঁতুৰিবলৈ গৈ জাতিৰ প্ৰাণৰ শিল্পীৰ আকস্মিক বিদায়

স্তব্ধ অসম কণ্ঠ - স্তম্ভিত অনুৰাগী

মৃত্যু জিনি অমৰ জুবিন

যিদিনা মই মৰিম গোটেই অসমে গাব লাগিব- 'ধুমুহাৰ স'তে মোৰ বন্ধু যুগৰে নাচোন...'

অপ্ৰাণ প্ৰতিভাৰে ৪০টা ভাষাত ৩৮ হেজাৰতো অধিক গীতত কণ্ঠদান জুবিনৰ

জুবিন গাৰ্গৰ মৃত্যুত বলিউডত শোকৰ বন্যা

সৰুসজাই ষ্টেডিয়ামত ৰখা হ'ব জুবিন গাৰ্গৰ নশ্বৰ দেহ

প্ৰিয় শিল্পীৰ কাহিনীপাৰাৰ ঘৰৰ সন্মুখত হেজাৰ হেজাৰ গুণমুগ্ধৰ ভিৰ



নিয়মীয়া বাৰ্তা

সংগীতলৈ চহকী অৱদানে জুবিনক চিৰস্মৰণীয় কৰি ৰাখিব

ছিংগাপুৰৰ লেজাৰ্চ দ্বীপৰ সাগৰত সাঁতুৰি থাকোঁতে হিজাৰত আক্ৰান্ত হৈ মহাপ্ৰয়াণ

আকাশে গাতে ল'ৰৰে মন সাগৰ তলিত গুৰৰে মন...

সমুদ্ৰ বক্ষত চিৰনিদ্ৰাত জুবিন

আজি নিশাৰ ভাগত জুবিন গাৰ্গৰ নশ্বৰদেহ গুৱাহাটীলৈ অনাৰ সম্ভাৱনা

সীমাৰ পৰিধি ভাঙি স্বকীয় ৰূপত উদ্ভাসিত হৈছিল জুবিন গাৰ্গ

মচলা

-ইয়াৰ সহায়ত দৈনন্দিন ৰন্ধন হৈ উঠে বিশেষ

শূন্য জিএছটি

নিৰাপত্তা আৰু ক্ৰয়ক্ষমতাৰ উপহাৰ

LIC



আমাৰ অসম

সাগৰতলিত গুৰলে মন... সেই সাগৰেই কাঢ়ি নিলে মুগ্ধতাকাৰী শিল্পীক

জুবিন যুগৰ অকাল পৰিসমাপ্তি

প্ৰবাসী অসমীয়াৰ প্ৰাইভেট পাৰ্টী এটাৰ শেষত সাগৰত সাঁতুৰিবলৈ গৈ ৰহস্যমৃত্যু

ঘনে ঘনে মুখ্যমন্ত্ৰীৰ ফোন ছিংগাপুৰলৈ, আজি নিশা গুৱাহাটী পাবহি পাৰে নশ্বৰদেহ

আবাল-বৃদ্ধ-বণিতাক কন্দুৱাই ঐশ্বৰিক প্ৰতিভাধৰ, প্ৰাণচঞ্চল 'গ'ল্ডী'ৰ বিদায়

মোদী, ৰাহুল, মমতা, কেজৰিৱালসহ শোকস্তব্ধ ৰাজনৈতিক মহলো

কণ্ঠত ৩০ সহস্ৰাধিক গান, ৪৪ চিনেমাৰ সংগীত পৰিচালনা, আধৰুৱা হৈ ৰ'ল বহু কাম

স্তম্ভিত বলীউড, সংগীত জগত ম্ৰিয়মাণ

Annapurna

Super cow se bana Super ghee

# ২০ ছেপ্টেম্বৰ ২০২৫ তাৰিখৰ অসমৰ কেইখনমান বাতৰি কাকতৰ প্ৰথম পৃষ্ঠা




দৈনিক জনমভূমি

জাতিৰ আবেগ · সমাজৰ বিবেক

ছিংগাপুৰৰ সাগৰৰ পাৰত হঠাৎ নিথৰ হ'ল এটা মায়াময় সুৰ

অবিশ্বাস্য

জুবিন নাই

সকলোজইলে আনিব নশ্বৰ দেহ

বৃহস্পতিবাৰে ছিংগাপুৰত জুবিনে গাইছিল শেষ গীত

প্ৰধানমন্ত্ৰীসহ নেতৃবৰ্গৰ শোক প্ৰকাশ

জুবিন গাৰ্গে প্ৰতিটো প্ৰজন্মক সংগীতৰ যাদুৰে মোহাচ্ছন্ন কৰি ৰাখিছিল ঃ মুখ্যমন্ত্ৰী

দ্বিতীয় এজন জুবিন গাৰ্গ নোলাব

যোৰহাটত জুবিনৰ মঞ্চৰ প্ৰথম অনুষ্ঠানটো






The Assam Tribune

87 years of service to the nation

Zubeen Garg no more

Music and cultural icon dies after freak swimming accident in Singapore






দৈনিক অগ্ৰদূত

পূৰ্বাকাশত সূৰ্যাস্ত

মানুহৰ হৃদয়ত ধুমুহাৰ সৃষ্টি কৰিয়েই গ'লগৈ জুবিন

বুধবাৰে বোবাৰী পুৱা কাহিলীপাৰাৰ ষ্টেপ পৰা ওলাই গৈছিল

মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই, মই মুক্ত ঃ স্পষ্টবাদী জুবিন

কোনেও আৰোগ্য কৰিব নোৱাৰা এটা বিষ হৃদয়ত এৰি গ'ল!

জুবিন গাৰ্গৰ মৃত্যুৰ বাবে দায়ী শ্যামকানু মহন্ত!

শিল্পী সত্তাৰ সমানে উদাৰ মনৰ বাবেও সহস্ৰজনৰ হৃদয়ত

যোৰহাটৰ ঘৰলৈ আহিলেই পাইন গছজোপাক সাৱটি ধৰিছিল জুবিনে


অসমীয়া খবৰ

চিৰনিদ্ৰাত সংগীতৰ ঈশ্বৰ হাৰ্টথ্ৰব জুবিন গাৰ্গ

সাগৰতলিত হেৰাল গানৰ পৃথিৱী

সংগীতৰ ক্ষেত্ৰত জুবিন গাৰ্গৰ অৱিহণা অবিস্মৰণীয় হৈ ৰ'ব

'অনামিকা'ৰ পৰা 'য়া আলী', এলবামৰ পৰা ছবিলৈ অসংখ্য গীতৰে চিৰ সেউজ কৰি থৈ গ'ল সংস্কৃতিৰ বৰপথাৰ

ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন... ৰাজ্যজুৰি কেৱল উচুপনি ঃ লতাশিলত শ্ৰদ্ধা

আজি গুৱাহাটীলৈ জুবিনৰ নশ্বৰ দেহ, সকলোজইত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

জুবিনৰ নামত বেপাৰ কৰা শ্যামকানু মহন্তক গ্ৰেপ্তাৰ কৰক

কৈশোৰৰ সোণোৱালী সময় পাৰ কৰা যোৰহাটৰ প্ৰতি অহেতুক টান আছিল জুবিনৰ

ৰাজ্যপাল-সোণোৱাল-পাপন-বিজেপি-অগপ-কংগ্ৰেছ-আজসু-চিপিআই (এম)ৰ শোকপ্ৰকাশ

## এছিয়া কাপ হকীত ভাৰত চেম্পিয়ন




যোৱা ২৯ আগষ্টৰ পৰা ৭ ছেপ্টেম্বৰলৈ ৰাজগীৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ চূড়ান্ত খেলত ভাৰতে চেম্পিয়নৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয়। ১২ সংখ্যক এই প্ৰতিযোগিতাত ভাৰতে যোৱা বৰ্ষৰ ডিফেণ্ডিং চেম্পিয়ন দক্ষিণ কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাজিত কৰি খিতাপ দখল কৰে। মুঠ ৮টা দলে অংশগ্ৰহণ কৰা তথা মুঠ ২৪খন খেল অনুষ্ঠিত হোৱা এই বৰ্ষৰ প্ৰতিযোগিতাত ভাৰতৰ অভিষেক নাইন শ্ৰেষ্ঠ খেলুৱৈৰূপে সন্মানিত হয়। ২০১৭ চনত বাংলাদেশক হৰুৱাই ভাৰতে অন্তিমবাৰ এছিয়া কাপ হকীৰ খিতাপ অৰ্জন কৰিছিল।

## দেশৰ নতুন উপ-ৰাষ্ট্ৰপতি চিপি ৰাধাকৃষ্ণণ



যোৱা ৯ ছেপ্টেম্বৰত অনুষ্ঠিত উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনত শাসনাধিষ্ঠ এনডিএ সমৰ্থিত প্ৰাৰ্থী চিপি ৰাধাকৃষ্ণণে বিজয় সাব্যস্ত কৰে। তেওঁ বিৰোধী 'ইণ্ডিয়া' মিত্ৰ জোঁটৰ প্ৰাৰ্থী উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডিক ১৫২টা ভোটৰ ব্যৱধানত পৰাজিত কৰি দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়। যোৱা ২১ জুলাইত তদানীন্তন উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে পদত্যাগ কৰাৰ পৰিপ্ৰেক্ষিতত এই নিৰ্বাচন অনুষ্ঠিত কৰাটো জৰুৰী হৈ পৰিছিল। নৱনিযুক্ত উপ-ৰাষ্ট্ৰপতি চিপি ৰাধাকৃষ্ণণৰ সম্পূৰ্ণ নাম হৈছে চন্দ্ৰাপুৰম পোনুস্বামী ৰাধাকৃষ্ণণ আৰু তেওঁক ১২ ছেপ্টেম্বৰ তাৰিখে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে উপ-ৰাষ্ট্ৰপতি আৰু ৰাজ্যসভাৰ অধ্যক্ষ হিচাপে শপত গ্ৰহণ কৰোৱায়।

## সামগ্ৰী আৰু সেৱা কৰ (জিএছটি-GST) ব্যৱস্থাৰ সংস্কাৰ

যোৱা ৩ ছেপ্টেম্বৰ তাৰিখে অনুষ্ঠিত সামগ্ৰী আৰু সেৱা কৰ (জিএছটি) পৰিষদৰ ৫৬ সংখ্যক পূৰ্ণাংগ বৈঠকত দেশত বলবৎ হৈ থকা 'সামগ্ৰী আৰু সেৱা কৰ' ব্যৱস্থাৰ আমূল সংস্কাৰত অনুমোদন জনোৱা হয়। প্ৰচলিত ব্যৱস্থাৰ সংস্কাৰ কৰি মূলতঃ দুই তৰপীয়া ৫ শতাংশ আৰু ১৮ শতাংশ কৰৰ স্তৰৰ কথা ঘোষণা কৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। তদুপৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে বিলাসী সামগ্ৰীৰ ক্ষেত্ৰত ৪০ শতাংশ কৰৰ এটা বিশেষ স্তৰ থাকিব বুলি প্ৰকাশ কৰে। এই সংস্কাৰত পূৰ্বৰ ৫, ১২, ১৮ আৰু ২৮ শতাংশৰ স্তৰ সৰলীকৰণ কৰি নতুনকৈ ক্ৰমে ৫ আৰু ১৮ শতাংশ কৰা হৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণৰ অধ্যক্ষতাত অনুষ্ঠিত পূৰ্ণাংগ বৈঠকত মুঠ ১৭৫বিধ সামগ্ৰী তথা সেৱাৰ দাম হ্ৰাস কৰিবৰ বাবে সিদ্ধান্ত লোৱা হয়। সংস্কাৰৰ ফলস্বৰূপে উপকৃত হ'বলগীয়া মূল ৮খন ক্ষেত্ৰ হ'ল—বস্ত্ৰ উদ্যোগ, সাৰ, নৱীকৰণ যোগ্য শক্তি, অটোম'টিভ, হস্ত নিৰ্মিত সামগ্ৰী, কৃষিক্ষেত্ৰ, স্বাস্থ্য আৰু বীমাক্ষেত্ৰ। ১২ শতাংশৰ পৰা ৫ শতাংশ কৰৰ স্তৰত অন্তৰ্ভুক্ত কেইবিধমান সামগ্ৰী হৈছে কাৰ্পেট, ছাতি, চাইকেল, বাচন-বৰ্তন, পেন্সিল, কপাহ, মৰাপাট, পেকেট গাখীৰ, শুকান ফলমূল, পাস্তা, জাম, নিমখীয়া ভুজিয়া ইত্যাদি। নতুন কৰ স্তৰত বিলাসী সামগ্ৰী, যেনে—উচ্চ মূল্যৰ বাহন, সুৰা, জুৱাখেল, শীতল পানীয়, চিগাৰেট, জৰ্দা, লটাৰী, কয়লা ইত্যাদিত ৪০ শতাংশ কৰ আৰোপ কৰা হৈছে।

আনহাতে জিএছটি শূন্য হ'ব বুলি ঘোষণা কৰা দ্ৰব্য-সামগ্ৰী আৰু সেৱা কেইবিধমান হৈছে—বুট, পনীৰ, পাউডাৰ, গাখীৰ, স্বাস্থ্য আৰু জীৱন বীমাকে ধৰি ৩৩বিধ জীৱনদায়িনী ঔষধ। ২২ ছেপ্টেম্বৰ তাৰিখৰ পৰা এই নতুন জিএছটি ব্যৱস্থা সমগ্ৰ দেশতে বলবৎ কৰা হৈছে।

## প্ৰধানমন্ত্ৰী মোডীৰ অসম ভ্ৰমণ ড° ভূপেন হাজৰিকা স্মাৰক মুদ্ৰা মুকলি

ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠান তথা অন্যান্য কাৰ্য্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচী লৈ যোৱা ১৩ ছেপ্টেম্বৰ তাৰিখে






প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী গুৱাহাটীত উপস্থিত হয়। খানাপাৰাত ৰাজ্য চৰকাৰৰ উদ্যোগত অনুষ্ঠিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ড° ভূপেন হাজৰিকাক ভাৰতৰ অখণ্ডতা আৰু একতাৰ মহানায়ক বুলি অভিহিত কৰে। সংগীতৰ একনিষ্ঠ সাধক ড° হাজৰিকাই ভাৰতৰ আবেগ, অনুভূতি আৰু চিৰন্তন আদৰ্শক সুৰ আৰু শব্দেৰে প্ৰতিফলিত কৰা বুলি মত প্ৰকাশ কৰি সুধাকণ্ঠৰ এই অমৰ সৃষ্টি বিশ্বৰ চুকে-কোণে অনন্ত কাললৈ প্ৰবাহিত হৈ থাকিব বুলি দোহাৰে। ভাষণত উত্তৰ-পূৰ্বাঞ্চলৰ কলা-সংস্কৃতি, প্ৰাকৃতিক সৌন্দৰ্য্য দেশৰ বাবে সদায় অমূল্য সম্পদ বুলি তেওঁ মন্তব্য কৰে। উক্ত অনুষ্ঠানতে প্ৰধানমন্ত্ৰীগৰাকীয়ে অনুৰাধা শৰ্মা পূজাৰীয়ে ৰচনা কৰা 'ভাৰতৰত্ন ভূপেন হাজৰিকা—গীতৰ চিত্ৰকৰ, সুৰৰ ভাস্কৰ' শীৰ্ষক জীৱনী গ্ৰন্থখন উন্মোচন কৰে। সুধাকণ্ঠৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা ড° ভূপেন হাজৰিকাৰ ছবি সম্বলিত ১০০ টকা মূল্যৰ এটা স্মাৰক মুদ্ৰা প্ৰধানমন্ত্ৰীগৰাকীয়ে মুকলি কৰে। সুধাকণ্ঠ ড° হাজৰিকাই অসমৰ ইতিহাসত স্মাৰক মুদ্ৰা মুকলি হোৱা প্ৰথমগৰাকী ব্যক্তিৰূপে স্বীকৃতি লাভ কৰিছে।

১৪ ছেপ্টেম্বৰ তাৰিখে প্ৰধানমন্ত্ৰীগৰাকীয়ে মঙলদৈত দৰং মেডিকেল কলেজ, নাৰ্চিং কলেজ, গুৱাহাটী ৰিং ৰোড আৰু কুৰুৱা-নাৰেংগী সংযোগী ব্ৰহ্মপুত্ৰ নদীৰ দলঙৰ আধাৰশিলা স্থাপন কৰে। দুখন ৰাজহুৱা সভা সম্বোধন কৰাৰ উপৰি তেওঁ নুমলীগড়ত ভাৰতৰ প্ৰথমটো বায়'ৰিফাইনেৰী (bio-refinery) প্ৰকল্প উদ্বোধন কৰে তথা প'লিপ্ৰপাইলিন (polypropylene) উৎপাদন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

## ছাংহাই সহযোগিতা সংস্থাৰ (SCO) শীৰ্ষ সন্মিলনৰ সফল সামৰণি

যোৱা ৩১ আগষ্টৰ পৰা ১ ছেপ্টেম্বৰলৈ চীনৰ টিয়ানজিনত (Tianjin) অনুষ্ঠিত ২৫ সংখ্যক ১০ দেশবিশিষ্ট ছাংহাই সহযোগিতা সংস্থাৰ (Shanghai Cooperation Organization) পূৰ্ণাংগ শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অংশগ্ৰহণ কৰে। সন্মিলনত প্ৰধানমন্ত্ৰী মোডীয়ে ভাষণ প্ৰদান কৰি সন্ত্ৰাসবাদক কঠোৰ ভাষাৰে নিন্দা কৰে আৰু পেহেলগাম আক্ৰমণৰ বিষয়ে উল্লেখ কৰে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত দুমুখীয়া নীতি সহ্য কৰা নহ'ব বুলি কৈ সন্ত্ৰাসবাদে সমগ্ৰ বিশ্বকে ক্ষতি কৰা বুলি দোহাৰে। শীৰ্ষ সন্মিলনত যোৱা ২২ এপ্ৰিলৰ জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী নৰসংহাৰৰ তীব্ৰ নিন্দা কৰি ঘোষণা পত্ৰ জাৰি কৰা হয়। এই সংস্থাটোৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগী আৰু নীতি তিনিটা গুৰুত্বপূৰ্ণ স্তম্ভ, যেনে—নিৰাপত্তা (security), যোগাযোগ (communication) আৰু সুযোগৰ (opportunity) ওপৰত আধাৰিত বুলি দাবী কৰে।

প্ৰথমদিনাৰ মূল সন্মিলনৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোডী আৰু চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং (Xi Jinping) এঘণ্টাজোৱা দ্বিপাক্ষিক বৈঠকত মিলিত হৈ পূৰ্বৰ সকলো তিক্ততা পাহৰি দুয়োজন নেতাই চীন-ভাৰত প্ৰতিদ্বন্দ্বী নহয়, পৰস্পৰ অংশীদাৰ বুলি ঘোষণা কৰে। তদুপৰি ভাৰতৰ প্ৰধানমন্ত্ৰী মোডী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ মাজতো দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয় আৰু জটিলতম মুহূৰ্তত ভাৰত আৰু ৰাছিয়াই সদায় একেলগে থিয় দিয়াৰ বাবে সংকল্প লয়। বৈঠকত মোডীয়ে ইউক্ৰেইন যুদ্ধ শীঘ্ৰে সামৰণি ঘটাবলৈ ৰাছিয়াক আহ্বান জনায় তথা নতুন দিল্লী আৰু মস্কোৰ মাজৰ সহযোগিতা, বিশ্ব শান্তি, সুস্থিৰতা আৰু সমৃদ্ধিৰ বাবে গুৰুত্বপূৰ্ণ বুলি দুয়োগৰাকী নেতাই ঘোষণা কৰে। সন্মিলনত ব্ৰিকছ (BRICS) ৰাষ্ট্ৰৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰই বলবৎ কৰা বৈষম্যমূলক নিষেধাজ্ঞাৰ বিৰোধিতা কৰা হয়।

## নেপালত গণ বিদ্ৰোহ সুশীলা কাৰ্কী নতুন প্ৰধানমন্ত্ৰী

নেপালত চৰকাৰে সামাজিক মাধ্যম (social media) নিষিদ্ধ ঘোষণা কৰাৰ বিৰুদ্ধে নৱপ্ৰজন্মই যোৱা ৮ ছেপ্টেম্বৰ তাৰিখে আৰম্ভ কৰা প্ৰবল গণ বিদ্ৰোহত সমগ্ৰ দেশখনৰ জনজীৱন স্তব্ধ হৈ পৰে।



আন্দোলনকাৰীসকলে চৰকাৰে নিজৰ সীমাহীন দুৰ্নীতি ঢাকি ৰাখিবৰ বাবে সামাজিক মাধ্যমসমূহ বন্ধ কৰা বুলি দাবী কৰি চৰকাৰ বিৰোধী কাৰ্য্যকলাপত লিপ্ত হৈ পৰে। উল্লেখযোগ্য যে ১৯৯৭ চনৰ পৰা ২০১০ চনৰ ভিতৰত জন্মগ্ৰহণ কৰা প্ৰজন্মক জেন-যি (GEN-Z) অথবা জেনেৰেছন-যি বুলি অভিহিত কৰা হয়। নৱপ্ৰজন্মই নেতৃত্ব দিয়া এই গণ বিদ্ৰোহত সমগ্ৰ নেপালত বিক্ষোভে হিংসাত্মক ৰূপ ধাৰণ কৰে। গণ বিদ্ৰোহীসকলে সংসদ ভৱন, ৰাষ্ট্ৰপতি ভৱন, বিভিন্ন মন্ত্ৰীৰ বাসভৱন, কাৰ্য্যালয়, হোটেল আদি জ্বলাই দিয়ে, যাতায়াত ব্যৱস্থা বন্ধ কৰি দিয়ে। চৰকাৰে বিদ্ৰোহ দমন কৰিবলৈ সেনাবাহিনী নিয়োগ কৰে যদিও বিফল হয়। গণ বিদ্ৰোহত নতশিৰ হৈ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে ১০ ছেপ্টেম্বৰত পদত্যাগ কৰি আত্মগোপন কৰে আৰু সেনাবাহিনীৰ মুৰব্বী অশোক ৰাজ ছিগদেলে শাসনৰ দায়িত্ব গ্ৰহণ কৰি দেশত সান্ধ্য আইন জাৰি কৰে। চৰকাৰৰ বিক্ষোভ বিৰোধী অভিযানত প্ৰায় ৬০ জন লোক নিহত হয় আৰু ৩০০ লোক আহত হয়।

সেনাপ্ৰধান ছিগদেল, ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌডেল আৰু আন্দোলনকাৰী ছাত্ৰ-নেতাসকলৰ মাজত হোৱা ত্ৰিপাক্ষিক আলোচনা মৰ্মে আন্দোলন স্থগিত ৰখা হয় আৰু নিৰপেক্ষ চৰকাৰ গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। দেশৰ উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ নিকা ভাবমূৰ্তিৰ ৭৩ বছৰীয়া সুশীলা কাৰ্কীয়ে সৰ্বসন্মতিক্ৰমে ১২ ছেপ্টেম্বৰত দেশখনৰ অন্তৰ্বৰ্তীকালীন প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰীয় সংসদ ভংগ কৰে আৰু সামাজিক মাধ্যমৰ ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰে।

## কাটাৰকে ধৰি ছখন দেশত ইজৰাইলৰ আক্ৰমণ

যোৱা ৯ ছেপ্টেম্বৰত ইজৰাইলে হামাছৰ নেতাসকলক হত্যা কৰিবৰ বাবে কাটাৰকে ধৰি ছখন মুছলমানপ্ৰধান দেশত আচম্বিতে আক্ৰমণ কৰি ধ্বংসযজ্ঞ আৰম্ভ কৰে। ইজৰাইলে ৭২ ঘণ্টাৰ ভিতৰত কাটাৰৰ উপৰি গাজা, চিৰিয়া, লেবানন, য়েমেন আদি দেশত অতৰ্কিতে আক্ৰমণ কৰি পেলেষ্টাইনকেন্দ্ৰিক হামাছক নিৰ্মূল কৰিবৰ বাবে চেষ্টা কৰে।

## 'এডুকেট গাৰ্লছ'লৈ ৰামণ মেগছেছে বঁটা




যোৱা ৩১ আগষ্ট তাৰিখে ভাৰতৰ 'এডুকেট গাৰ্লছ' (Educate Girls) নামৰ বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠানটোক ২০২৫ বৰ্ষৰ 'ৰামণ মেগছেছে' (The Ramon Magsaysay) বঁটা আগ বঢ়োৱাৰ কথা ৰামণ ফাউণ্ডেছনে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বিদ্যালয়লৈ যাব নোৱৰা ভাৰতৰ দূৰৱৰ্তী ভিতৰুৱা গাঁওসমূহৰ ছোৱালী-মহিলাসকলক বিনামূলীয়াকৈ দি অহা শিক্ষা আৰু নেতৃত্বৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হৈছে। 'লণ্ডন স্কুল অৱ ইক'নমিক্স'ৰ স্নাতক চাফিনা হুছেইনে ২০০৭ চনত স্থাপন কৰা এই স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে প্ৰথমতে ৰাজস্থানত নিজৰ অভিযান আৰম্ভ কৰিছিল। সম্প্ৰতি চাফিনা নেতৃত্বাধীন অনুষ্ঠানটোৱে ভাৰতৰ ৩০ হাজাৰ গাঁৱৰ প্ৰায় ২০ লাখ ছোৱালী-মহিলাক সামৰি ল'ব পাৰিছে আৰু ২০১৫ চনৰ পৰা 'প্ৰগতি' নামৰ মুক্ত অনলাইন বিদ্যালয়ো স্থাপন কৰি শিক্ষা বিস্তাৰত ব্ৰতী হৈ আছে। 'এডুকেট গাৰ্লছ'ৰ উপৰি এই বৰ্ষত বঁটা লাভ কৰা আন

বঁটাপ্ৰাপক দুজন হৈছে মালদ্বীপৰ পৰিবেশকৰ্মী চাহিনা আলী আৰু ফিলিপিনছৰ সমাজকৰ্মী ফ্লেভিনা এণ্ট'নিঅ'। ফিলিপিনছৰ ৰাষ্ট্ৰপতি ৰামণ মেগছেছেৰ সোঁৰৰণত ১৯৫৮ চনৰ পৰা আন্তৰ্জাতিক বুজাপৰা, সাংবাদিকতা, সাহিত্য, সমাজসেৱা, নেতৃত্ব আদি বিষয়ত এই বঁটা প্ৰদান কৰি অহা হৈছে। ৬৭ সংখ্যক এই বৰ্ষৰ বঁটা অহা ৭ নৱেম্বৰ তাৰিখে মেনিলাত প্ৰদান কৰা হ'ব।

## বিটিচিৰ নিৰ্বাচনত বি পি এফৰ একক সংখ্যাগৰিষ্ঠতা লাভ

যোৱা ১১ ছেপ্টেম্বৰ তাৰিখে ৪০ জনীয়া বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ (Bodoland Territorial Council-BTC) পঞ্চম নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। মুঠ ৩৯৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা তথা কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজত অনুষ্ঠিত এই নিৰ্বাচনত ভোটদানৰ হাৰ আছিল প্ৰায় ৮০ শতাংশ। নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰধান প্ৰতিদ্বন্দ্বী ৰাজনৈতিক দলকেইটা আছিল—শাসকীয় ইউপিপিএল, বিপিএফ, বিজেপি আৰু ভাৰতীয় জাতীয় কংগ্ৰেছ। ওদালগুৰি, তামুলপুৰ, বাক্সা, চিৰাং আৰু কোকৰাঝাৰ জিলা সামৰি অনুষ্ঠিত এই বৰ্ষৰ নিৰ্বাচন মুঠ ৩৩৫৯টা ভোট কেন্দ্ৰত অনুষ্ঠিত হৈছিল আৰু নিৰ্বাচনৰ ফলাফল ২৭ ছেপ্টেম্বৰত ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি বিপিএফ (BPF) দলে ২৮ খন আসন লাভ কৰাৰ বিপৰীতে শাসকীয় দল ইউপিপিএলে (UPPL) ৭খন আৰু বিজেপিয়ে ৫ খন আসন লাভ কৰে। এই নিৰ্বাচনত জাতীয় কংগ্ৰেছ দলে এখনো আসন লাভ কৰিব নোৱাৰিলে।

## এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়ন ভাৰত

যোৱা ২৮ ছেপ্টেম্বৰ তাৰিখে ডুবাইত অনুষ্ঠিত এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চূড়ান্ত খেলত ভাৰতে চিৰপ্ৰতিদ্বন্দ্বী পাকিস্তানক পৰাজিত কৰি চেম্পিয়নৰ খিতাপ দখল কৰে। পাকিস্তানে প্ৰথমে বেটিং কৰি ১৯.১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৪৬ ৰান কৰাৰ বিপৰীতে ভাৰতে ১৯.৪ অভাৰত পাঁচটা উইকেট হেৰুৱাই ১৫০ ৰান কৰি বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে যোৱা ৯ ছেপ্টেম্বৰৰ পৰা ২৮ ছেপ্টেম্বৰলৈ ১৭ সংখ্যক পুৰুষৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতা সংযুক্ত আৰব আমীৰ শ্বাহীত অনুষ্ঠিত হয়। ডুবাই আৰু আবুধাবিত টি-২০ ফৰমেটত অনুষ্ঠিত এই বৰ্ষৰ প্ৰতিযোগিতাত মুঠ ৮টা দলে ১৯ খন মেচত অংশগ্ৰহণ কৰে। যোৱা বৰ্ষৰ চেম্পিয়ন ভাৰতে প্ৰতিযোগিতাৰ আটাইকেইখন খেলতেই জয়লাভ কৰে আৰু ভাৰতৰ বেটাৰ অভিষেক শৰ্মা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয়। চূড়ান্ত বিজয়ী ভাৰতে পুৰস্কাৰ হিচাপে ট্ৰফীৰ লগতে নগদ ২.৬০ কোটি টকাৰ পুৰস্কাৰ লাভ কৰে। আনহাতে ১৩ সংখ্যক মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা ৩০ ছেপ্টেম্বৰৰ পৰা ২ নৱেম্বৰলৈ ভাৰত আৰু শ্ৰীলংকাৰ পাঁচখন চহৰত ৮টা দলৰ মাজত (৩১খন খেল) অনুষ্ঠিত হৈ আছে। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, ছেপ্টেম্বৰ, ২০২৫

১। দাদাভাই নৌৰজী

২। দিব্যা দেশমুখ। দবাত গ্ৰেণ্ডমাষ্টাৰ খিতাপ দখল কৰা চতুৰ্থগৰাকী ভাৰতীয় মহিলা।

৩। চি এন ৰাও

৪। ছাৰে জাহা চে আচ্ছা

৫। ডাকৰৰ্থ লিৰিছ পদ্ধতিৰ ❖



## খবৰৰ লেছেৰি বোটলা

**(২১ আগষ্ট, ২০২৫ ৰ পৰা ২০ ছেপ্টেম্বৰ, ২০২৫লৈ)**

২৩ **আগষ্ট :** আইপিএছ বিষয়া অনিশ দয়াল সিঙক ভাৰতৰ উপ-ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা হিচাপে নিযুক্তি দিয়া হয়।

২৬ **আগষ্ট :** ভাৰতীয় দ্ৰব্য-সামগ্ৰীৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰই আৰোপ কৰা ৫০ শতাংশ শুল্ক বলবৎ হয়।

- কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত অসমৰ ভাৰনা গগৈয়ে ৫৮ কেজি শাখাত (মহিলা) স্বৰ্ণপদক লাভ কৰে।

২৯ **আগষ্ট :** অসম চৰকাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত প্ৰাক্তন মুখ্যমন্ত্ৰী, শ্ৰমিক নেতা গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকী পালন কৰে।

- ৰাজহুৱা স্থানত বাহন চলাচল নকৰিলে (নচলালে) কৰ আৰোপ কৰিব নোৱাৰিব বুলি উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰে।

৩০ **আগষ্ট :** পেৰিছত অনুষ্ঠিত বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতৰ সাত্বিকৰাজ ৰেংকিৰেড্ডী আৰু চিৰাগ শেট্টীয়ে ব্ৰঞ্জৰ পদক দখল কৰে।

১ **ছেপ্টেম্বৰ :** কাবুলত হোৱা বিধ্বংসী ভূমিকম্পত প্ৰায় ১৫০০ লোকৰ প্ৰাণহানি হয়।

৩ **ছেপ্টেম্বৰ :** জাপানৰ ওচাকাত অনুষ্ঠিত বিশ্ব এক্সপ'ত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ কৰ্মৰাজিৰ সম্প্ৰচাৰ কৰা হয়।

- অসমত অভিৰুচি ক্ৰীড়া দিৱস পালন কৰা হয় আৰু প্ৰথমবাৰৰ বাবে আৰম্ভ কৰা 'অৰ্জুন ভোগেশ্বৰ বৰুৱা ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা' অলিম্পিক বঁটাবিজয়ী মনু ভাকেৰ, লাভলীনা বৰগোহাঁই আৰু সুনীল চেত্ৰীক প্ৰদান কৰা হয়।

৪ **ছেপ্টেম্বৰ :** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, উত্তৰ কোৰিয়াৰ ৰাষ্ট্ৰপ্ৰধান কিম জং উনসহ মুঠ ২০ জন ৰাষ্ট্ৰপ্ৰধানৰ উপস্থিতিত চীনে দ্বিতীয় বিশ্বযুদ্ধৰ বিজয় দিৱস বেইজিঙত পালন কৰে।

৫ **ছেপ্টেম্বৰ :** ভাৰতত ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা ১০০ কোটি অতিক্ৰম কৰা বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

৬ **ছেপ্টেম্বৰ :** আধাৰক ভোটাৰ তালিকাৰ ক্ষেত্ৰত বৈধ নথি বুলি উচ্চতম ন্যায়ালয়ে ঘোষণা কৰে।

৭ **ছেপ্টেম্বৰ :** ৩৪২ ৰানৰ বৃহৎ ব্যৱধানত এদিনীয়া ক্ৰিকেটত জয়লাভ কৰি ইংলণ্ডে (দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে) বিশ্ব অভিলেখ গঢ়ে।

- জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইশ্বিবাই পদত্যাগ কৰে।
- আৰিনা চাবালাংকাই একেৰাহে দ্বিতীয়বাৰৰ বাবে ইউ এছ অপেন টেনিছৰ চেম্পিয়নৰ খিতাপ দখল কৰে।

৮ **ছেপ্টেম্বৰ :** ভাৰত আৰু উপসাগৰীয় সহযোগিতা পৰিষদৰ মাজত নিৰাপত্তা, বাণিজ্য, স্বাস্থ্য, সংস্কৃতি আদি বিষয়ত সহযোগিতাৰ বাবে বুজাবুজি হয়।

৯ **ছেপ্টেম্বৰ :** সংসদত অনাস্থা প্ৰস্তাৱ ভোটত পৰাজিত হৈ ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী ফ্ৰন্সোৱাঁ বাইৰুৱে পদত্যাগ কৰে।

১০ **ছেপ্টেম্বৰ :** সংবিধানেই ভাৰতৰ মূল ৰক্ষাকৱচ বুলি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিআৰ গবায়ে ৰায়দান কৰে।

১১ **ছেপ্টেম্বৰ :** ভাৰতে মৰিচাছক ৫৮০০ কোটি টকাৰ অৰ্থসাহায্য প্ৰদান কৰাৰ কথা ঘোষণা কৰে আৰু দেশখনৰ লগত সাতখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে।

১২ **ছেপ্টেম্বৰ :** আলবেনিয়াই বিশ্বত প্ৰথমবাৰৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা নিৰ্মিত মন্ত্ৰীক (দুৰ্নীতি ৰোধ কৰিবলৈ) নিযুক্তি দিয়ে।

১৪ **ছেপ্টেম্বৰ :** লিভাৰপুলত অনুষ্ঠিত বিশ্ব বক্সিং চেম্পিয়নশ্বিপত ভাৰতৰ জেচমিন লেম্প'ৰিয়া আৰু মিনাক্ষী হুদাই সোণৰ পদক অৰ্জন কৰে।

১৬ **ছেপ্টেম্বৰ :** গাজাত ইজৰাইলে চলোৱা অভিযানক ৰাষ্ট্ৰসংঘই গণহত্যা বুলি আখ্যা দিয়ে।

১৭ **ছেপ্টেম্বৰ :** আইএফএছ বিষয়া বৰপেটাৰ গৌৰাংগলাল দাসক দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হয়।


**১৯ ছেপ্টেম্বৰ : অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৫২ বছৰ বয়সত দেহাৱসান ঘটে। ❖**

**■ সংগ্ৰহ : কুশল গোস্বামী**



# মহাত্মা নামৰ গান্ধীজন

■ অভিজিত শৰ্মা বৰুৱা



ভাৰতত, আৰু হয়তো আন দেশতো, গান্ধী উপাধিৰ মানুহ বহুত আছে। আমাৰ ভাৰতৰে প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰীৰ নাম আছিল—ইন্দিৰা গান্ধী। কিন্তু গান্ধী বুলিলে এতিয়াও আমি মহাত্মা গান্ধীকে বুজোঁ। গান্ধীজী বুলিলেতো কথাই নাই, কাৰো এচিকুটো ভুল নহয়। তেওঁৰ আচল নাম যে মোহনদাস কৰমচাঁদ গান্ধী—সেয়া বোধহয় তেওঁৰ জীৱনী লিখোঁতে বা ৰচনা লিখোঁতেহে ব্যৱহৃত হয়।

কুৰি শতিকাৰ শ্ৰেষ্ঠ বিজ্ঞানী হিচাপে অভিহিত এলবাৰ্ট আইনষ্টাইনে সেইজন মহান ব্যক্তিৰ মৃত্যুৰ পাছত তেওঁৰ বিষয়ে কৈছিল—"বিশ্বৰ ভৱিষ্যৎ পুৰুষে বিশ্বাস কৰিবলৈ টান পাব যে এনে এজন লোকে সঁচাকৈয়ে এই পৃথিৱীত বিচৰণ কৰি ফুৰিছিল।" এতিয়া প্ৰকৃতাৰ্থতে সেই মানুহজনক দেখা নোপোৱা বা লগ নোপোৱা আমাৰ উত্তৰপুৰুষৰ বাবে তেওঁৰ আদৰ্শ আৰু জীৱনধাৰা অবিশ্বাস্য হৈয়ে ধৰা দিছে। এনে ধৰণৰ কোনো ব্যক্তি যদি সঁচাকৈ নাথাকিলেহেঁতেন আৰু কোনোবাই যদি কল্পনা কৰি এনে এজন লোকৰ এই কাহিনী লিখিলেহেঁতেন, মানুহে সেই লেখকক অতিকল্পনাৰ দোষত অভিযুক্ত কৰি ক'লেহেঁতেন—"বিশ্বাস নহয় দেই !" কিন্তু মহাত্মা গান্ধী হ'ল এক বাস্তৱ সত্য।

গান্ধীজীৰ যি বিশাল ব্যক্তিত্ব, তাক বুজাবলৈ প্ৰকৃততে 'মহাত্মা' শব্দটো সম্পূৰ্ণ অৰ্থবহ নহয়। তেওঁ তাৰো বহু ওপৰত। কিন্তু তেওঁ কিয় মহাত্মা বা তাতোকৈও বেছি? সেই কথাও আলোচনা কৰাৰ প্ৰয়োজন আছে।

গান্ধীজীৰ মতে ইশ্বৰ হ'ল সত্য। আৰু সত্যৰ ৰাস্তা হ'ল অহিংসাৰ যোগেদি। তেওঁ নিজৰ কথা, কাম, আদৰ্শেৰে সেয়া সাব্যস্ত কৰিছিল। যদিও মহাত্মা গান্ধী অহিংসা মন্ত্ৰৰ পূজাৰী আছিল, তেওঁ কিন্তু এই অহিংসা নীতিৰ আৱিষ্কাৰক নাছিল। ভাৰতীয় সংস্কৃতিত অহিংসা, নিষ্ক্ৰিয় প্ৰতিৰোধ আদি ধাৰণাৰ ইতিহাস অতি পুৰণি। কিন্তু তেওঁ আছিল ভাৰতৰ তথা বিশ্বৰ প্ৰথমজন লোক, যি এই অহিংসা নীতিক ৰাজনীতিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিছিল।

সত্য আৰু অহিংসাৰ ভক্ত মহাত্মা গান্ধীয়ে তেওঁৰ ব্যক্তিগত আৰু ৰাজহুৱা কামত নীতিৰ পৰা কেতিয়াও বিচ্যুত হোৱা নাছিল। তেওঁ যেনেকৈ বৃটিছে চলোৱা হিংসাত্মক ঘটনা, অত্যাচাৰ আদিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল, তেনেকৈ ভাৰতীয়সকলে হিংসাৰ পথ লৈ বৃটিছক কৰা আক্ৰমণৰো বিৰোধিতা কৰিছিল। তাৰ বাবে তেওঁ যদি কাৰোবাৰ অপ্ৰিয় হ'বলগীয়া হৈছিল বা জনসমৰ্থনো হেৰুৱাইছিল, তাতে গান্ধীজীয়ে কেৰেপ কৰা নাছিল। অসহযোগ আন্দোলনৰ সময়ছোৱাত

ভাৰতীয়সকলে চৌৰিচৌৰাত সংঘটিত কৰা হিংসাত্মক ঘটনাৰ বাবে তেওঁ এই বিশাল আন্দোলনেই স্থগিত ৰাখিছিল। গান্ধীজীয়ে আনকি ভগত সিং, সুখদেৱ, উধাম সিং আৰু ৰাজগুৰুৰ ফাঁচিদণ্ডৰো প্ৰতিবাদ কৰা নাছিল। কাৰণ, তেওঁৰ হিচাপত সেইসকলে হিংসাত্মক উপায় গ্ৰহণ কৰি প্ৰতিশোধ লৈছিল বা হিংসাৰ সহায়ত দেশ মাতৃৰ সেৱা কৰিব বিচাৰিছিল।

গান্ধীজীয়ে এবাৰ এক তাৎপৰ্য্যপূৰ্ণ মন্তব্য কৰি কৈছিল, “এটা চকুৰ সলনি আন এটা চকুৰ নীতিয়ে সমগ্ৰ পৃথিৱীখনকে অন্ধ কৰি তুলিব !” তেওঁ নিজৰ সত্য-অহিংসাৰ আদৰ্শৰ বিষয়ে কৈছিল, “এনেকুৱা বহুত আদৰ্শ আছে যাৰ বাবে মই মৰিবলৈ প্ৰস্তুত, কিন্তু কোনো আদৰ্শৰ বাবেই মই মাৰিবলৈ প্ৰস্তুত নহয়।”

গান্ধীজীয়ে এই অহিংসাক সকলো স্তৰতে প্ৰয়োগ কৰাৰ কথা চিন্তা কৰিছিল। তেওঁ এনে এখন অহিংস ৰাষ্ট্ৰৰ কথা চিন্তা কৰিছিল, য'ত সকলো মানুহ অহিংস মন্ত্ৰেৰে দীক্ষিত হোৱা বাবে কোনো সামাজিক অশান্তি বা সাম্প্ৰদায়িক সংঘৰ্ষ নহ'ব আৰু শান্তিপূৰ্ণ আলোচনাৰেই সকলো সমস্যাৰ সমাধান হ'ব। সেই অহিংস দেশত চৰকাৰ, পুলিচ আৰু সৈন্যবাহিনীও অহিংস হ'ব। গান্ধীজীৰ মতে তেনে এখন দেশতো পুলিচৰ প্ৰয়োজন থাকিব, কিন্তু সেই পুলিচেও ইতিমধ্যেই কমি অহা সামাজিক অশান্তিবোৰ একেবাৰে দূৰ কৰিবলৈ অহিংস পন্থাৰহে সহায় ল'ব। আনহাতে অহিংস সৈন্যবাহিনীৰ কাম আন সশস্ত্ৰ বাহিনীতকৈ বেলেগ হ'ব। যি দুটা পক্ষ যুদ্ধত লিপ্ত হ'ব খুজিছে, অহিংস সৈন্যবাহিনীয়ে সেই পক্ষ দুটাক আলোচনাত বহুৱাব আৰু তাৰ পাছত শান্তিৰ চুক্তি স্বাক্ষৰিত কৰাব।

গান্ধীজীৰ অহিংসা নীতিয়ে বহুতকে অতি আকৃষ্ট কৰিছিল, আৰু পাছৰ পৰ্য্যায়ত বিশ্বৰ কেইবাগৰাকী সংগ্ৰামী নেতাই তেওঁলোকৰ আন্দোলন চলাই যাবৰ বাবে গান্ধীজীৰ এই অহিংস সত্যাগ্ৰহৰ নীতি গ্ৰহণ কৰিছিল। ‘টাইম’ আলোচনীয়ে অহিংসাৰ পথত গান্ধীজীৰ যোগ্য উত্তৰসূৰী হিচাপে বিশ্বৰ কেইবাজনো স্বনামধন্য নেতাক নিৰ্বাচিত কৰিছিল। তেওঁলোক হ'ল— চতুৰ্দশ দালাই লামা ($14^{th}$ Dalai Lama), লেছ ৱালেছা (Lech Walesa), মাৰ্টিন লুথাৰ কিং, কনিষ্ঠ (Martin Luther King, Jr), চেছাৰ চাভেজ (Cesar Chavez), আং ছান ছ্যু কী (Aung San Suu Kyi), বেনিগনো এছ আকুইনো (Benigno S. Aquino), ডেছমণ্ড টুটু (Desmond Tutu) আৰু নেলছন মেণ্ডেলা (Nelson Mandela)।

‘গান্ধীবাদী’ শব্দটো গান্ধীজীয়ে পছন্দ কৰা নাছিল। কোনোবাই নিজকে গান্ধীবাদী বুলি কোৱাটো তেওঁ বিচৰা নছিল, তেওঁৰ মতে এই পৃথিৱীত গান্ধীবাদী এজনেই আছে আৰু সেইজন হ'ল—তেওঁ নিজেই !

গান্ধীজী হিন্দু ধৰ্মাৱলম্বী আছিল যদিও তেওঁ সকলো ধৰ্মকে শ্ৰদ্ধা কৰিছিল। হিন্দু ধৰ্মৰ উপৰি খৃষ্টান আৰু ইছলাম ধৰ্মৰ বিষয়ে তেওঁ যিমান পঢ়া-শুনা কৰিছিল, বহুতো খৃষ্টান আৰু মুছলিম লোকেও কিজানি সিমান অধ্যয়ন কৰা নাছিল। জিন্নাৰ নেতৃত্বাধীন মুছলিম লীগে যেতিয়া ধৰ্মৰ প্ৰসংগেৰে জাতি তথা ‘দ্বিজাতি তত্ত্ব'ৰ কথা উল্লেখ কৰিছিল, মহাত্মা গান্ধীয়ে ইছলাম ধৰ্মৰ নীতিৰ কথা উল্লেখ কৰিয়েই সেই যুক্তি খণ্ডন কৰিছিল। দুখৰ বিষয় যে সেই সময়ত যুক্তিতকৈ আবেগেহে বেছি গুৰুত্ব পালে। সেয়া নোহোৱা হ'লে গান্ধীজীৰ ইছলাম ধৰ্মীয় যুক্তিৰ সমুখত সেও মানি সকলোৱে ‘দ্বিজাতি তত্ত্ব’ বৰ্জন কৰিব লাগিলহেঁতেন।

মহাত্মা গান্ধীৰ জীৱন যাপন অতি সৰল আছিল। আঁঠুৰ মূৰত চুৰিয়া, গাত এখন চাদৰেৰে তেওঁ ভাৰতৰ যিকোনো এজন অতি দুখীয়া লোকৰ দৰে জীৱন যাপন কৰিছিল। সৰল জীৱন যাপনৰ ক্ষেত্ৰত তেওঁ ৰাস্কিনৰ ‘আনটু দ্য লাষ্ট’ (Unto the Last) গ্ৰন্থৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। সম্পত্তি, উপহাৰ আদিৰ প্ৰতি তেওঁৰ বিন্দুমাত্ৰ লোভ নাছিল। তেওঁ সেইবোৰ প্ৰায়ে আনক বিলাই দিছিল। তেওঁ নিজৰ আশ্ৰমত কুষ্ঠ ৰোগীক নিজহাতে শুশ্ৰূষা কৰিছিল। তেওঁৰ আচৰণো আছিল সৰল আৰু বিনয়ী। সৰু ল'ৰা-ছোৱালীৰ পৰা ভাইচৰয়লৈকে সকলোৰে লগত তেওঁ একেই সহজ-সৰলভাৱে কথা পাতিছিল।



ভাৰতীয়সকলৰ প্ৰতি তেওঁৰ ভ্ৰাতৃত্ববোধ আছিল অতুলনীয়। গান্ধীজীয়ে চোলা নিপিন্ধা বাবে এবাৰ এটা সৰু ল'ৰাই তেওঁক এটা চোলা উপহাৰ দিব খুজিলে। মহাত্মা গান্ধীয়ে ক'লে যে তেওঁৰ ভ্ৰাতৃসকলৰ চোলা নাই বাবে তেৰোঁ চোলা নিপিন্ধে। নাচোৰবান্দা ল'ৰাজনে তেওঁৰ ভ্ৰাতৃসকলকো একোটাকৈ চোলা দিবলৈ ইচ্ছা কৰি কিমান ভ্ৰাতৃ আছে সোধাত গান্ধীজীয়ে উত্তৰ দিলে, "তিনি শ নিযুত !" (তেতিয়াৰ ভাৰতৰ মুঠ জনসংখ্যা)।

১৯৩০ চনত 'টাইম' আলোচনীয়ে তেওঁক 'মেন অৰ দ্য ইয়েৰ' সন্মানেৰে বিভূষিত কৰে। ১৯৯৯ চনৰ শেষত যেতিয়া বিভিন্ন ক্ষেত্ৰৰ জ্ঞানী আৰু অভিজ্ঞ লোকৰ ভোট তথা মতামতৰ দ্বাৰা 'শতিকাটোৰ ব্যক্তিজন' নিৰ্বাচন কৰা হ'ল, তেতিয়া মহাত্মা গান্ধী, আইনষ্টাইনৰ পাছতে দ্বিতীয় স্থানত আছিল। মহাত্মা গান্ধীয়ে শান্তিৰ ন'বেল বঁটা নাপালেও ১৯৩৭ চনৰ পৰা ১৯৪৮ চনলৈ পাঁচবাৰ তেওঁ এই বঁটাৰ বাবে মনোনীত হৈছিল। ১৯৪৮ চনত গান্ধীয়ে এই বঁটা পোৱাটো প্ৰায় নিশ্চিত আছিল যদিও আততায়ীৰ গুলীত তেওঁৰ মৃত্যু হোৱা বাবে আৰু ন'বেল বঁটা মৰণোত্তৰভাৱে দিয়াৰ নিয়ম নাছিল বাবে সেই কাম হৈ নুঠিল। সেই বছৰ 'কোনো যোগ্য জীৱিত ব্যক্তি'ৰ অভাৱত শান্তিৰ ন'বেল বঁটা কাকো দিয়াই নহ'ল। 'যোগ্য জীৱিত ব্যক্তি' বুলি কওঁতে আচলতে মহাত্মা গান্ধীৰ কথাই কোৱা হৈছিল। পাছত ন'বেল বঁটা কমিটিয়ে স্বীকাৰ কৰিছিল যে গান্ধীয়ে শান্তিৰ ন'বেল বঁটা নোপোৱাটো তেওঁলোকৰ বাবেই অতি অস্বস্তিকৰ কথা হ'ল।

ভাৰতীয় সমাজৰ বয়োজ্যেষ্ঠ, জ্ঞানজ্যেষ্ঠ লোকসকলকো গান্ধীজীয়ে শ্ৰদ্ধা কৰিছিল। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ লগত তেওঁৰ গুৰু-শিষ্যৰ সম্বন্ধ আছিল। গান্ধীজীৰ সময়ত তেওঁতকৈ বিখ্যাত আৰু জনসমৰ্থন থকা নেতা ভাৰতত কোনো নাছিল। বাকী সকলোবোৰ তেওঁতকৈ বহু পিছত আছিল। কিন্তু তথাপি তেওঁৰ কোনো অহং ভাব নাছিল বা কোনো সিদ্ধান্তও তেওঁ কাৰো ওপৰত জোৰকৈ জাপি দিব খোজা নাছিল। ক্ষমতাৰ পৰা তেওঁ শত যোজন আঁতৰত আছিল। কংগ্ৰেছৰ নেতা হ'লেও ১৯২৫ চনত এবাৰ কংগ্ৰেছৰ সভাপতি হোৱাৰ বাহিৰে তেওঁ কেতিয়াও কংগ্ৰেছ দলৰ কোনো আনুষ্ঠানিক পদ গ্ৰহণ কৰা নাছিল। আনকি এবাৰ (১৯৩৪ চনত) তেওঁ কংগ্ৰেছৰ প্ৰাথমিক সভ্যৰ পৰাও ইস্তফাহে দিছিল। দিল্লীত যেতিয়া স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে জৱাহৰলাল নেহৰুৱে শপত লৈ আছিল, সেই সময়ত গান্ধীজীয়ে তাৰ পৰা বহু দূৰত থাকি সম্ভাব্য সাম্প্ৰদায়িক সংঘৰ্ষ ৰোধ কৰাৰ চেষ্টা কৰি আছিল। স্বাধীন ভাৰতৰ কোনো ক্ষমতাশালী পদ গ্ৰহণ কৰিবলৈ তেওঁ বিন্দুমাত্ৰ ইচ্ছা কৰা নাছিল। ইমানেই নিষ্কাম কৰ্মযোগী, ত্যাগী, নিঃস্বাৰ্থ নেতা আছিল তেওঁ।

এইবোৰ কাৰণেই তেওঁ মহানতম ব্যক্তি। 'মহাত্মা' বুলি খ্যাত হ'লেও তেওঁ প্ৰকৃততে তাৰো ওপৰ স্থানৰ লোক।❖

## কুইজৰ উত্তৰসমূহ

১। শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা (অ-কাহিনী চিত্ৰ শাখাত) Echoes of Silenceৰ বাবে। ২। জুবিন মেহতা ৩। কপিল ঠাকুৰ ৪। মেঘালয়ৰ তুৰাত ৫। কবিতা কৃষ্ণমূৰ্তি ৬। কিনো মায়াৰে বান্ধিলা ৭। জুবিনৰ মাতৃ ইলি বৰঠাকুৰৰ নামত ৮। হিয়া দিয়া নিয়া ৯। শ্ৰদ্ধাঞ্জলি ১০। তুমি মোৰ মাথোঁ মোৰ ১১। স্নিগ্ধ জোনাক ১২। বিপুল ১৩। গ্ল'বেল ইণ্ডিয়ান ফিল্ম বঁটা আৰু ষ্টাৰডাষ্ট নিউ মিউজিকেল ছেনেছেন বঁটা ১৪। শংকৰ। চলচ্চিত্ৰকেইখনত তেওঁ অভিনয় কৰা চৰিত্ৰ এইবোৰ ১৫। তেওঁৰ ভগ্নী জংকী বৰঠাকুৰৰ নামত ❖



## চুড’কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড’কু ২২৫ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | 5 | 1 | 4 | 2 | 8 | 3 | 9 | 7 |
| 7 | 2 | 9 | 5 | 3 | 6 | 1 | 4 | 8 |
| 4 | 3 | 8 | 9 | 1 | 7 | 6 | 2 | 5 |
| 1 | 9 | 4 | 7 | 6 | 5 | 8 | 3 | 2 |
| 8 | 6 | 5 | 3 | 4 | 2 | 9 | 7 | 1 |
| 2 | 7 | 3 | 8 | 9 | 1 | 5 | 6 | 4 |
| 9 | 4 | 7 | 1 | 5 | 3 | 2 | 8 | 6 |
| 5 | 8 | 6 | 2 | 7 | 9 | 4 | 1 | 3 |
| 3 | 1 | 2 | 6 | 8 | 4 | 7 | 5 | 9 |

### চুড’কু ২২৬

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | 7 | | | | 3 | |
| | | | 5 | | | 6 | | 7 |
| | 9 | | | | | 1 | | 5 |
| | | | 8 | | 4 | | | |
| 5 | | 7 | 9 | | | 3 | | |
| | | 4 | | | 3 | 7 | | 1 |
| 6 | | 1 | | | 5 | | | |
| | 3 | | | | 6 | | | |
| 8 | | 5 | | | | | 1 | |

## তোমালোকে জানানে?

# সবৰমতী আশ্ৰম




গুজৰাটৰ আহমেদাবাদৰ ওচৰত সবৰমতী নদীৰ পাৰত অৱস্থিত ঐতিহাসিক সবৰমতী আশ্ৰম। ১৯১৫ চনৰ ২৫ মে'ত মহাত্মা গান্ধীয়ে এই আশ্ৰম প্ৰতিষ্ঠা কৰে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত সবৰমতী আশ্ৰমৰ বিশেষ গুৰুত্ব আছে। ইয়াতেই মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা আন্দোলনৰ বহু খচৰা প্ৰস্তুত হৈছিল। আশ্ৰমখনৰ নাম প্ৰথমাৱস্থাত সেৱাশ্ৰম আছিল যদিও পাছলৈ 'সবৰমতী' আশ্ৰমৰূপে জনাজাত হয়। ১৯৩০ চনৰ ১২ মাৰ্চত মহাত্মা গান্ধীয়ে লোণ আইন ভংগ কৰিবৰ বাবে 'লোণ সত্যাগ্ৰহ' সংগঠিত কৰে। ইয়াৰ বাবে সবৰমতী আশ্ৰমৰ পৰা ৭৮ গৰাকী সত্যাগ্ৰহীক লৈ প্ৰায় ৩৮৪ কিল'মিটাৰ দূৰৈৰ সমুদ্ৰৰ উপকূলৱৰ্তী অঞ্চল দাণ্ডিলৈ পদযাত্ৰা কৰি যায় আৰু সাগৰৰ পাৰত এমুঠি নিমখ হাতত তুলি লয়। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত ইয়ে 'দাণ্ডি যাত্ৰা' নামেৰে জনাজাত। এনেদৰে ১৯১৫ চনৰ পৰাই দীৰ্ঘদিন ধৰি সবৰমতী আশ্ৰমে ভাৰতৰ স্বাধীনতা সংগ্ৰামত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল। আশ্ৰমৰ যি অংশত মহাত্মা গান্ধীয়ে কাম কৰিছিল তাৰ নাম হৃদয় কুঞ্জ। যঁতৰত সূতা কাটিব পৰা প্ৰাচীন ঐতিহ্যৰ ৰক্ষণাবেক্ষণ, কুটীৰ শিল্পৰ বিকাশ আদি মহাত্মা গান্ধীৰ সকলো চিন্তা-ভাবনাৰ জন্ম হৈছিল এই আশ্ৰমতে। মহাত্মা গান্ধীৰ মৃত্যুৰ পাছত তেওঁৰ অনুগামীসকলৰ বাবে সবৰমতী আশ্ৰমৰ গুৰুত্ব কমি যোৱাত চৰকাৰে ১৯৬৩ চনৰ ১০ মে'ত ইয়াত গান্ধী সংগ্ৰহালয় স্থাপন কৰে। এই সংগ্ৰহালয়ত মহাত্মা গান্ধীৰ চিঠি, পোছাক, ব্যৱহৃত বিভিন্ন সামগ্ৰী, যঁতৰ আদি সযত্নে সংৰক্ষণ কৰা হৈছে। এইদৰে ইয়াৰ গ্ৰন্থাগাৰটোত আছে প্ৰায় ৩৫,০০০ কিতাপ, ৩৪,০০০ৰো অধিক পাণ্ডুলিপি আৰু ৬০০০ আলোকচিত্ৰ। আশ্ৰমখনৰ প্ৰতিটো কোঠা, প্ৰতিজোপা গছ-লতাৰ লগত জড়িত হৈ আছে জাতিৰ পিতাৰ স্মৃতি। আশ্ৰমখনে আজিও আমাক সোঁৱৰায় ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সেই গৌৰৱময় দিনবোৰৰ কথা। ❖

*উৎস : শান্তনু কৌশিক বৰুৱাৰ 'বিশ্ব ঐতিহ্য'*



আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য




# পাঁচ বন্ধু

■ অভিজিত চক্ৰৱৰ্তী

বন্ধু শব্দটো আমাৰ সকলোৰে এটা চিনাকি শব্দ। আমাৰ সকলোৰে কম-বেছি পৰিমাণে বন্ধু আছে। আচৰিত কথা এয়াই যে আমাৰ বন্ধু থকাৰ দৰে জীৱ-জন্তুবিলাকৰো বন্ধু থাকে। জীৱ-জন্তুবিলাকৰ মাজত থকা এই মনোৰম বন্ধুত্বৰ কথা প্ৰকাশ পাইছে শ্বীৰীন ৰিজৱীৰ দ্বাৰা ৰচিত আৰু হিৰণ লাল দত্তৰ দ্বাৰা অসমীয়ালৈ অনূদিত 'পাঁচ বন্ধু' নামৰ গ্ৰন্থখনত।

'পাঁচ বন্ধু' নামৰ গ্ৰন্থখনত এটা কাহিনীৰ জৰিয়তে বন্ধুত্ব প্ৰকৃততে কি আৰু বন্ধুত্ব কেনে হোৱা উচিত সেই বিষয়ে বৰ সুন্দৰকৈ উপস্থাপন কৰা হৈছে। কাহিনীটোত প্ৰকাশ পোৱা পাঁচ বন্ধু হ'ল ক্ৰমে এটা হাঁহ, এটা কুকুৰ, এটা বান্দৰ, এটা কেৰ্কেটুৱা আৰু এটা কাউৰী। ইয়াৰে বান্দৰটো অৰণ্যখনৰ পুলিচ বিষয়া আৰু কুকুৰটো এটা চোৰাংচোৱা, কেৰ্কেটুৱাটো আকৌ ডাক্তৰ। অৰণ্যখনত থকা হাঁহ এটাক সহায় কৰিবলৈ গৈ এই পাঁচ বন্ধু বন্ধুত্বৰ এনাজৰীৰে বান্ধ খাই পৰিছিল। কোনোদিনে বন্ধুত্ব কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰা হাঁহজনীয়ে কেনেদৰে চাৰিজন বন্ধু লাভ কৰিলে সেই কথাটো তোমালোকে কাহিনীটো পঢ়িলে গম পাবা। কাহিনীটোৰ আন এটা আমোদজনক অংশ হৈছে বনৰ ৰজাৰ ৰাণীৰ চুৰি হোৱা সোণৰ অলংকাৰ চোৰাংচোৱা কুকুৰটোৱে বিচাৰি উলিওৱাৰ ঘটনাটো।

কাহিনীটোত প্ৰকাশ পাইছে কিছুমান সুন্দৰ নীতিশিক্ষামূলক কথা। বন্ধুত্ব এখন ঘৰৰ দৰে। ঘৰ এখনত যিদৰে মা-দেউতা, ককা-আইতাৰ সৈতে থাকি আমি সুখ-শান্তি বিচাৰি পাওঁ, ঠিক তেনেদৰে বন্ধু এজনৰ সংস্পৰ্শতো আমি একেখিনি বস্তু পাব পাৰোঁ। তোমালোকে চাগে মা-দেউতা বা ককা-আইতাৰ মুখত মহাভাৰতৰ কাহিনী শুনিছা। মহাভাৰতৰ কাহিনীতো তোমালোকে বন্ধুত্বৰ নিদৰ্শন দেখিবলৈ পাইছা। যেনে, মহাভাৰতৰ যুদ্ধত অৰ্জুনৰ বন্ধু শ্ৰীকৃষ্ণ আৰু দুৰ্যোধনৰ বন্ধু মহাবীৰ কৰ্ণই সাধ্য অনুসৰি বন্ধুক সহায় কৰিছিল। বন্ধু এজনৰ প্ৰতি থাকিব লগা আমাৰ দায়িত্ব তথা কৰ্তব্য আদিৰ সুন্দৰ ৰূপত এই কিতাপখনত প্ৰকাশ ঘটিছে। তোমালোকে কিতাপখন পঢ়িলে বন্ধুৰ প্ৰতি থকা ধাৰণা সলনি হ'ব আৰু বন্ধুকেন্দ্ৰিক বহু কথা শিকিবও পাৰিবা।

শ্বীৰীন ৰিজৱীয়ে হিন্দী ভাষাত লিখা 'পাঁচ দোষ্ট'ৰ পৰা হিৰণলাল দত্তই অসমীয়ালৈ 'পাঁচ বন্ধু' নামেৰে অনুবাদ কৰা এই গ্ৰন্থখন সঁচাকৈ তোমালোকৰ বাবে উপযোগী। নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়াই প্ৰকাশ কৰা গ্ৰন্থখনৰ মূল্য ৭৫ টকা। ❖

### অসমীয়া ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন ইত্যাদি

## খেতি শলাগিবা দাই, ভোজন শলাগিবা খাই



খেতিৰ ফলাফল কেনেকুৱা হয় সেই কথা শস্য দাই অনাৰ পাছতহে নিশ্চিত হ'ব পাৰি। খেতি এডৰাৰ ফলাফল সম্পৰ্কে আগতীয়াকৈ পূৰ্বানুমান কৰা হয় যদিও সেই পূৰ্বানুমান কেতিয়াবা অমূলকো হ'ব পাৰে। একেদৰে ৰন্ধা খাদ্য তৃপ্তিকৰ হয় নে নহয় সেই কথা খাই চোৱাৰ পাছতহে জানিব পাৰি। খাদ্যবস্তুৰ গোন্ধ লৈ বা আগতীয়াকৈ শলাগ লৈ থাকিলে তাৰ আচল সোৱাদ বুজিব নোৱাৰি। খাদ্য খাই চোৱাৰ পাছত নিশ্চিত হৈহে শলাগ লোৱা উচিত। এই যোজনাফাকিৰ অন্তৰ্নিহিত অৰ্থ হ'ল সম্পূৰ্ণ নিশ্চিত হোৱাৰ পাছতহে কোনো বস্তুৰ শলাগ লোৱা উচিত।

**প্ৰায়োগিক বাক্য :** ল'ৰাটোৱে কামটোত হাত দিছেহে, ইমানকৈ প্ৰশংসা কৰিবৰ হোৱা নাই; কথাতে কয় নহয় খেতি শলাগিবা দাই, ভোজন শলাগিবা খাই। ❖

## পচলাত দাঁত ভগা

পচলা অসমীয়া মানুহৰ প্ৰিয় খাদ্য। আঠীয়া কল বা ভীমকলৰ কোমল পুলি সৰু সৰুকৈ কুটি পচলা ৰন্ধা হয়। এনে কোমল পচলা খাওঁতে দাঁত ভগাটো আচহুৱা কথা। কিন্তু কেতিয়াবা অসাৱধানতাৰশতঃ বা দুৰ্ঘটনাবশতঃ পচলা খাওঁতে দাঁত ভাগিবও পাৰে। অৰ্থাৎ ডাঙৰ কাম কৰিবলৈ শক্তি থকা মানুহ এজন সৰু কামতো বিফল হ'ব পাৰে। যিদৰে টান বস্তু চোবাবৰ শক্তি থকা দাঁত এটা কেতিয়াবা পচলা খাওঁতেও ভাগিব পাৰে, একেদৰে কঠিন কামত সিদ্ধহস্ত লোক এজন সামান্য কামতো বিফল হ'ব পাৰে।

**প্ৰায়োগিক বাক্য :** ইমানকৈ গপত গংগাটোপ হৈ সকলো কাম সমাধা কৰিব পাৰিম বুলি নাভাবিবি; পচলাতো দাঁত ভাগে, মনত ৰাখিবি। ❖





## শুৱলা ভাষা

শিক্ষাৰ্থীসকল, কিছুমান সমোচ্চাৰিত শব্দৰ অৰ্থৰ পাৰ্থক্য জানি লওঁচোন আহা :

বাছি (নিৰ্বাচন কৰি) : তোমাক কোনযোৰ কাপোৰ লাগে বাছি লোৱাচোন।

বাচি (জীয়াই থকা) : দুৰ্ঘটনাটোত ল'ৰাটোৰ কোনোমতে প্ৰাণ বাচিল।

বেচি (বিক্ৰী কৰা) : মানুহজনে গৰুটো বেচিবলৈ নিছে।

বেছি (অধিক) : খৰাহিটোত বেছি চাউল নাই।

দাবী (অধিকাৰ) : পথটো মেৰামতি কৰাৰ দাবীত অঞ্চলবাসীয়ে উপায়ুক্তক স্মাৰক পত্ৰ দিছে।

ডাবি (খং, ধমকি) : ল'ৰাটোৰে দুষ্টালি কৰাৰ বাবে দেউতাকে ডাবি দিছে। ❖

## চানডুবি বিল



গুৱাহাটী বা ইয়াৰ আশে-পাশে থকা মানুহৰ মাজত এক পৰ্য্যটনক্ষেত্ৰ হিচাপে চানডুবি বিল বিশেষভাৱে জনপ্ৰিয়। সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত অৱস্থিত এই প্ৰাকৃতিক বিলখনলৈ প্ৰতি বছৰে বনভোজ খাবলৈ হাজাৰ হাজাৰ লোকৰ আগমন ঘটে। কামৰূপ জিলাৰ ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদ এলেকাত এই বিলখন অৱস্থিত। গুৱাহাটীৰ পৰা ৬৪ কিল'মিটাৰ দক্ষিণ-পশ্চিমত গুৱাহাটীৰ পৰা গোৱালপাৰালৈ যোৱা পথতে এই বিলখন অৱস্থিত। থিয় পাথৰ আৰু অৰণ্যাঞ্চলেৰে আবৃত বলয়াকাৰ এই বিলখন 'হলিডে ৰিজৰ্ট' হিচাপেও বিখ্যাত। ১৮৯৭ চনৰ ১২ জুনত হোৱা বৰভুঁইকঁপৰ ফলশ্ৰুতিত এই বিলখনৰ সৃষ্টি হোৱা বুলি জানিব পৰা যায়। এই প্ৰবল ভূমিকম্পত ব্ৰহ্মপুত্ৰকে ধৰি অসমৰ কেইবাখনো নদীৰ গতিপথ সলনি হয়। এনেদৰে নদীৰ গতিপথ সলনি হোৱাৰ ফলতে চানডুবি বিলৰ সৃষ্টি হয়।

উল্লেখযোগ্য যে এই বিলৰ অপৰূপ প্ৰাকৃতিক পৰিৱেশৰ বাবে ইয়ালৈ যথেষ্টসংখ্যক পৰ্য্যটকৰ আগমন ঘটে। এই অঞ্চলত বিভিন্ন কথাছবি, মিউজিক ভিডিঅ' আদিৰো দৃশ্যগ্ৰহণ কৰা হয়। প্ৰতি বছৰে জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত চানডুবি উৎসৱ অনুষ্ঠিত হয়। এই উৎসৱত স্থানীয় লোকসকলে পৰম্পৰাগত নৃত্য আৰু খাদ্য পৰিৱেশন কৰে। ❖



## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ শাস্ত্ৰীয় নৃত্য



**মণিপুৰী নৃত্য** (Manipuri Dance) **:** ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত এখন ৰাজ্য হ'ল মণিপুৰ। এই ৰাজ্যখনৰ বিভিন্ন নৃত্যসমূহৰ ভিতৰত প্ৰধান নৃত্যটিয়েই হৈছে মণিপুৰী শাস্ত্ৰীয় নৃত্য। ভাৰতবৰ্ষৰ স্বীকৃতিপ্ৰাপ্ত নৃত্যসমূহৰ ভিতৰত অন্যতম এক শাস্ত্ৰীয় নৃত্য হৈছে এই মণিপুৰী নৃত্য। ই এক মসৃণ, মহিমামণ্ডিত আৰু কাৰিকৰীভাৱে কিছু সহজ লোকনৃত্য। লোক পৰম্পৰা আৰু লোকাচাৰৰ সৈতে জড়িত বিভিন্ন প্ৰকাৰৰ মণিপুৰী নৃত্য আছে। এই নৃত্যৰ বিষয়বস্তু সাধাৰণতে ভগৱান কৃষ্ণৰ জীৱনৰ বিভিন্ন ঘটনাৱলীৰ পৰা আহৰণ কৰা হয়। নৃত্য চলি থকাৰ সময়ছোৱাত সংগীতৰ মাজে মাজে এজন বৰ্ণনাকাৰীয়ে সংলাপবোৰ মাতি যোৱাৰ লগতে বৰ্ণনাসূচক অংগ-ভংগিও দেখুৱাই যাব পাৰে। আন ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ দৰে এই নৃত্যতো শিল্পীসকলে ভৰিত ঘুগুৰা পিন্ধে যদিও নৃত্যৰ গতিয়ে তাৰ শব্দ প্ৰকট হৈ উঠিবলৈ সুবিধা নিদিয়ে। কাৰণ, এই নৃত্যত ভৰি মাটিৰ পৰা বেছি ওপৰলৈ নুঠে আৰু খোজ খুব লাহেকৈ দিয়া হয়। এই নৃত্যত মহিলাসকলে গোল গোল আইনাৰ টুকুৰাৰে সজোৱা এক বিশেষ ধৰণৰ ডাঙৰ ঘূৰী (skirt) পিন্ধে আৰু মূৰত স্বচ্ছপ্ৰায় এখন পাতল ওৰণি লয়। ধীৰ গতিৰ ছন্দত একা-বেঁকাকৈ আৰু হালি-জালি কৰিবলগীয়া নৃত্যৰ বাবে মণিপুৰী নৃত্যত নাৰীসুলভ বৈশিষ্ট্য বিদ্যমান। আন কিছুমান নৃত্যৰীতিত নৃত্যশিল্পীগৰাকীৰ মুখ আৰু চকুৱে ভাব প্ৰকাশ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়। পাছে মণিপুৰী নৃত্যত নৃত্যশিল্পীগৰাকীৰ মুখ ভংগিমাৰ অভিব্যক্তি প্ৰায় নাথাকেই। মণিপুৰী নৃত্যৰ শ্ৰেষ্ঠ ৰূপ প্ৰকাশ পায় ৰাসলীলাত। সাধাৰণতে মণিপুৰী নৃত্য লাস্য প্ৰধান। এইবিধ নৃত্যত ভক্তিৰসে প্ৰাধান্য লাভ কৰে। এই মণিপুৰী নৃত্য ধাৰাৰ গীতসমূহত জয়দেৱৰ দ্বাৰা বিৰচিত পদাৱলী, কীৰ্তন আদিয়ে মুখ্য স্থান অধিকাৰ কৰা দেখা যায়। আনহাতে বাদ্যযন্ত্ৰ হিচাপে এইবিধ নৃত্যত পুং বা খোল, মৃদংগ, কৰতাল, খঞ্জৰী, বাঁহী ইত্যাদি ব্যৱহাৰ কৰা হয়। মণিপুৰী নৃত্য অতিকৈ আকৰ্ষণীয়। এইবিধ নৃত্যৰ কেইগৰাকীমান প্ৰসিদ্ধ নৃত্যশিল্পী হ'ল—আতম্বা সিং, আমুৰি সিং, হোবাস অংবি, ঙাংবি দেৱী ইত্যাদি। এনেদৰেই সংগীত-নাটক অকাডেমিৰ দ্বাৰা স্বীকৃত আঠবিধ শাস্ত্ৰীয় নৃত্যকলাৰ অংশ হিচাপে মণিপুৰী নৃত্য স্বকীয় বৈশিষ্ট্যৰে উজলি আছে। ❖





# মাৰ্ক' প'ল'



ইটালীৰ ব্যৱসায়ী তথা পৰিব্ৰাজক মাৰ্ক' প'ল'ৰ নাম আমি অনেকে শুনিছোঁ। তেওঁৰ বিখ্যাত ভ্ৰমণ কাহিনীসমূহ 'মাৰ্ক' প'ল'ৰ ভ্ৰমণ কাহিনী' (The Travels of Marco Polo) নামৰ গ্ৰন্থত লিপিবদ্ধ হৈ আছে। তেওঁ ১২৭১ চনত দেউতাক নিক'ল' আৰু খুৰাক মাফিৰ'ৰ লগত এছিয়া মহাদেশেৰে চীনলৈ এটি ঐতিহাসিক ভ্ৰমণ কৰিছিল। তেওঁ চীনৰ মংগোল সম্ৰাট কুবলাই খাঁৰ (Kublai Khan) দৰবাৰত বহু বছৰ অতিবাহিত কৰিছিল। সুদীৰ্ঘ ২৪ বছৰৰ অন্তত ১২৯৫ চনত তেওঁ পুনৰ ভেনিছত উপস্থিত হৈছিলগৈ। তেওঁৰ ভ্ৰমণ কথাই ইউৰোপীয়সকলক এছিয়াৰ ভূমিখণ্ডৰ চাক্ষুষ অভিজ্ঞতা প্ৰদান কৰিছিল আৰু এছিয়াৰ বাণিজ্যৰ প্ৰতি আগ্ৰহ জগাই তুলিছিল। মাৰ্ক' প'ল' চীনত উপস্থিত হোৱা প্ৰথমগৰাকী ইউৰোপীয় ব্যক্তি নহয় যদিও তেৱেঁই প্ৰথম ব্যক্তি যিয়ে নিজৰ ভ্ৰমণৰ বিশদ বিবৰণ লিখি থৈ গৈছে। তেওঁৰ ভ্ৰমণ কাহিনীয়ে বিখ্যাত পৰিব্ৰাজক ক্ৰিষ্টোফাৰ কলম্বাছকো অনুপ্ৰাণিত কৰিছিল।

১২৫৪ চনৰ ১৫ ছেপ্টেম্বৰত ইটালীৰ ভেনিছ চহৰত জন্মগ্ৰহণ কৰা মাৰ্ক' প'ল'ৰ শিক্ষা-দীক্ষা সাধাৰণভাৱেই আৰম্ভ হৈছিল। তেওঁৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি গভীৰ অনুৰাগ আছিল। তেওঁ বহু ধ্ৰুপদী লেখকৰ লেখা পঢ়িছিল, বাইবেলৰ অন্তৰ্নিহিত কথাবোৰ তেওঁ অনুধাৱন কৰিব পাৰিছিল। ফৰাচী আৰু ইটালী ভাষাতো তেওঁৰ দক্ষতা আছিল। মাৰ্ক' প'ল'ৰ পিতৃ নিক'ল' প'ল' (Niccolo Polo) এজন ব্যৱসায়ী আছিল আৰু মধ্যপ্ৰাচ্যত তেওঁ ব্যৱসায় কৰিছিল। নিক'ল' প'ল'ই ভায়েক মাফিৰ' প'ল'ৰ (Maffeo Polo) সৈতে মাৰ্ক' প'ল'ৰ জন্মৰ আগতেই ব্যৱসায় কৰিবলৈ ওলাই গৈছিল। ১২৬০ চনত নিক'ল' আৰু মাফিৰ'ই লেটিন সাম্ৰাজ্যৰ ৰাজধানী কনষ্টাণ্টিনোপলত থকাৰ সময়তে হঠাৎ অহা ৰাজনৈতিক পৰিবৰ্তনত শংকা অনুভৱ কৰি নিজৰ সা-সম্পত্তিবোৰৰ বিনিময়ত মূল্যবান অলংকাৰ গোটাই তাৰ পৰা গুচি আহে। ১২৬৯ চনত তেওঁলোক ভেনিছলৈ উভতি আহে। ১২৭১ চনত প্ৰায় ওঠৰ বছৰ বয়সত মাৰ্ক' প'ল'ই তেওঁৰ দেউতাক আৰু খুৰাকৰ লগত এছিয়ালৈ যাত্ৰা আৰম্ভ কৰে। সুদীৰ্ঘ ২৪ বছৰৰ অন্তত ১২৯৫ চনত অসংখ্য ধন-সম্পত্তিসহ তেওঁলোক পুনৰ ভেনিছলৈ উভতি আহে। তেওঁলোকে যাত্ৰাকালত মুঠ ১৫ হাজাৰ মাইল ভ্ৰমণ কৰিছিল। ❖



# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| অকলশৰীয়া, নিঃসংগ | solitary | নমুনা | specimen, sample |
| স্বগতোক্তি | soliloquy | বিক্ষিপ্ত | sporadic |
| সৈনিক, সৈন্য | soldier | চোৰাংচোৰা | spy |
| গাম্ভীৰ্য্যপূৰ্ণ | solemn | চমৎকাৰ, দৰ্শনীয় | spectacular |
| ন্যায় অভিকৰ্তা | solicitor | বৰ্ণালী | spectrum |
| কঠিন বা গোটা পদাৰ্থ | solid | পালেং শাক | spinach |
| একাত্মবোধ | solidarity | উদ্যম, আত্মা | spirit |
| সাৰ্বভৌম | sovereign | নষ্ট কৰা, ধ্বংস কৰা | spoil |
| দুখ, শোক | sorrow | স্বতঃস্ফূৰ্ত | spontaneous |
| পৰিশীলিত | sophisticated | চামুচ | spoon |
| আত্মা, প্ৰাণ | soul | স্বামী বা স্ত্ৰী | spouse |
| টেঙা | sour | দাগ লগা | stain |
| উৎস | source | স্তৱক, পদ | stanza |
| মহাকাশযান | spacecraft | শ্বেতসাৰ | starch |
| চছমা, বিতচকু | spectacles | স্থিতিশীল | stationary ❖ |



# শুকুলা ডাৱৰৰ ঐ কঁহুৱা ফুল

■ অপৰাজিতা বৰা

'আজি নীলা আকাশত শুকুলা
ডাৱৰৰ
ধূলি উৰুৱাই
সউ পদূলিয়ে আহিছে হ'বলা
শাৰদী লখিমী আই'।



'শৰতৰ কবি' পাৰ্বতিপ্ৰসাদ বৰুৱাৰ কলমেৰে নিগৰি ওলোৱা উক্ত কবিতাৰ পংক্তিটোৰে আমাৰ মনলৈ আনে শৰতৰ কথা। প্ৰকৃতি জগতত ঋতুভেদে বেলেগ বেলেগ সময়ত প্ৰাকৃতিক পৰিবৰ্তনে দেখা দিয়ে। এই প্ৰাকৃতিক পৰিবৰ্তনসমূহৰ প্ৰভাৱ মানৱ মনত ক্ৰিয়াশীল হৈ উঠে। মানৱ মনত নতুন সৃষ্টিৰ প্ৰেৰণা যোগোৱা শৰৎ ঋতু বিশ্বসাহিত্যত ৰূপ, ৰস, গন্ধ, স্পৰ্শৰে মহীয়ান হৈ আছে। বেদ, উপনিষদ আদিতো ষড়ঋতুৰ উল্লেখ আছে। অথৰ্ব বেদত আশিস বাণীৰ ৰূপত শৰৎ কালৰ মহিমা আৰু তাৎপৰ্য্য বৰ্ণিত হৈছে। যুগে যুগে বিশ্বৰ বিভিন্ন সাহিত্যত শৰৎ ঋতুৱে বিশেষ মৰ্য্যাদা লাভ কৰি আহিছে। কবি-সাহিত্যিকসকলো শৰৎ ঋতুৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত। বিভিন্ন সময়ৰ বিভিন্ন কবি-সাহিত্যিকৰ কল্পনা আৰু প্ৰতিভাত শৰৎ বিকশিত হৈছে নানা ৰূপেৰে। শৰতৰ এক নিজস্ব ৰূপ আছে। স্নিগ্ধতা আৰু শীতলতা শৰতৰ অন্যতম গুণ। শৰৎ ঋতুৰ প্ৰভাৱত প্ৰকৃতি হৈ পৰে মধুৰ। শৰৎ ঋতুৱে প্ৰকৃতি জগত আৰু মানৱ জগতৰ প্ৰাণ স্পন্দিত কৰে। প্ৰকৃতিৰ ঋতুকালীন পৰিবৰ্তন আৰু বিচিত্ৰতাই ভাৰতীয় কবি মানসকো গভীৰভাৱে প্ৰেৰণা যোগাই আহিছে। তাৰ বাবেই শ্ৰীকৃষ্ণই ৰাসলীলাৰ বাবে শৰৎ কালহে নিৰ্বাচন কৰিছে। মহাপুৰুষ শংকৰদেৱেও 'আদি দশম'ৰ শৰৎ বৰ্ণনাত শৰৎ কালৰ বৰ্ণাঢ্য ৰূপ অংকন কৰিছে।

শৰতৰ কঁহুৱা, নীলা আকাশত ওপঙি ফুৰা শুকুলা ডাৱৰ, দূবৰি বনত জিলিকি থকা নিয়ৰৰ টোপাল আৰু স্নিগ্ধ জোনাকে কবি পাৰ্বতিপ্ৰসাদক ব্যাকুল কৰিছিল। কবিৰ 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল'ত প্ৰকাশিত শৰৎ সম্পৰ্কীয় দৃষ্টিভংগীৰ বাবে তেওঁ 'শৰতৰ কবি' অভিধাৰে আখ্যায়িত হৈছিল।

'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' শৰৎ ঋতুক কেন্দ্ৰ কৰি কবি মানসত জাগি উঠা বিচিত্ৰ ভাব-অনুভূতি প্ৰকাশক এলানি শৰৎ কবিতা। তেওঁৰ দৃষ্টিত শৰতৰ যি অন্তৰ্নিহিত সৌন্দৰ্য্য উদ্ভাসিত হৈছে সেয়া অপৰূপ ৰহস্যময় পোহৰেৰে উদ্ভাসিত।

পাৰ্বতিপ্ৰসাদৰ দৃষ্টিত শৰতৰ কেইবাটাও ৰূপ আৱিষ্কৃত হৈছে। তেওঁৰ প্ৰথম দৃষ্টিত শৰতে এটি ফুল তোলা ল'ৰাৰ ৰূপ লাভ কৰিছে—'অৰুণ জেউতি ভৰা/আহিনৰ ৰাতিপুৱা/হাতত কুঁকিটি লই/ভুমুকি মাৰিলে ধীৰে/আন এটি ফুল তোলা ল'ৰা'। সেইদৰে কবিৰ আন এক দৃষ্টিত শৰতে লখিমী আইৰ ৰূপ ধাৰণ কৰিছে—'আজি নীলা আকাশত শুকুলা ডাৱৰৰ/ধূলি উৰুৱাই/সউ পদূলিয়ে আহিছে হ'বলা/শাৰদী লখিমী আই'। কবিয়ে শৰতৰ আগমনৰ খবৰ সুৰৰ জৰিয়তে লাভ কৰিছে—'বজালে আহিনে বাঁহী নে বীণ/সুৰত পালা নে চিন?' শৰৎ কালৰ পূৰ্ণিমা ৰাতিৰ মন আকুল কৰা জোনাকে কবিক লৈ যায় আন এখন জগতলৈ—'আহিনমহীয়া শেৱালি সৰিলে/নিয়ৰত তিতিলে বন/জোনাকত ওপঙিল/কিহবাৰে ৰাগি/কেনেবা কৰিলে মন'।

পাৰ্বতিপ্ৰসাদৰ শৰৎ ঋতুৰ প্ৰতি আছিল অসীম ভালপোৱা। কবিৰ হৃদয়-মনক শৰতে প্ৰভাৱিত কৰিছে। কবিৰ হৃদয়ে আশা-আনন্দ, সুখ-দুখ, আবেগ-অনুভূতি আদিৰ বিচিত্ৰতা লাভ কৰিছে শৰৎ কালতে। তেওঁৰ





মনত শৰৎ কালৰ প্ৰকৃতি আনন্দদায়িনী—'আজিৰ ৰঙৰে দিনতে কিহৰ ঐ চিতনি/থৈ দে ঘৰৰ কাম/শেৱালিৰ মালা পিন্ধি নাচোঁহঁক/লগাই দে বিহুৰ নাম'। তেওঁৰ গীতত শৰৎ কালৰ প্ৰকৃতিৰ আন এক ৰূপ—'ক'লীয়া ডাৱৰৰ চকুপানী টোকা/কান্দোন পৰিলে ওৰ/আকাশত উৰিলে কপাহৰে জোলা/বাজিলে ৰঙৰে সুৰ'।

শৰতেই কবি-প্ৰাণত প্ৰেমৰ সঞ্চাৰ কৰিছে—'আজি শৰতৰ পৰনত উটা/মালতীৰ বাচে/বোৱায় প্ৰেমৰ পগলা সোঁতা'। সেইদৰে 'বুকুৰ বান্ধৈ/চিনো কি নিচিনো আগে/সৰা শেৱালিৰ বাটে কাহানিবা/দেখিছিলোঁ যেন লাগে'। কবিৰ মতে শৰৎ আৰু শেৱালি এটা মুদ্ৰাৰ দুটা পিঠি। শৰৎ আৰু শেৱালিৰ প্ৰেমৰ চিত্ৰ বহন কৰিছে পাৰ্বতিপ্ৰসাদৰ এনেবোৰ গীতে—'শেৱালিৰ ঢোপাকলি/আপুনি উঠে ফুলি'। কবিৰ দৃষ্টিত শৰৎ ঋতু পোহৰৰ অন্যতম উৎস। শৰতে পৃথিৱীত পোহৰ বিলাবলৈ আহে। সেয়ে শৰতৰ সোণালী পোহৰে কবিক জীয়াই থকাৰ প্ৰেৰণা যোগাইছে—'ডাৱৰৰ যুঁজতে সূৰুয জিকিলে/এন্ধাৰ ক'ৰবালে গ'ল/পোহৰৰ কাঁড়েৰে ডাৱৰ সৰকালে/বতৰ ফৰকাল হ'ল'। শৰৎ কালৰ পূৰ্ণিমা ৰাতিত পাৰ্বতিপ্ৰসাদে সৰুচৰাই চাহ বাগিচাৰ নিজৰ বঙলাতে 'জোনাকী মেল'ৰ পাতনি মেলিছিল। এই 'জোনাকী মেল'ত তেওঁ গীত, কবিতা আদি ৰচনা কৰি পাঠ কৰিছিল। মায়াময় শৰতৰ শাৰদী পূৰ্ণিমা ৰাতি অনুভৱী কবিয়ে গায়—'শাৰদী সন্ধিয়াৰ জোনাকী মেল/নিৰলা জীৱনৰ ক্ষণিক খেল/... জোনায়ে তৰে পাল সিয়ো যে লাগে ভাল/নিশাটি জুৰ হে নিশাটি জুৰ/জুৰণি জীৱনৰ ক্ষণিক খেল/শাৰদী সন্ধিয়াৰ জোনাকী মেল'।

পাৰ্বতিপ্ৰসাদৰ সৃষ্টিশীল প্ৰাণত ধ্বনিত-অনুৰণিত হৈছিল ঋতুৰাণী শৰৎ। শৰৎ ঋতুৰ আগমনত প্ৰকৃতি



আনন্দত আত্মহাৰা হৈ উঠে। প্ৰকৃতিয়ে শৰতৰ বিচ্ছেদ সহিব নোৱাৰে। তেওঁৰ গীতি-নাটক 'লখিমী'ত চিত্ৰায়িত কঁহুৱা চৰিত্ৰটিৰ মাজেৰে উক্ত মনোভাব ব্যক্ত কৰিছে এনেদৰে—'বিদায় বাঁহী বাজি/ভাঙিব নেকি আজি/তোমাৰ জয়ৰ ৰঙত মজা/মোৰ শুকুলা জয় ধ্বজা'। কবিৰ কল্পনাত শৰতৰ ৰথৰ পতাকা কঁহুৱাৰ শুভ্ৰ ফুলেৰে সজা। শৰৎ ঋতুৰ প্ৰধান সম্পদ হ'ল শেৱালি। সেয়ে শৰতৰ পৰা বিদায় ল'বলৈ শেৱালি কুণ্ঠিত হয়। পাৰ্বতিপ্ৰসাদৰ সুকোমল কল্পনাত শৰতৰ বিদায়ৰ ছবিখন বিষাদ আৰু কাৰুণ্যেৰে ভৰা—'আজি আঘোণত ঘনাই পৰিছে কুঁৱলী/নৈৰ পাৰত কঁহুৱা মৰিছে উৰলি/ফুল কলিটি দেহি ঐ/হঠাতেই আজি কিনো হ'ল?/জানোচা শৰতে কিবা কৈ গ'ল'।

এনেদৰে পাৰ্বতিপ্ৰসাদ বৰুৱাই শৰতৰ প্ৰকৃতি, শৰতৰ সৌন্দৰ্য্য আৰু শৰতৰ আনন্দৰ মাজত বিচিত্ৰ অনুভূতি লাভ কৰিছে। শৰতৰ মাজেৰে লাভ কৰা আনন্দ-অনুভূতি-উপলব্ধিক গীত-কবিতাসমূহত ৰূপায়ণ কৰিছে আৰু অসমৰ গীতি-সাহিত্যৰ জগতখনক অভিনৱ মাত্ৰা প্ৰদান কৰি অবিসম্বাদী ৰূপত নিজৰ স্থান যুগমীয়া কৰি থৈ গৈছে। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, ছেপ্টেম্বৰ, ২০২৫

১। চি ভি ৰমণ।

২। শতকলৈ ১৩ ৰান বাকী অৰ্থাৎ ৮৭ ৰান।

৩। গতি।

৪। চাৰি বেদ।


৫। হুণ্ডাই (Hyundai)।❖



# Lord of the Flies

■ **Pallavi Dutta**

*(Continued from September issue)*




A meeting is summoned to discuss what to do where Jack confronts Ralph again. He demands to be elected chief outright. When the boys hesitate, Jack furiously breaks away, declaring that he will start his own tribe. This defiant move cracks the group apart. Many boys, especially the older ones, secretly slip away to join Jack, enticed by the excitement of hunting and the freedom from rules.

Jack's new tribe establishes its base at Castle Rock, a rocky, defensible part of the island. There, the boys embrace savagery. They smear their faces with paint, which both disguises their identities and liberates them from shame. They hunt relentlessly, revelling in the thrill of the kill, and begin to create rituals around their hunts. They leave part of their kills as offerings to the "beast," believing that they can appease it through sacrifice.

In stark contrast, Ralph's group dwindles. He clings to the conch, the shelters, and the signal fire, but his authority weakens daily. Piggy remains his only strong ally, while Samneric and a few littluns hesitate between loyalty and fear.

Amid this turmoil, Simon, the shy, introspective boy, retreats to a secluded glade in the forest. Sensitive to the fear consuming the others, he searches for truth. In a hallucinatory encounter, he imagines speaking with the pig's head impaled on a stick—The Lord of the Flies—swarming with flies. The grotesque head taunts Simon, telling him that the beast is not something that can be hunted or killed. Instead, it reveals that the real beast is the darkness within each boy—their own savagery.

As the boys' fragile community continues to dismantle, Simon emerges as a figure of quiet insight. Unlike the others, he does not fear the "beast" in the same way. Intuitively, Simon senses that the real danger does not come from outside, but from within the boys themselves. Their own instincts toward savagery. Drawn by this sense of truth, Simon isolates himself in a serene and beautiful forest glade. Here, he experiences visions and confronts the pig's head mounted on a stick by Jack's hunters, an offering to the imagined beast.

This grisly object becomes known as The Lord of the Flies, buzzing with flies and grotesquely grinning. In a hallucination, Simon imagines it speaking to him, mocking his efforts to resist fear. The "voice" tells Simon that the beast cannot be hunted down or killed, because it is not an external creature—it lives inside every human being. The head tells him that he, Simon, will never escape it. This vision confirms Simon's suspicions: the boys' terror is simply a projection of their own inner darkness. The true beast is human savagery itself.❖

*Contd.*





# You can travel to the past

■ **Swadesh Gogoi**

Humans have always been fascinated by the concept of time. We live in the present but keep thinking about what has already happened and what is going to happen. How would it feel if you could travel to the past? The time machine hasn't been invented yet. But, if you travel in a flight from Japan to the USA, you would arrive in the USA at a time earlier than when your flight departed from Japan. So in a way you indeed travelled to the past. This fascinating phenomenon occurs due to something called the International Date Line. The International Date Line is an imaginary line on Earth that runs from the North Pole to the South Pole. It is located at about 180 degrees longitude in the Pacific Ocean. When you cross this line, the date changes. If you cross it going to the west, you add a day, and if you cross it going to the east, you subtract a day. The International Date Line is used to help keep track of time and dates around the world. Because the Earth is divided into different time zones, the date line helps ensure that everyone is on the same calendar day. Without it, there would be confusion about what day it is in different parts of the world. It helps travellers and people doing business internationally know when to change the date as they move across our planet. ❖

# World's favourite fruit

We all love fruits of different shapes and sizes, from juicy mangoes in the summer to crunchy apples in the winters, some of us love the sweet grapes while others prefer the sour gooseberry. But have you ever wondered what is the world's favourite fruit? What is the fruit that gets sold the most all around the world? The answer may surprise you. It is not a fruit that you usually get when you go out to buy fruits, rather most of us buy it when we go to buy vegetables. A few of you have probably guessed it by now that I'm talking about tomatoes. Tomatoes are not classified as vegetables in botanical terms because they develop from the flower of the plant and contain seeds, which are characteristics of fruits and like all fruits, can be eaten directly without cooking. But we are most familiar with it as something that is used in our everyday dishes. Most of the world didn't even know about tomatoes until five hundred years ago. Tomatoes originated in the Andes Mountains of South America and it was cultivated by the Aztec civilization. It was first brought to Europe in the 16th century by Spanish travellers. Even then, it was initially treated as an ornamental plant, grown in the garden along with flowers. From Europe, the tomato's cultivation gradually expanded, making it popular and the most widely consumed fruit around the world today. ❖



# কুইজ



■ **দীপাংকৰ কৌশিক**

**জুবিন গাৰ্গ সম্পৰ্কীয় বিভিন্ন তথ্যৰে সজোৱা হৈছে এইবাৰৰ শিতান।**

১। তলৰ ফটোখনত জুবিন গাৰ্গে গ্ৰহণ কৰি থকা বঁটাটোৰ নাম কি?




২। কোনগৰাকী প্ৰখ্যাত সংগীতজ্ঞৰ নামেৰে জুবিন গাৰ্গৰ নামটো ৰখা হৈছিল?

৩। জুবিন গাৰ্গৰ পিতৃৰ নাম মোহিনী মোহন বৰঠাকুৰ। তেওঁ কোনটো ছদ্মনামেৰে লেখা-মেলা কৰিছিল?

৪। জুবিন গাৰ্গৰ জন্ম ক'ত হৈছিল?

৫। 'অনামিকা' ১৯৯২ চনত মুক্তি পাইছিল। এইখন আছিল জুবিনৰ প্ৰথম একক এলবাম। অৱশ্যে দুটা গানত মুম্বাইৰ শিল্পী এগৰাকীয়েও কণ্ঠদান কৰিছিল। শিল্পীগৰাকীৰ নাম কি?

৬। আকাশবাণী ডিব্ৰুগড়ৰ বাবে জুবিন গাৰ্গে হীৰেন ভট্টাচাৰ্য্যৰ এটা গান বাণীবদ্ধ কৰিছিল। কি আছিল সেই গানটো?

৭। 'পাখি'—২০০০ চনত মুক্তিপ্ৰাপ্ত জুবিন গাৰ্গৰ জনপ্ৰিয় এলবাম। এই এলবামটো কাৰ নামত উছৰ্গা কৰা হৈছিল?

৮। জুবিন গাৰ্গে সংগীত পৰিচালনা কৰা প্ৰথমখন অসমীয়া চলচ্চিত্ৰৰ নাম কি?

৯। বিখ্যাত গায়ক কিশোৰ কুমাৰৰ প্ৰতি সন্মান জনাই দুটা খণ্ডত জুবিন গাৰ্গে দুটা এলবামত গীত গাইছিল। এলবাম দুটাৰ নাম কি?

১০। জুবিন গাৰ্গে পৰিচালনা কৰা প্ৰথমখন চলচ্চিত্ৰৰ নাম কি?

১১। জুবিন গাৰ্গৰ সৈতে অংগৰাগ পাপন মহন্তই ১৯৯৭ চনতে মুক্তিপ্ৰাপ্ত এটা এলবামত কণ্ঠ নিগৰাইছিল। কি আছিল নামটো?

১২। জুবিন গাৰ্গে 'দীনবন্ধু' চলচ্চিত্ৰখনত সংগীত পৰিচালনা কৰা আৰু গীত গোৱাৰ লগতে অভিনয়ো কৰিছিল। কোনটো চৰিত্ৰত তেওঁ অভিনয় কৰিছিল?

১৩। 'গেংষ্টাৰ' চলচ্চিত্ৰখনৰ 'য়া আলী' গীতটোৰ বাবে জুবিন গাৰ্গে দুটা ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল। বঁটা দুটাৰ নাম কি কি?

১৪। 'মিছন চাইনা'ৰ বাবে যদি কৰ্ণেল গোস্বামী, 'ডক্তৰ বেজবৰুৱা'ৰ বাবে ডিএছপি মহাদেৱ বৰবৰুৱা হয় তেন্তে 'চিকাৰ'ৰ বাবে কি হ'ব?

১৫। 'শিশু' জুবিন গাৰ্গৰ জনপ্ৰিয় এলবাম। এই এলবামটো কাৰ নামত উছৰ্গা কৰা হৈছিল? ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীৰ নাম—ছেপ্টেম্বৰ, ২০২৫

অনুষ্কা নাথ (পঞ্চম ঘ), নৱজিৎ কলিতা (নৱম ঘ), দিয়াশ্ৰী তামুলী (অষ্টম ঘ), ময়ূৰ ডেকা (অষ্টম ঘ), জিচান ৰায় (সপ্তম গ), হৃদয় চৌধুৰী (অষ্টম ঘ), হৰজিৎ মহন্ত (অষ্টম খ), দিচান কলিতা (অষ্টম ঘ), সুপ্ৰতীক সঞ্জীৱ ডেকা (সপ্তম ঘ)। ❖





# সংগীত জগতৰ এটি উজ্জ্বল নক্ষত্ৰ হেৰাই গ'ল

■ হৃষিতা কলিতা
দশম শ্ৰেণী

আকাশে গাতে ল'বৰে মন
সাগৰ তলিত শুবৰে মন...।

হয়তো এই গীতটিয়ে বাস্তৱ ৰূপ ল'লে। বিশ্বাস কৰিব নোৱৰাকৈ তেওঁ আমাক এৰি থৈ এক অজান দেশলৈ গুচি গ'ল। সমগ্ৰ অসমবাসীৰ বাবে যেন এটি অসহনীয় মৃত্যু। সঁচাকৈয়ে সাগৰ তলিত শুবৰ মন আছিল বাবেই হয়তো তেওঁ সাগৰ তলিতে শুই পৰিল।

নিজৰ সুকণ্ঠৰে শিশুৰ পৰা ডেকা-বুঢ়া সকলোৰে মন জয় কৰি সকলোৰে বুকুত গভীৰ স্থান লোৱা আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গে যোৱা ১৯ ছেপ্টেম্বৰ, ২০২৫ তাৰিখে ছিংগাপুৰৰ সাগৰৰ বুকুতে শেষ নিশ্বাস ত্যাগ কৰিলে।

জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকা, এওঁলোকৰ পাছতে আমাৰ হৃদয়ত তথা সংগীতৰ আকাশত এটি ধ্ৰুৱতৰাৰ স্থান লোৱা জুবিন গাৰ্গ আমাৰ অসমীয়াৰ মনত সদায় সেই ধ্ৰুৱতৰাটো হৈয়ে জিলিকি থাকিব। এই উজ্জ্বল নক্ষত্ৰটোৱে সমগ্ৰ অসমবাসীকে কন্দুৱাই ৫২ বছৰ বয়সতে মৃত্যুক সাবটি ল'লে। এইগৰাকী শিল্পীয়ে ৪০টা ভাষাত ৩৮ হাজাৰতকৈও বেছি গীতত কণ্ঠদান কৰি সংগীতৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

কেতিয়াও যেন এই অসহনীয় মৃত্যুক বিশ্বাস কৰিব নোৱাৰিম।

চিলা চিলা চিলা মই
তোৰ আকাশৰে
উৰি উৰি ফুৰোঁ মই
ডাৱৰে পোহৰে

সঁচাকৈয়ে যেন সেই দূৰ-দূৰণিৰ চিলাখন হৈ তেওঁ ডাৱৰ-পোহৰৰ সৈতে বিলীন হৈ গ'ল। শেষত এই সংগীত জগতৰ নক্ষত্ৰলৈ হিয়া ভৰা শ্ৰদ্ধা যাচিলোঁ।



**তেওঁলৈ বুলি...**

সুৰৰ সাগৰত জন্মিলা তুমি
গানেৰে সজালা অসমভূমি
হৃদয়ৰ হাঁহি চকুৰ নীৰ
সকলো সুৰত তুমি অনন্ত ধীৰ

তোমাৰ গানত জীৱনৰ বাণী
বেদনাৰ অন্তত সুখৰ ৰাগি
পৰাণৰ গভীৰ অন্ধকাৰত
তুমি দেখুৱাইছা আলোকৰ পথ

জীৱন-মৃত্যুৰ সীমাৰ আঁচল
অতীত-ভৱিষ্যৎ তোমাৰ কণ্ঠত ধল
অসমৰ মাটিত তুমি অনন্ত স্বৰ
মানুহৰ প্ৰাণত তুমি অমৰ

সকলো হিয়াৰ নিঃশব্দ কান্দোন
তোমাৰ সুৰত পায় মৰমৰ বান্ধোন
শ্ৰদ্ধা, নম্ৰতা, আঁচল ভৰাই
অমৰ জুবিন, জনতাৰ হৃদয়ত তোমাৰ ঠাই ❖



# গ্ৰহাণু আৰু ধূমকেতুত জীৱনৰ বীজ

■ কৃতী দাস
অষ্টম শ্ৰেণী



সৌৰজগত সৃষ্টি কৰা সৌৰ নীহাৰিকাখনৰ গধুৰ মৌল, যেনে—আইৰন, চিলিকন, মেগনেছিয়াম আৰু কাৰ্বন আদিৰে গঠিত পদাৰ্থ গোটসমূহৰ কিছুমানে গ্ৰহ গঠনত ভাগ নলৈ সৰু সৰু শিলাখণ্ড ৰূপত থাকি গ'ল। ইহঁতক গ্ৰহাণু বোলা হয়। গ্ৰহাণুবোৰৰ আকাৰ ১০ মিটাৰৰ পৰা ১০০০ কিল'মিটাৰ পৰ্য্যন্ত হ'ব পাৰে। মঙল আৰু বৃহস্পতি গ্ৰহৰ কক্ষপথৰ মাজত গ্ৰহাণুৰ পটি (asteroid belt) এটা আছে। সৌৰজগতৰ সৃষ্টিৰ পাছত গ্ৰহাণুবোৰৰ বিশেষ গঠনমূলক সালসলনি হোৱা নাই, গতিকে ইহঁতৰ বুকুত সৌৰজগতৰ আদিম অৱস্থাৰ ৰহস্য লুকাই আছে। সদ্যহতে বিজ্ঞানীসকলে নাছাৰ OSIRIS-REx নামৰ গ্ৰহাণু অভিযানৰ সহায়ত বেন্নু (Bennu) নামৰ ৫৯০ মিটাৰ ব্যাসৰ গ্ৰহাণুটোৰ ৰাসায়নিক গঠন জানিব পাৰিছে। ২০১৬ চনত উৎক্ষেপণ কৰা এই মহাকাশযানখনে ২০২০ চনৰ অক্টোবৰত বেন্নু পৃষ্ঠত অৱতৰণ কৰিছিল। ই গ্ৰহাণুটোৰ পৰা পদাৰ্থৰ কিছু নমুনা সংগ্ৰহ কৰি ২০২৩ চনৰ ছেপ্টেম্বৰত সফলভাৱে পৃথিৱীলৈ ঘূৰি আহে। বেন্নুৰ পৰা সংগ্ৰহ কৰা পদাৰ্থখিনিৰ আণৱিক গঠন অধ্যয়ন কৰি বিজ্ঞানীসকলে গম পালে যে ই কাৰ্বন আৰু পানীৰ অণুৰে গঠিত। ই এক চমকপ্ৰদ আৱিষ্কাৰ। কাৰ্বন আৰু পানীৰ অণু জীৱৰ বাবে অতি প্ৰয়োজনীয়। অৰ্থাৎ গ্ৰহাণুৰ অধ্যয়নৰ পৰা আমি গম পালোঁ যে পৃথিৱীৰ সৃষ্টি হোৱাৰ পূৰ্বেই ইয়াৰ জীৱসমূহৰ বাবে লাগতিয়াল কেঁচা সামগ্ৰীসমূহ সৌৰ নীহাৰিকাত উপস্থিত আছিল।

নেপচুনৰ কক্ষপথৰ বাহিৰত এক অতি শীতল অঞ্চলত বাওনা গ্ৰহৰ পটি এটা আছে। ইয়াক কুইপাৰ পটি (Kuiper belt) বোলা হয়। এই অঞ্চলৰ তাপমান শূন্যৰ ২২০ ডিগ্ৰীমান তলত। পৃথিৱীৰ পৰা ৩০ হাজাৰ কোটি কিল'মিটাৰৰ পৰা ১৫ লাখ কিল'মিটাৰৰ ভিতৰত হিমীভূত পদাৰ্থৰ মেঘৰ দৰে এটা অঞ্চল আছে। ইয়াক অ'ৰ্ট মেঘ (Ort cloud) বোলে। ইয়াৰ পৰাই ধূমকেতুৰ উৎপত্তি হয়। ধূমকেতুবোৰ আদিম সৌৰ নীহাৰিকাৰ অৱশিষ্ট শিলাখণ্ড আৰু বৰফ হৈ যোৱা গেছ, যেনে—মিথেন, এম'নিয়া আৰু হাইড্ৰ'জেনেৰে গঠিত। অৰ্থাৎ এইবোৰ সৌৰ নীহাৰিকাৰ একেবাৰে বাহিৰ ফালৰ শীতল পদাৰ্থৰ ঘনীভূত ৰূপ। ইউৰোপীয়ান স্পেচ এজেন্সিৰ ৰ'ছেট্টা (Rosetta) অভিযানত ২০০৪ চনত ধূমকেতু এটাৰ পৃষ্ঠভাগৰ অধ্যয়ন কৰি গম পোৱা গ'ল যে ই কাৰ্বন আৰু অক্সিজেনৰ যৌগ, নাইট্ৰ'জেনৰ অণু আৰু পানীৰ অণুৰে গঠিত। গতিকে এই কথা ধাৰণা কৰা হৈছে যে গ্ৰহাণু আৰু ধূমকেতুবোৰেই জৈৱ পদাৰ্থ আৰু পানী পৃথিৱীলৈ কঢ়িয়াই আনি ইয়াত জীৱৰ সৃষ্টি আৰু বিকাশৰ পৰিৱেশ গঢ় দিছিল।❖





# গৰমৰ বন্ধত শ্বিলঙলৈ এপাক

■ স্বৰ্ণভ পাটোৱাৰী
ষষ্ঠ শ্ৰেণী



এইবাৰ গৰমৰ বন্ধত শ্বিলঙলৈ যাম বুলি মা-দেউতাক বৰকৈ আমনি কৰি আছিলোঁ। দেউতাই নিজৰ কামৰ দায়িত্ব এৰি যাব নোৱাৰোঁ বুলি কৈছিল, কিন্তু পাছত এদিন অফিচলৈ ছুটী বিচাৰি আবেদন কৰিছিল যদিও ছদিন পাছতহে ছুটী মঞ্জুৰ হ'ল। মই ভবা মতে কাম হ'ল, আমি শ্বিলঙলৈ যাবলৈ পাৰিম বুলি কোৱাৰ লগে লগে মোৰ গা সাতখন-আঠখন লাগিল। আমি আমাৰ নিজৰ গাড়ীখন লৈ মা-দেউতা, মই আৰু দেউতাৰ বন্ধুৰ পৰিয়াল এটা একেলগে পুৱা প্ৰায় ৭ মান বজাত ৰাওনা হ'লোঁ। গৈ থাকোঁতে আমি শ্বিলঙৰ কিছু সৌন্দৰ্য্য ম'বাইলত আবদ্ধ কৰি ৰাখিলোঁ। শ্বিলঙৰ মনোমোহা সৌন্দৰ্য্যবোৰ দেখি মই ক'ব নোৱৰা হৈ পৰিলোঁ। তাৰ পাছত শ্বিলঙতে কিবা অলপ খাই আকৌ আমি ৰাওনা হ'লোঁ চেৰাপুঞ্জীলৈ। তালৈ যাওঁতে বহুত ভয় লাগিছিল, কাৰণ ডাঠ কুঁৱলীৰ বাবে ৰাস্তাবোৰ ভালদৰে দেখা পোৱাত অসুবিধা হৈছিল। এনেদৰে গৈ গৈ আমি চেৰাপুঞ্জীৰ সাতভনী নামৰ ঠাইখিনি পালোঁ আৰু তাত ইমানেই ঠাণ্ডা লাগিছিল যে মই কঁপি গৈছিলোঁ। বহুত বৰষুণ দি থকাৰ বাবে আমি সকলো সৌন্দৰ্য্য ভালদৰে উপভোগ কৰিবলৈ নাপালোঁ। ডাঠ কুঁৱলীয়ে ঠাইবিলাক নিমিষতে আৱৰি ধৰে আৰু নিমিষতে নোহোৱা হয়। এনেদৰে কিছু সময় থাকি খোৱা-বোৱা কৰি আমি আকৌ ৰাওনা হ'লোঁ শ্বিলঙলৈ বুলি। শ্বিলঙত ৰাতি হোটেলতে থাকি পুৱা শ্বিলঙত থকা মেঘালয়ৰ আটাইতকৈ পুৰণি গীৰ্জাঘৰটোলৈ গ'লোঁ। তাৰ পৰিবেশটো মোৰ জীৱনৰ এটা পাহৰিব নোৱৰা স্মৃতি হৈ থাকিব। তাত উপাসনা কৰি বৰ ভাল লাগিল। তাৰ পবিত্ৰ তথা গহীন পৰিবেশে মনলৈ শান্তি কঢ়িয়াই আনে। তাৰ পাছত তাত থকা স্থানীয় উদ্যানখন চাবলৈ গ'লোঁ। উদ্যানখন বহুত ধুনীয়া।

এটা কথা ক'বই লাগিব যে শ্বিলং বৰ পৰিষ্কাৰ চহৰ। তাৰ ৰাস্তাবোৰত এটা পলিথিন, এটা পাত, এখন কাগজো পৰি থাকিবলৈ নিদিয়ে। এনেদৰে আমি শ্বিলঙৰ সকলো পৰিবেশ উপভোগ কৰি গধূলি ঘৰলৈ বুলি উভতিলোঁ।❖

## তোমালোকৰ বাবে প্ৰশ্ন—অক্টোবৰ, ২০২৫

১। ড° ভবেন্দ্ৰ নাথ শইকীয়া আৰু কেশৱ মহন্তৰ স্মৃতিত জুবিন গাৰ্গে কোনটো এলবাম উছৰ্গা কৰিছিল?

২। সংগীতৰ আনুষ্ঠানিক শিক্ষাৰ লগতে তবলাবাদনৰো শিক্ষা জুবিনে কম বয়সতে লৈছিল এগৰাকী ব্যক্তিৰ পৰা। কোন আছিল তেওঁ?

৩। 'অনামিকা' যদিও জুবিন গাৰ্গৰ প্ৰথম মুক্তিপ্ৰাপ্ত এলবাম, তাৰ পূৰ্বে কিন্তু অন্য এটা এলবামৰ বাবে তেওঁ দুটা গীত বাণীবদ্ধ কৰিছিল। এলবামটিৰ নাম কি আছিল?

৪। জুবিন গাৰ্গৰ প্ৰথমটো একক হিন্দী এলবামৰ নাম কি?

৫। জুবিন গাৰ্গে চলচ্চিত্ৰত অভিনয় কৰা প্ৰথম চৰিত্ৰটোৰ নাম কি আছিল? ❖



# বেতনী গাঁৱৰ পৰা আমেৰিকালৈ এক সুদীৰ্ঘ যাত্ৰা

■ ৰশ্মিনন্দা কলিতা

পঞ্চম শ্ৰেণী



অসম-অৰুণাচল সীমান্তৰ কাকপথাৰ নামৰ ঠাইৰ ওচৰৰ জংঘল কাটি এখন ঘৰ সাজি বাস কৰিবলৈ লৈছিল ল'ৰাজনৰ পূৰ্বপুৰুষে। পাছলৈ সেয়া এখন গাঁৱলৈ পৰিণত হয়। তেওঁলোকৰ ঘৰুৱা অৱস্থা ভাল নাছিল। খেতি কৰি জীৱন নিৰ্বাহ কৰিছিল ল'ৰাজনৰ দেউতাকে। কেতিয়াবা খেতি হয়, কেতিয়াবা নহয়। হোৱা বছৰ পইচা ধাৰ নোলোৱাকৈ কোনোমতে পেটে-ভাতে খায়। নোহোৱা বছৰ আধাদিন আনৰ পৰা পইচা খুজি, বাৰীৰ ফল-পাচলি বিক্ৰী কৰি কিবাকৈ খায় আৰু বাকী দিনকেইটাত ভোকত ৰ'ব নোৱাৰি পেটত গামোচা বান্ধি শুই থাকে। ল'ৰাজনৰ আইতাক, দেউতাক, পেহীয়েক তিনিগৰাকী, মাক, বায়েক-ককায়েক, ভায়েকহঁত আৰু ল'ৰাজনকে ধৰি বাৰ-তেৰজনীয়া এটা পৰিয়াল। দুখ-দুৰ্দশাৰ মাজতে ল'ৰাজনে মেট্ৰিক পাছ কৰিছিল। আনকি পঢ়িবলৈ তেওঁ ভাল লেম্প এটাও যোগাৰ কৰিব পৰা নাছিল। বিজ্ঞান বিষয়ৰ শিক্ষক-শিক্ষয়িত্ৰী নথকা এখন চৰকাৰী বিদ্যালয়ৰ পৰা ল'ৰাজনে সুখ্যাতিৰে মেট্ৰিক পাছ কৰিছিল। মেট্ৰিকৰ ফলাফল চাবলৈ ল'ৰাজনে বিদ্যালয়লৈ যোৱাৰ ঘটনাটো আছিল এনেকুৱা—পুৱাই উঠি খেতিপথাৰত কাম নকৰি গা-পা ধুই তেওঁ ফলাফল ল'বলৈ গ'ল। তেওঁলোকৰ ঘৰৰ পৰা বাছ আস্থান থকা টঙনালৈ খোজ কাঢ়ি যাব লাগে। কাৰণ তেওঁলোকৰ ঘৰৰ পৰা টঙনালৈ যোৱা ৰাস্তাটো খুব বেয়া। সেয়ে গাড়ী-মটৰ অহা-যোৱা নকৰে। তেওঁ টঙনাত বাছত উঠি কাকপথাৰ হায়াৰ ছেকেণ্ডাৰী স্কুললৈ বুলি যাত্ৰা কৰিলে। শেষত তেওঁলোকে পৰীক্ষা দিয়া কেন্দ্ৰটো পালে। তাত কোনোবাই চিঞৰি ক'লে যে ৰিজাল্ট দুই-আঢ়ৈ বজামানতহে আহিব। ঠিক দুই বজাত ন'টিছ ব'ৰ্ডত ৰিজাল্ট আহিল। ল'ৰাজনে উদ্‌গ্ৰীৱতাৰে ব'ৰ্ডৰ ফালে দৌৰিলে। কিন্তু ভিৰৰ মাজত একোকে নেদেখিলে। এবাৰ কোনোমতে ন'টিছ ব'ৰ্ডৰ সমীপত অৱস্থান কৰিলে। এবাৰ-দুবাৰকৈ বহুবাৰ চালে যদিও নিজৰ নম্বৰটো নেদেখিলে। তেনে সময়তে ল'ৰাজনৰ হৃদপিণ্ড বন্ধ হৈ গ'লহেঁতেন যদি তেওঁৰ চকু ব'ৰ্ডখনৰ বাঁওফালৰ একেবাৰে ওপৰলৈ নগ'লহেঁতেন। তাত লিখা আছিল—ফাৰ্ষ্ট ডিভিজন, ৰোল নং ০৩২০। সেয়া আছিল ল'ৰাজনৰ নম্বৰটো। উভতি আহিছিল ল'ৰাজনে গৌৰৱেৰে। সকলোৱে ৰিজাল্ট সোধাত সেই সুখবৰটো দিলে। তেওঁ ঘৰলৈ অহাত ঘৰৰ মানুহে তেওঁক বেৰি ধৰি ৰিজাল্ট সুধিলে। ভাল খবৰটো শুনি সকলোৱে আনন্দ পালে। ৰিজাল্ট দিয়াৰ পাছদিনাই গৈ ল'ৰাজনৰ দেউতাকে পাঁচ হাজাৰ টকা আনিছিল দুবিঘা মাটি বন্ধকত থৈ। তাৰ পাছত এদিন দেউতাকে ল'ৰাজনক তিনিচুকীয়ালৈ লৈ গ'ল। ল'ৰাটোৱে প্ৰথমবাৰ তিনিচুকীয়া দেখিছিল। কাৰণ ল'ৰাজনে বাস কৰিছিল ২নং বেতনী গাঁৱত আৰু তেওঁ গৈ পাইছিল কেৱল কাকপথাৰলৈহে। দেউতাকে তেওঁক চেনাইৰাম হায়াৰ ছেকেণ্ডাৰীত নাম লগাই দিয়াৰ কথা ভাবিলে। দিনকেইটা ভালেই গৈছিল। প্ৰথমে ঘৰৰ পৰা তিনিচুকীয়ালৈ অহা-যোৱা কৰিছিল আৰু পাছত হোষ্টেলত থাকিল যদিও তাত পঢ়াৰ পৰিৱেশ নথকাত হোষ্টেলৰ পৰা ওলাই আহি মনে মনে ভাৰাঘৰ এটালৈ গুচি গ'ল। মনে মনে গুচি যোৱাৰ কাৰণ হোষ্টেলৰ পৰা কোনোবা যাব খুজিলেও

ডাঙৰবোৰে যাবলৈ নিদিছিল অথবা গ'লেও ওভতাই আনিছিল। কেতিয়াবা ল'ৰাজনে আনে ভাল নোবোলা কামো কৰিছিল কেৱল কিতাপ কিনাৰ বাবে আৰু ঘৰৰ আৰ্থিক অৱস্থাৰ বাবে। এনেদৰে প্ৰথমে বিজ্ঞানৰ শিক্ষক নথকা এখন সৰু বিদ্যালয়ত, তাৰ পাছত ক্ৰমে কৈলাসপুৰ মধ্য ইংৰাজী বিদ্যালয়, তিনিচুকীয়াৰ চেনাইৰাম হায়াৰ ছেকেণ্ডাৰী, তিনিচুকীয়া কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি জ্ঞানৰ পৃথিৱীলৈ সোমোৱাৰ যাত্ৰা আৰম্ভ কৰিছিল ল'ৰাজনে। পৰৱৰ্তী সময়ত আমেৰিকাৰ মাছাচুছেট্ছ বিশ্ববিদ্যালয়লৈ গৈ গৱেষণাত ব্ৰতী হয় ল'ৰাজন। এনেদৰে শৈশৱ-যৌৱনত দৰিদ্ৰতা আৰু নানান প্ৰতিবন্ধকতাৰ বিৰুদ্ধে অশেষ সংগ্ৰাম কৰি এদিন আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাছাচুছেট্ছ বিশ্ববিদ্যালয়ৰ পৰা আধুনিক জীৱবিজ্ঞানৰ এক যুগান্তকাৰী আৱিষ্কাৰ 'জিন এডিটিঙ'ৰ (gene editing) বিষয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে ল'ৰাজনে। সেইজনেই হৈছে দৰিদ্ৰতাৰ সীমা নেওচি ২নং বেতনী গাঁৱৰ পৰা আমেৰিকালৈ যোৱা বিজ্ঞানী, অসমৰ সুযোগ্য সন্তান ড° ৰুবুল মাউত।

শেহতীয়াকৈ তেওঁৰ এটা নতুন আৱিষ্কাৰে বিশ্বৰ বুকুত খলকনিৰ সৃষ্টি কৰিছে। তেওঁৰ দ্বাৰা আৱিষ্কৃত এক বিশেষ প্ৰ'টিন অণুৱে সক্ৰিয় কৰিব পাৰিব মানুহৰ অসংক্ৰম্যতা তন্ত্ৰ (immune system)। কৰ্কট কোষ অথবা বীজাণু ধ্বংসকাৰী আমাৰ শৰীৰত 'টি-লিম্ফচাইট' (T-lymphocyte) সৃষ্টি কৰাত সহায় কৰিব পাৰিব এই কৃত্ৰিম প্ৰ'টিন অণুৱে। এই প্ৰ'টিন অণুটো কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰি তৈয়াৰ কৰা হৈছিল।


অতি গুৰুত্বপূৰ্ণ কথা যে তেওঁ নেতৃত্ব দিয়া এই সম্পৰ্কীয় গৱেষণা যোৱা আগষ্ট মাহৰ ১ তাৰিখে বিশ্ববিখ্যাত জাৰ্নেল চেলত (Cell) প্ৰকাশ পাইছে।❖

# প্ৰকৃতি বিষয়ক তিনিখন গ্ৰন্থ


**■ শিপা ভৰদ্বাজ**

সপ্তম শ্ৰেণী

মানুহৰ সমাজবোৰ, মানুহৰ জীৱন প্ৰণালী আদি আজিৰ এই অৱস্থা পাবলৈ লাগিছিল কেইবা হাজাৰ বছৰ। মানুহৰ ঘৰ-দুৱাৰ, আলি-পদূলি, খেতি-খোলা, অস্ত্ৰ-শস্ত্ৰ, বাচন-বৰ্তন, পূজা-অৰ্চনা, যাতায়াত ব্যৱস্থা, শিক্ষা-বিদ্যা আদি সকলো দিশতে মানুহে আজি কিমান উন্নতি সাধন কৰিছে আমি দেখি আহিছোঁ। এয়া ক্ৰমবিকাশৰহে ফল। বহু হাজাৰ বছৰ পূৰ্বে পৃথিৱীৰ বিভিন্ন ঠাইত কিছুমান মানৰ গোটে সুশৃংখলিত, সুবিধাজনক সমাজ-ব্যৱস্থা, জীৱন প্ৰণালী গঢ়ি তোলাৰ চেষ্টা কৰিছিল নিজৰ চিন্তা আৰু বিদ্যা-বুদ্ধি খটুৱাই। ফলত পৃথিৱীৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠিছিল ভিন্ন ভিন্ন মানৰ সভ্যতা। বিভিন্ন কাৰণত ধ্বংস হোৱা এই প্ৰাচীন সভ্যতাসমূহৰ বিষয়ে কিন্তু আমি জানিব পাৰোঁ। ভূতত্ত্ব, নৃতত্ত্ব, ইতিহাস আদি বিষয়ৰ গৱেষকসকলে সেই প্ৰাচীন সভ্যতাসমূহৰ বিষয়ে স্পষ্ট ধাৰণা দিয়াৰ লগতে বহু নিদৰ্শন, চিহ্ন আদি দাঙি ধৰিছে। এনে বিষয়ক এখন সুন্দৰ-সচিত্ৰ শিশু উপযোগী গ্ৰন্থ হ'ল 'প্ৰাচীন সভ্যতা'। অসম প্ৰকাশন








পৰিষদৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনৰ লেখক দিগন্ত ওজা। গ্ৰন্থখনৰ প্ৰথম তিনিটা অধ্যায় আটাইতকৈ গুৰুত্বপূৰ্ণ। মানৱৰ বিৱৰ্তন, আদিম মানুহ সন্দৰ্ভত সংক্ষেপে প্ৰথম অধ্যায়টোত আছে। পাছৰ দুটা অধ্যায়ত প্ৰাচীন সভ্যতাসমূহৰ সময়সীমা সন্দৰ্ভত লিখা হৈছে। তাৰ পাছৰ অধ্যায়সমূহত মেছোপটেমিয়া, ইজিপ্ত, সিন্ধু, চীন, পেৰু, আৰু মধ্য আমেৰিকাৰ প্ৰাচীন সভ্যতাৰ বিষয়ে লিখা হৈছে। গ্ৰন্থখনত তথ্য আছে। খুব কম কথাত সভ্যতাসমূহৰ বিষয়ে লিখা হৈছে। বহুতো ছবিৰ স'তে গ্ৰন্থখন এনেদৰে অলংকৰণ কৰা হৈছে যাতে পঢ়ুৱৈৰ মনোযোগ বিচ্ছিন্ন নহয়। কিছুমান বিশেষ তথ্য ডাঙৰ হৰফত বা গাঢ়ভাৱে দিয়া হৈছে যাতে সেইসমূহ সহজে চকুত পৰে।

লেখক, সমালোচক, সংকলক তথা শিশু-সাহিত্যিক দিগন্ত ওজাৰ আন দুখন আকৰ্ষণীয় গ্ৰন্থ হ'ল— 'ইমান যে উদ্ভিদ' আৰু 'ইমান যে প্ৰাণী'। নাম দুটালৈ চাই ভাবিব পাৰি যে সচৰাচৰ দেখা বা নেদেখা উদ্ভিদ আৰু প্ৰাণীৰ নাম, ছবি অথবা সংক্ষিপ্ত পৰিচয় গ্ৰন্থ দুখনত আছে। কিন্তু কথাটো ঠিক তেনেকুৱা নহয়। প্ৰাণী বা উদ্ভিদ সন্দৰ্ভত থকা বা সচৰাচৰ দেখা গ্ৰন্থসমূহতকৈ এই দুখন গ্ৰন্থ পৃথক। ইয়াত পৃথিৱীৰ বিভিন্ন ভৌগোলিক অঞ্চলত, বিভিন্ন জলবায়ুত থকা আজৱ-অদ্ভুত প্ৰাণী আৰু উদ্ভিদ কিছুমানৰ বিষয়ে লিখা হৈছে। অলেখ বিচিত্ৰ তথ্যেৰে ভৰি থকা গ্ৰন্থ দুখনে স্বাভাৱিকতে শিশু-কিশোৰ পঢ়ুৱৈক আশ্চৰ্য্যচকিত কৰাই নহয়, মনত জগাই তোলে অধিক জনাৰ হেঁপাহ। এই কাৰণতেই গ্ৰন্থ দুখনৰ লেখক নিজৰ উদ্দেশ্যত হয়তো সফল।

'ইমান যে প্ৰাণী' শীৰ্ষক গ্ৰন্থখনৰ বিভিন্ন অধ্যায়ত পৃথিৱীত থকা বিভিন্ন প্ৰজাতিৰ প্ৰাণীৰ সংখ্যা, সবাতোকৈ ডাঙৰ আৰু সৰু প্ৰাণী, ভয়ংকৰ প্ৰাণী, সাগৰ-বৰফ-মৰু অঞ্চলৰ প্ৰাণী, পৰ্বতৰ প্ৰাণী আদিৰ বিষয়ে লিখা হৈছে। তদুপৰি বিলুপ্ত হোৱাৰ পথত থকা প্ৰাণীসমূহৰ বিষয়ে এটা বিশেষ অধ্যায়ত লেখকে লিখিছে। শেষৰ অধ্যায়টোত লিখা হৈছে আমাৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক প্ৰাণীসমূহৰ বিষয়ে। গ্ৰন্থখনৰ বিভিন্ন ভৌগোলিক পৰিৱেশত বসবাস কৰা এনে কিছুমান আশ্চৰ্য্যকৰ প্ৰাণীৰ বিষয়ে আছে যে সেইবোৰ জানি আমাৰ দৰে বহু পঢ়ুৱৈৰ উৎসুকতা বাঢ়িব।

তেনেদৰে 'ইমান যে উদ্ভিদ' শীৰ্ষক গ্ৰন্থখনতো বিভিন্ন জলবায়ু, ভিন্ন ভৌগোলিক পৰিৱেশত গজি উঠা আজৱ কিছুমান গছ-লতিকাৰ বিষয়ে চমুটোকা আছে। বিশেষকৈ সবাতোকৈ সুন্দৰ গছ, মাংস খোৱা গছ আদিৰ বিষয়ে লিখা অধ্যায়কেইটা আকৰ্ষণীয়। একেবাৰে শেষৰ অধ্যায় দুটাত বিলুপ্ত হোৱাৰ পথত থকা উদ্ভিদ প্ৰজাতি আৰু আমাৰ ৰাষ্ট্ৰীয় তথা ৰাজ্যিক উদ্ভিদৰ বিষয়ে আছে। দুয়োখন পুথিতেই আছে ভালেসংখ্যক আকৰ্ষণীয় আলোকচিত্ৰ। বিচিত্ৰ, স্তম্ভিত হ'ব লগা বহু তথ্যেৰে দুয়োখন গ্ৰন্থ সমৃদ্ধ হৈছে। আমাৰ অসমীয়া ভাষাত এনে গ্ৰন্থ ৰচনা কৰি লেখক দিগন্ত ওজাই পঢ়ুৱৈ সমাজক উপকৃত কৰিছে। ❖







# বান

■ **পূবাঞ্চী দাস**

সপ্তম শ্ৰেণী



বান তই চলাৰ
কিয় ইমান তাণ্ডৱ?
তোৰ বাবেই ঘুণীয়া হয়
কিমান যে কৃষক বান্ধৱ
লুইতৰ পাৰ ভাঙি
তই পাৱ আনন্দ
তোৰ বাবেই
জগত হয় বিপদাপন্ন।
..............................
এইদৰে নক'বা তুমি
কাৰণ তুমি মানৱ
তুমি সাজা যন্ত্ৰ
ধ্বংস কৰা তুমি
প্ৰকৃতিৰ ৰূপ-লাৱণ্য,
মোক তুমি কৰিব নোৱাৰা
ক্ষমতাৰে শান্ত
কাৰণ মই
প্ৰকৃতিৰে এটা অংশ ❖

# আকাশৰ কথা

■ **ধীৰাশ্ৰী দাস**

পঞ্চম শ্ৰেণী

জিকমিক আকাশত
চিকমিক তৰা
জোনবাই এ মোকো এটি দিয়া।
হাতীপটি চাই আমি পাওঁ বৰ মজা
ধূমকেতুৰ ৰকেটখনি
দিয়াচোন চলাই।
বেয়া মানুহ মৰি গ'লে
পপীয়া তৰা হয়
গধূলি আইতাই সাধুকথাত কয়।
ধুনীয়া জোনবাই তোমাৰ
হালধীয়া মুখ
জোনাকীৰ জিলমিল
চাই পাওঁ সুখ। ❖

# বৰষুণ

■ **হৃদয় চৌধুৰী**

অষ্টম শ্ৰেণী

টোপ টোপ কৰি
সৰে যে মুকুতা মণি
হৃদয় যে জুৰাই দিয়ে
ই সৰগৰ মণি
বৰষুণে মুগ্ধ কৰে
সকলোৰে মন শৰীৰ
ই যে নাথাকিলে
নাথাকিব এই খাল-পুখুৰী
বৰষুণ বৰষিলে
ভৰে নদ-নদী জান-জুৰি। ❖



# আমেৰিকাৰ শুল্ক নীতি : ভাৰত-চীন-ৰাছিয়াৰ নতুন সমীকৰণ

■ প্ৰণীতা দেৱী



আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শুল্ক নীতিয়ে ভাৰত-আমেৰিকাৰ সম্পৰ্ক তিক্ততাপূৰ্ণ কৰি তুলিছে। ট্ৰাম্পে ভাৰতৰ অৰ্থনীতিক 'মৃত অৰ্থনীতি' আখ্যা দি ৰাছিয়াৰ পৰা তেল ক্ৰয় বন্ধ নকৰালৈকে শুল্ক বৃদ্ধি কৰি থাকিব বুলি সকীয়াই দিয়ে। ইয়াৰ লগতে তেওঁ ভাৰতে দেশ দুখনৰ মাজৰ বাণিজ্যিক বাধাসমূহ আঁতৰ কৰিব লাগিব বুলিও কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ইয়াৰ পোনপটীয়া প্ৰত্যুত্তৰ নিদিলেও বিশ্বজুৰি দেখা দিয়া অৰ্থনৈতিক অস্থিৰতাত প্ৰত্যেকখন দেশে নিজ স্বাৰ্থৰক্ষাত গুৰুত্ব দিয়াৰ সময়ত ভাৰত তৃতীয় বৃহৎ অৰ্থনীতিৰ দিশে ধাৱমান হৈছে বুলি মন্তব্য কৰে।

আমেৰিকাই ভাৰতীয় সামগ্ৰীৰ ওপৰত উচ্চ হাৰত শুল্ক আৰোপ কৰাৰ ফলত কিছুমান সামগ্ৰীৰ ওপৰত শুল্কৰ হাৰ ৫০ শতাংশ পৰ্য্যন্ত হয়গৈ। আমেৰিকাই 'এপল'ৰ দৰে কোম্পানীবোৰক ভাৰতত উৎপাদন নকৰিবলৈ হেঁচা প্ৰয়োগ কৰাৰ লগতে ভাৰতৰ প্ৰতিদ্বন্দ্বী পাকিস্তানৰ ওচৰলৈও গৈছে।

আমেৰিকাই ভাৰতৰ ওপৰত আৰোপ কৰা ২৫ শতাংশ শুল্ক যোৱা ৭ আগষ্টৰ পৰা কাৰ্য্যকৰী হয়। ২৭ আগষ্টৰ পৰা কিছুমান সামগ্ৰীৰ ওপৰত শুল্কৰ হাৰ ৫০ শতাংশ পৰ্য্যন্ত হয়গৈ। বিশেষকৈ ৰাছিয়াৰ লগত ভাৰতৰ তৈল বাণিজ্যৰ সৈতে জড়িত সামগ্ৰীসমূহত কৰৰ হাৰ বৃদ্ধি কৰা হয়। এই অতিৰিক্ত শুল্ক লোহা, তীখা আৰু এলুমিনিয়ামৰ সামগ্ৰীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। ভাৰতৰ বিদেশ মন্ত্ৰালয়ে আমেৰিকাৰ ওপৰত কোনো ধৰণৰ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণৰ পৰিকল্পনাৰ কথা ঘোষণা কৰা নাই যদিও দেশখনৰ শুল্ক নীতিক অন্যায় আৰু অযুক্তিকৰ বুলি অভিহিত কৰিছে।

আমেৰিকাৰ বৰ্ধিত শুল্কৰ প্ৰভাৱ ভাৰতীয় অৰ্থনীতিত পৰা পৰিলক্ষিত হৈছে। বস্ত্ৰ, অলংকাৰ, চামৰা আৰু জোতা-ছেণ্ডেলৰ ব্যৱসায়ৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ পৰিছে। ডলাৰৰ বিপৰীতে টকাৰ মূল্য নিম্নগামী হৈছে। ভাৰতীয় ৰপ্তানিকাৰী সংস্থা আৰু বাণিজ্য বিশেষজ্ঞসকলে ই ভাৰতীয় অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলাব বুলি মত প্ৰকাশ কৰিছে। আমেৰিকাৰ বজাৰৰ ওপৰত নিৰ্ভৰশীল ক্ষুদ্ৰ আৰু মজলীয়া ৰপ্তানিকাৰীসকলক সহায় কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে সাহায্য আঁচনিৰ কথাও ঘোষণা কৰিছে।

ভাৰতে ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰাটো আমেৰিকাৰ স্বাৰ্থৰ পৰিপন্থী হোৱাৰ বাবেই দেশখনে শুল্কক অৰ্থনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশৰ অৰ্থনীতি আৰু কৃষকসকলৰ ওপৰত কুপ্ৰভাৱ পেলাব পৰা কোনো বিষয়তে আপোচ কৰা নহ'ব বুলি দোহাৰিছে। আমেৰিকাই হেঁচা প্ৰয়োগ কৰাৰ পাছতে ভাৰতে যোৱা আগষ্ট মাহত ৰাছিয়াৰ পৰা প্ৰায় ২৯০ কোটি বেৰেল তেল ক্ৰয় কৰে। ব্যয়সাধ্য শক্তি আৰু মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ স্বাৰ্থত সস্তাত তেল ক্ৰয় কৰাটো ভাৰতৰ






বাবে প্ৰয়োজনীয়। S-৪০০ ক্ষেপণাস্ত্ৰ ব্যৱস্থাৰ বাবে চলা কথা-বাৰ্তাকে ধৰি ৰাছিয়াৰ সৈতে ভাৰতৰ শক্তিশালী প্ৰতিৰক্ষা চুক্তি আছে। সেয়ে আমেৰিকাৰ হেঁচা সত্ত্বেও ভাৰতে ৰাছিয়াক শক্তি আৰু সামৰিক প্ৰয়োজনৰ বাবে মূল অংশীদাৰ হিচাপে গণ্য কৰি আহিছে। ইপিনে আমেৰিকাই জি-৭ ৰাষ্ট্ৰগোষ্ঠীক ভাৰত আৰু চীনৰ ওপৰত শুল্ক আৰোপৰ বাবে আহ্বান জনাইছে। ভাৰত আৰু চীনে ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰি ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধখনত দেশখনক সহায় কৰি আছে বুলি আমেৰিকাই বিশ্বাস কৰে। জি-৭ ৰাষ্ট্ৰগোষ্ঠীয়ে আমেৰিকাৰ আহ্বানত সঁহাৰি জনালে ভাৰতে ৰপ্তানিৰ ক্ষেত্ৰত কেৱল আমেৰিকাতে নহয়, বৰঞ্চ বাকীবোৰ দেশতো প্ৰত্যাহ্বানৰ মুখামুখি হ'ব।


আমেৰিকাৰ শুল্ক যুদ্ধই চীনৰ সৈতে ভাৰতৰ সম্পৰ্কৰ বাট মুকলি কৰিছে। চীনৰ তিয়ানাজিনত (Tianjin) অনুষ্ঠিত ছাংহাই সহযোগিতা সংস্থাৰ (SIO) শীৰ্ষ সন্মিলনত নৰেন্দ্ৰ মোডী আৰু জি জিনপিং মিলিত হৈ দেশ দুখনৰ মাজত বিমান চলাচল পুনৰ আৰম্ভ কৰা আৰু বাণিজ্যিক বাধাসমূহ দূৰ কৰাৰ বিষয়ে আলোচনা কৰে। নেতা দুগৰাকীৰ মাজৰ এই আলোচনাই দেশ দুখনৰ মাজত সীমিত সহযোগিতাৰ বাট মুকলি কৰে। পশ্চিমীয়া দেশসমূহৰ অৰ্থনৈতিক হেঁচাক বাধা দিবৰ বাবেও চীনে ভাৰতৰ সৈতে অংশীদাৰ হ'ব বিচাৰিছে। ছাংহাই সহযোগিতা সংস্থা আৰু BRICSৰ দৰে গোলকীয় মঞ্চসমূহত ভাৰত, চীন আৰু ৰাছিয়া একত্ৰিত হৈছে। নৰেন্দ্ৰ মোডী আৰু ভ্লাডিমিৰ পুটিনৰ সৈতে ছাংহাই সহযোগিতা সংস্থাৰ মঞ্চৰ পৰা চীনৰ ৰাষ্ট্ৰপতিয়ে 'আধিপত্যবাদ'ৰ বিৰোধিতা কৰা কাৰ্য্যই পশ্চিমীয়া দেশসমূহক বিস্মিত কৰি তুলিছে। অৱশ্যে বিশেষজ্ঞসকলে ৰাছিয়া আৰু চীনৰ সৈতে ভাৰত দৃঢ় বান্ধোনত নোসোমাব বুলিয়েই মন্তব্য কৰিছে। কিয়নো ভাৰতে আমেৰিকা, জাপান আৰু ইউৰোপীয় দেশসমূহৰ সৈতে প্ৰতিৰক্ষা, প্ৰযুক্তি আদি ক্ষেত্ৰৰ সম্পৰ্কক সদায় গুৰুত্ব দি আহিছে। তদুপৰি ভাৰতে আমেৰিকা অথবা ৰাছিয়া কোনোখন দেশকে ত্যাগ কৰিব নোৱাৰে। আনহাতে, চীনকো ভাৰতে সম্পূৰ্ণৰূপে বিশ্বাসত ল'ব নোৱাৰে। এনে এক পৰিস্থিতিত ভাৰসাম্য ৰক্ষা কৰি চলাটো ভাৰতৰ বাবে জটিল হৈ পৰিছে। স্বতন্ত্ৰ নীতি ৰক্ষাৰ লগতে বৃহৎ শক্তিৰ সৈতে সম্পৰ্ক বৰ্তাই ৰখাটো ভাৰতৰ বাবে প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে। ড'নাল্ড ট্ৰাম্পে 'আমেৰিকা প্ৰথম নীতি' গ্ৰহণ কৰাৰ বিপৰীতে নৰেন্দ্ৰ মোডীয়ে তেওঁৰ 'স্বদেশী' নীতিৰ কথা দোহাৰিছে। শেহতীয়াকৈ দক্ষিণ আৰু মধ্য এছিয়াৰ বাবে থকা আমেৰিকাৰ বাণিজ্য প্ৰতিনিধি ব্ৰেনডন লিঙ্গে (Brendan Lynch) ভাৰতত উপস্থিত হৈ শুল্ক সম্পৰ্কীয় আলোচনা কৰিছে। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পেও ভাৰতৰ সৈতে বাণিজ্য ক্ষেত্ৰত থকা বাধাসমূহ দূৰ কৰি এই আলোচনাৰ সফল পৰিসমাপ্তিৰ আশা প্ৰকাশ কৰিছে। ট্ৰাম্পৰ আশাবাদৰ কথা দোহাৰি নৰেন্দ্ৰ মোডীয়েও আমেৰিকাৰ সৈতে নিবিড় বন্ধুত্ব আছে বুলি প্ৰকাশ কৰিছে। যি কি নহওক, বৰ্ধিত শুল্কৰ ফলত আমেৰিকালৈ হোৱা ৰপ্তানিৰ পৰিমাণ হ্ৰাস পাইছে। উদ্যোগ সংস্থাসমূহে ভাৰত চৰকাৰক বিষয়টোত তাৎক্ষণিকভাৱে হস্তক্ষেপ কৰিবলৈ আহ্বান জনাইছে। মুঠৰ ওপৰত এই শুল্ক যুদ্ধই পৰৱৰ্তী সময়ত কি ৰূপ ল'ব সেয়া সময়েহে ক'ব।❖


## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল—ছেপ্টেম্বৰ, ২০২৫


পল ভৰালী (সপ্তম গ), জিয়ান ফুকন ঠাকুৰীয়া (ষষ্ঠ গ),
অন্বেষণ শিৰম সূত (সপ্তম খ) ❖


## জুবিন গাৰ্গৰ গীতৰ কেইটিমান এলবাম
































## জুবিন গাৰ্গে অভিনয় কৰা কেইখনমান চলচ্চিত্ৰৰ পোষ্টাৰ
































# অনুৰাগীৰ শ্ৰদ্ধাঞ্জলি








## জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়াত সমবেত একাংশ গুণগ্ৰাহী

